৭ম বৰ্ষ, ষষ্ঠ সংখ্যা

১৬-৩০ ছেপ্তেম্বৰ, ২০২৬

বিনামূলীয়া বিতৰণৰ বাবে

# নিউ ইণ্ডিয়া সমাচাৰ

ইউপিআই-ৰ ১০ বছৰ সম্পূৰ্ণ






## বিশ্বৰ ‘পেমেণ্ট গেটৱে’ হিচাপে নতুন ভাৰতে আত্মপ্ৰকাশ কৰিছে

এটা দশকৰ ভিতৰতে ইউপিআই-এ ধন পৰিশোধৰ পদ্ধতিক, কেৱল ভাৰতত ৰূপান্তৰিত কৰাই নাই, বৰঞ্চ বিশ্বক ডিজিটেল পেমেণ্টৰ এক নতুন পথো দেখুৱাইছে। দৈনন্দিন জীৱনৰ পৰা আৰম্ভ কৰি বিশ্ববজাৰলৈকে-সকলো ক্ষেত্ৰ সামৰি লোৱা এই প্ৰযুক্তি এতিয়া অৰ্থনৈতিক আত্মবিশ্বাসৰ এক নতুন প্ৰতীক হিচাপে পৰিগণিত হৈছে।



# বিকশিত ভাৰতৰ বাবে নিচামুক্ত যুৱ সমাজ

প্ৰতি মাহৰ শেষৰটো দেওবাৰে ৰেডিঅ'যোগে সম্প্ৰচাৰিত হোৱা 'মন কী বাত' অনুষ্ঠানটো এনে এক মঞ্চ হিচাপে পৰিগণিত হৈছে, য'ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নতুন নতুন পদক্ষেপৰ বিষয়ে আলোকপাত কৰাৰ লগতে নাগৰিকসকলে আগবঢ়োৱা উদ্ভাৱনীমূলক ধাৰণা আৰু চিন্তাধাৰাৰ বিষয়েও আলোচনা কৰে। এনে বহু ধাৰণা হৈছেমানুহৰ অক্লান্ত নিষ্ঠা আৰু শক্তিৰ ফল। প্ৰায়ে, এই অনুষ্ঠানৰ জৰিয়তে জনসাধাৰণক আগবঢ়োৱা আহ্বানসমূহ সময়ৰ লগে লগে গণ-আন্দোলনত পৰিণত হয়।

- **অনন্য ধাৰণাবোৰ:** www.bharatrajya.com ৱেবছাইটৰ জৰিয়তে কোনে ভাৰতৰ কোনটো অঞ্চলত আৰু কোন সময়ত শাসন কৰিছিল, সেই বিষয়ে সহজেই জানিব পাৰি। এই পদক্ষেপে কেৱল ইতিহাসৰ ছাত্ৰ-ছাত্ৰীসকলকে নহয়, সকলোকে নিজৰ অতীতৰ বিষয়ে জানিবলৈ আকৰ্ষণীয়ভাৱে সহায় কৰিব।

- **নিচামুক্ত ভাৰত:** 'বিকশিত ভাৰতৰ বাবে নিচামুক্ত যুৱ সমাজ' অভিযান বৰ্তমান সমগ্ৰ দেশতে দ্ৰুতগতিত প্ৰসাৰিত হৈছে। ইয়াৰ লক্ষ্য একেবাৰে স্পষ্ট-নিচামুক্ত যুৱ সমাজ, নিচামুক্ত ভাৰত। বিপুল সংখ্যক লোক, বিশেষকৈ আমাৰ যুৱ সমাজ, এই আন্দোলনৰ অংশ হৈ পৰিছে।

- **সজাগতা অতি গুৰুত্বপূৰ্ণ; আপোনাৰ ভূমিকা পালন কৰক:** নিচাসক্তিয়ে কেৱল এজন ব্যক্তিকেই গ্ৰাস নকৰে; ইয়াৰ বিৰূপ পৰিণামৰ বোজা সমগ্ৰ পৰিয়াল আৰু সমাজেও বহন কৰিবলগীয়া হয়। ভাৰতৰ যুৱ সমাজক নিচাৰ পৰা আঁতৰাই ৰখা আৰু তেওঁলোকক নিচামুক্ত কৰি ৰখাৰ এই মহান অভিযানত সকলোৱে নিজৰ নিজৰ ভূমিকা পালন কৰা উচিত। #NashaMuktYuvaহেছটেগ ব্যৱহাৰ কৰি সামাজিক মাধ্যমত আপোনাৰ প্ৰচেষ্টা আৰু পদক্ষেপসমূহ নিশ্চয়কৈ শ্বেয়াৰ কৰক।

- **স্বনিধি আঁচনিঃ** 'পি এম স্বনিধি আঁচনি'ৰ হিতাধিকাৰীৰ প্ৰায় ৪৬% মহিলা। সমগ্ৰ দেশত প্ৰায় ৩৫ লাখ মহিলাই এই আঁচনিত অংশগ্ৰহণ কৰি ব্যৱসায়ৰ সম্প্ৰসাৰণ কৰিছে।

- **পৰিষ্কাৰ-পৰিচ্ছন্নতা আৰু জনসাধাৰণৰ অংশগ্ৰহণ:** এইবাৰৰ শ্ৰী অমৰনাথ যাত্ৰাৰ সময়ত পৰিষ্কাৰ-পৰিচ্ছন্নতা আৰু জনসাধাৰণৰ অংশগ্ৰহণৰ অনুপ্ৰেৰণাদায়ক দৃশ্য দেখা গৈছিল। হাজাৰ হাজাৰ চাফাই কৰ্মীয়ে দুৰ্গম ভূখণ্ডতো দিনে-নিশাই অক্লান্তভাৱে কাম কৰিছিল। এইবাৰৰ তীৰ্থযাত্ৰাৰ সময়ছোৱাত ৪০০ মেট্ৰিক টনতকৈও অধিক আৱৰ্জনা সংগ্ৰহ কৰি সেইবোৰৰ প্ৰক্ৰিয়াকৰণ কৰা হৈছিল।

- **মিছন শক্তিছেট (ShaktiSAT):** আজি আমাৰ জীয়ৰীসকলৰ সপোনৰ উৰণ পৃথিৱীৰ পৰা মহাকাশলৈ আগবাঢ়িছে। 'মিছন শক্তিছেট'ৰ জৰিয়তে ১০৮খন দেশৰ ১৪, ০০০ গৰাকী ছাত্ৰীয়ে উপগ্ৰহ প্ৰযুক্তিৰ বিষয়ে শিকিবলৈ আৰু উদ্ভাৱনৰ ক্ষেত্ৰত আগবাঢ়ি যাবলৈ সুযোগ লাভ কৰিছে।

- **এভোকাডো ফল:** বৰ্তমান এভোকাডো ফলে যথেষ্ট চৰ্চা লাভ কৰিছে। আগতে ইয়াৰ বিষয়ে প্ৰায় কোনেও নাজানিছিল আৰু ইয়াৰ মূল্য তথা চাহিদাও কম আছিল। কিন্তু আজি স্বাস্থ্যসচেতন আৰু প্ৰিমিয়াম বজাৰত এভোকাডো এক পছন্দৰ ফল হিচাপে পৰিগণিত হৈছে। ই আমাৰ কৃষক ভাই-ভনীসকলৰ বাবেও যথেষ্ট লাভজনক বুলি প্ৰমাণিত হৈছে।

- **কিংবদন্তি অভিনেতা উত্তম কুমাৰ:** ৩ ছেপ্টেম্বৰত কিংবদন্তি অভিনেতা আৰু বহুমুখী প্ৰতিভাৰ অধিকাৰী উত্তম কুমাৰৰ জন্ম শতবাৰ্ষিকী পালন কৰা হৈছে। তেওঁ অভিনয়ৰ জৰিয়তে অগণন লোকৰ হৃদয় জয় কৰিছিল আৰু চিৰদিন তেওঁমানুহৰ হৃদয়ত বিৰাজমান থাকিব। তেওঁ কেৱল স্বাভাৱিক অভিনয়শৈলীৰ বাবেই জনমানসত পৰিচিত নাছিল, তেওঁৰ পৰোপকাৰী স্বভাৱৰ বাবেও তেওঁ বিশেষভাৱে পৰিচিত আছিল। তেওঁৰ জীৱনে আমাক এক গভীৰ শিক্ষা দিয়ে, সেয়া হৈছে-কেতিয়াও হাৰ মানিব নালাগে।

- **ভোকেল ফৰ লোকেল:** স্থানীয়ৰ বাবে মাত মাতক: এই উৎসৱৰ বতৰত মই পুনৰবাৰ আপোনালোকক 'ভোকেল ফৰ লোকেল'ৰ ভাৱধাৰা আঁকোৱালি ল'বলৈ আহ্বান জনাইছোঁ। 'ভোকেল ফৰ লোকেল' মানে কেৱল মাটিৰ চাকি কিনাৰ কথাই নহয়; ইয়াৰ অন্তৰালত আছে এক বহল আৰু অধিক ব্যাপক দৃষ্টিভংগী।.

- **আত্মনিৰ্ভৰ ভাৰত:** আমি যেতিয়াই আমাৰ ঘৰৰ বাবে কোনো সামগ্ৰী ক্ৰয় কৰোঁ, তেতিয়াই সেই সামগ্ৰী ভাৰতত নিৰ্মিত হয় নে নহয়, সেয়া নিশ্চিত কৰিব লাগে। দেশত নিৰ্মিত সামগ্ৰীৰ প্ৰতি গৌৰৱবোধ গঢ়ি তোলাৰ জৰিয়তেহে আত্মনিৰ্ভৰ ভাৰতৰ পথ প্ৰশস্ত হ'ব।

*'মন কী বাত' শুনিবলৈ কিউ আৰ কোড স্কেন কৰক।*

# নিউ ইণ্ডিয়া সমাচাৰ

৭ম বৰ্ষ, সংখ্যা ৬, চেপ্তেম্বৰ ১৬-৩০, ২০২৬

মুখ্য সম্পাদক
**ধীৰেন্দ্ৰ ওঝা**
মুখ্য সঞ্চালক প্ৰধান
প্ৰেছ ইনফৰ্মেশ্যন ব্যুৰো, নতুন দিল্লী

জ্যেষ্ঠ পৰামৰ্শদাতা সম্পাদক
**সন্তোষ কুমাৰ**

জ্যেষ্ঠ সহকাৰী পৰামৰ্শদাতা সম্পাদক
**পৱন কুমাৰ**

সহকাৰী পৰামৰ্শদাতা সম্পাদক
**অখিলেশ কুমাৰ**
**চন্দন কুমাৰ চৌধুৰী**

ভাষা সম্পাদক
**সুমিত কুমাৰ (ইংৰাজী)**
**ৰজনীশ মিশ্ৰ (ইংৰাজী)**
**নাদীম আহমেদ (উৰ্দু)**

জ্যেষ্ঠ ডিজাইনাৰ
**ফুল চন্দ তিৱাৰী**

ডিজাইনাৰ
**অভয় গুপ্তা**
**সত্যম সিং**




১৩টা ভাষাত উপলব্ধ নিউ ইণ্ডিয়া সমাচাৰ পঢ়িবলৈ ক্লিক কৰক
https: //newindiasamachar.pib.gov.in/news.aspx

নিউ ইণ্ডিয়া সমাচাৰৰ আৰ্কাইভ সংস্কৰণবোৰ পঢ়িবলৈ ক্লিক কৰক
https://newindiasamachar.pib.gov.in.archive.aspx

'নিউ ইণ্ডিয়া সমাচাৰ'ৰ নিয়মীয়া আপডেটৰ বাবে টুইটাৰ @NISPIBIndia ত অনুসৰণ কৰক

# ভিতৰৰ পৃষ্ঠাসমূহত...

## শাৰী পতাৰ পৰা কিউ আৰ কোডলৈ যাত্ৰা

নতুন ভাৰতৰ ইউপিআই পৰিশোধ বিপ্লৱ



প্ৰচ্ছদ নিৱন্ধ
ইউপিআইৰ 10 বছৰ সম্পূৰ্ণ

মানিবেগৰ পৰা নগদ ধন উলিওৱা, নগদ ধনৰ কাউণ্টাৰত টকা গণনা কৰা আৰু এটিএমত শাৰী পতা-এই সকলোবোৰ এতিয়া ভাৰতৰ বাবে এটা পুৰণি স্মৃতি মাথোঁ। এটা কিউ আৰ কোড, এবাৰৰ স্কেন, আৰু কেইছেকেণ্ডমানৰ সময়-এইটোৱেই হৈছে আজি দেশৰ লেনদেনৰ নতুন ভাষা। দহ বছৰৰ আগতে আগষ্ট মাহত নতুন ডিজিটেল পেমেণ্ট চিষ্টেম আৰম্ভ কৰা হৈছিল, যিটো আজি বিশ্বৰ সৰ্ববৃহৎ ৰিয়েল টাইম পেমেণ্ট চিষ্টেম আৰু ই ভাৰতৰ পৰিচয় হৈ পৰিছে। এইটোৱেই সেই ৰূপান্তৰৰ কাহিনী, যিয়ে সকলোৰে জীৱন সহজ কৰি তুলিছে -পথ ব্যৱসায়ীৰ পৰা আৰম্ভ কৰি ডাঙৰ ডাঙৰ ব্যৱসায়ীলৈকে, দেশৰ ভিতৰৰ পৰা বিদেশলৈকে সকলোতে.... |৮-২০

প্ৰধানমন্ত্ৰী মোদীয়ে মহাকাশ ষ্টাৰ্টআপসমূহৰ মুখ্য কাৰ্যবাহী বিষয়াসকলৰ সৈতে মত-বিনিময় কৰে

## মহাকাশত ভাৰতৰ যুৱ শক্তি

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে 'সেৱা তীৰ্থ'ত ২০টা মহাকাশ ষ্টাৰ্টআপৰ মুৰব্বীৰ সৈতে সাক্ষাৎ কৰে |২৮-২৯




সংক্ষিপ্ত সংবাদ |৪-৫

গুণগত মান আৰু গতিয়ে হাতে-হাত ধৰি আগবাঢ়িছে
প্ৰধানমন্ত্ৰী মোদীৰ অধ্যক্ষতাত ৫৩ সংখ্যক প্ৰগতি বৈঠক |৬-৭

৪টা মাল্টি-ট্ৰেকিং আৰু ঘাইপথ প্ৰকল্পৰ অনুমোদন
কেন্দ্ৰীয় মন্ত্ৰীসভাৰ সিদ্ধান্তসমূহ |২১

'আয়ুষ্মান ভাৰত'ৰ দ্বাৰা শক্তিৱন্ত এখন নতুন ভাৰত
এতিয়ালৈকে জাৰি কৰা হৈছে ৪৭ কোটিৰো অধিক আয়ুষ্মান কাৰ্ড |২২-২৩

পুষ্টিৰে সমৃদ্ধ ভাৰত, সুস্থ ভাৰত
নৱম ৰাষ্ট্ৰীয় পোষণ মাহৰ মূল বিষয়বস্তু হৈছে-"আমাৰ অংগনবাড়ী, আমাৰ দায়িত্ব" |২৪-২৫

জিডিপি: ৭.৮% হাৰত অৰ্থনীতিৰ বৃদ্ধি
বিশ্বব্যাপী সংকটৰ মাজতো অৰ্থনৈতিক ক্ষেত্ৰত ভাৰতৰ সফলতা |২৬-২৭

সংস্কাৰ... বাধ্যবাধকতা নহয়, বৰঞ্চ ই এক অংগীকাৰ...
প্ৰধানমন্ত্ৰী মোদীয়ে ইটি (ET) বিশ্ব নেতা মঞ্চ ২০২৬ত সম্বোধন কৰে |৩০-৩১

ক্ৰুজ আন্তঃগাঁথনি শক্তিশালী কৰা হৈছে
ক্ৰুজ ভাৰত মিছনে দুটা বছৰ সম্পূৰ্ণ কৰিলে; কাৰ্যক্ষম হৈছে ৩২টা ৰাষ্ট্ৰীয় জলপথ |৩৯

ব্যক্তিত্ব: ৰাণী ৰাসমণি
সাহস, মমতা আৰু মানৱতাৰ এক মূৰ্ত প্ৰতীক... |৪০


খেলো ইণ্ডিয়া

ক্ৰীড়া: যুৱ শক্তিক একত্ৰিত কৰাৰ এক অভিযান

'খেলো ইণ্ডিয়া সমাৱৰ্তন'ত যুৱসমাজক উদ্দেশ্যি প্ৰধানমন্ত্ৰী মোদীৰ ভাষণ
|৩২-৩৩



প্ৰধানমন্ত্ৰীৰ বিদেশ ভ্ৰমণ




ছাংহাই সহযোগিতা সংস্থাৰ শীৰ্ষ সন্মিলনত ভাৰতৰ সক্ৰিয় অংশগ্ৰহণে আঞ্চলিক আলোচনা আৰু বহুপক্ষীয় অংশীদাৰিত্বত নতুন শক্তিৰ প্ৰৱেশ ঘটালে | ৩৪-৩৮


**Published:** Kanchan Prasad, Director General, on behalf of Central Bureau of Communication
**Communication Address :** Room No–1077, Soochna Bhawan, CGO Complex, New Delhi -110003.
**E-Mail : response-nis@pib.gov.in, RNI No. :** DELENG/2020/78811

# সম্পাদকৰ মেজৰ পৰা...

## ইউপিআইৰ ১০টা গৌৰৱময় বছৰ

## সৰু পথ ব্যৱসায়ীৰ পৰা আৰম্ভ কৰি ডাঙৰ ষ্ট'ৰলৈকে... ইউপিআইৰ জৰিয়তে পেমেণ্ট কৰা হৈছে

উষ্ম সম্ভাষণ,

পুৰাৰ শাক-পাচলিৰ বজাৰত আনকি পথৰ ব্যৱসায়ীজনেও এতিয়া কিউআৰ কোড প্ৰদৰ্শন কৰে। গ্ৰাহকে নিজৰ ফোনযোগে তাক স্কেন কৰে, কেইছেকেণ্ডমানৰ ভিতৰতে পেমেণ্ট সম্পূৰ্ণ কৰে। নগদ টকা গণনা কৰা বা খুচুৰা টকা ঘূৰাই দিয়াৰ চিন্তা কৰাৰ কোনো সমস্যা নাই। বিদ্যুতৰ বিল পৰিশোধ কৰাই হওক বা গাখীৰ বিক্ৰেতাক ধন দিয়াই হওক, চুবুৰীৰ চুকত থকা দোকানত চাহ খুৱাই হওক, অথবা চহৰৰ ডাঙৰ মলত বজাৰ কৰাই হওক-সকলোতে একেই সুবিধা উপলব্ধ: দ্ৰুত, সুৰক্ষিত আৰু স্বচ্ছ পেমেণ্ট।

এইয়াই হৈছে ইউনিফাইড পেমেণ্টছ ইণ্টাৰফেচ (UPI)-ৰ প্ৰকৃত শক্তি, যিয়ে সাধাৰণ মানুহৰ দৈনন্দিন জীৱনক অধিক সহজ কৰি তুলিছে। ২০১৬ চনৰ ২৫ আগষ্টত ভাৰতীয় ৰিজাৰ্ভ বেংক (আৰবিআই)ৰ নিৰ্দেশনাত ভাৰতীয় ৰাষ্ট্ৰীয় পেমেণ্ট কৰ্পোৰেচনে ইউপিআই সেৱা আৰম্ভ কৰিছিল। এই সেৱাই এতিয়া দহ বছৰ সম্পূৰ্ণ কৰিছে আৰু ভাৰতৰ ডিজিটেল পেমেণ্ট ব্যৱস্থাৰ মেৰুদণ্ড হিচাপে পৰিগণিত হৈছে।

এটা দশকৰ ভিতৰত ইউপিআইয়ে অসাধাৰণ বৃদ্ধি প্ৰদৰ্শন কৰিছে আৰু ভাৰতে পৰিশোধ কৰাৰ ব্যৱস্থাক ডিজিটেল পেমেণ্টলৈ ৰূপান্তৰিত কৰিছে। বাৰ্ষিক লেনদেনৰ পৰিমাণ ২০১৬-১৭ বিত্তীয় বৰ্ষত মাত্ৰ ২ কোটি লেনদেনৰ পৰা ২০২৫-২৬ বিত্তীয় বৰ্ষত ২৪,১৬২ কোটিতকৈ অধিক লেনদেনলৈ বৃদ্ধি পাইছে, যিয়ে লেনদেনৰ পৰিমাণ প্ৰায় ১২,০০০গুণ বৃদ্ধিক প্ৰতিনিধিত্ব কৰে। লেনদেনৰ মূল্যও দ্ৰুতগতিত বৃদ্ধি পাইছে, ০.০৭ লাখ কোটি টকাৰ পৰা প্ৰায় ৩১৪ লাখ কোটি টকা হৈছে।

আৰম্ভণিতে, মাত্ৰ ৪৪টা বেংক এই নেটৱৰ্কৰ অংশ আছিল। আজি ৭৪১টা বেংক সক্ৰিয়ভাৱে ইউপিআইৰ সৈতে সংযুক্ত হৈ আছে। ডিজিটেল পেমেণ্ট অধিক সুৰক্ষিত কৰা আৰু প্ৰৱঞ্চনা ৰোধ কৰাৰ বাবেভাৰত চৰকাৰ, ভাৰতীয় ৰিজাৰ্ভ বেংক (RBI) আৰু ভাৰতীয় ৰাষ্ট্ৰীয় পেমেণ্টছ নিগম (NPCI)-এ বিপদভিত্তিক লেনদেনৰ সীমানিৰ্ধাৰণ আৰু অধিক শক্তিশালী সুৰক্ষা মানৰ দৰে বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰিছে। UPI-ৰ সফলতা এতিয়া কেৱল ভাৰততে সীমাবদ্ধ হৈ থকা নাই। এই প্লেটফৰ্মটো এতিয়া আন ১১খন দেশতো উপলব্ধ, যিয়ে বিশ্বব্যাপী ডিজিটেল পেমেণ্টৰ পৰিৱেশত ভাৰতৰ উপস্থিতি অধিক শক্তিশালী কৰিছে। শেহতীয়াকৈ, ৩০ আগষ্টত উজবেকিস্তানতো ইউপিআই-ভিত্তিক পেমেণ্টৰ সুবিধা প্ৰদান কৰাৰ বাবে এক চুক্তি স্বাক্ষৰিত হয়।

আন্তঃৰাষ্ট্ৰীয় মুদ্ৰা নিধিয়ে ইউপিআইক বিশ্বৰ সৰ্ববৃহৎ ৰিয়েল টাইম পেমেণ্ট চিষ্টেম হিচাপে স্বীকৃতি দিছে। এই উল্লেখযোগ্য যাত্ৰাই ভাৰতৰ ডিজিটেল ৰাজহুৱা আন্তঃগাঁথনিৰ শক্তি আৰু অন্তৰ্ভুক্তিৰ বিষয়ত ইয়াৰ গুৰুত্বৰ লগতে লাখ লাখ লোকক আনুষ্ঠানিক বিত্তীয় ব্যৱস্থালৈ অনা আৰু সমগ্ৰ দেশৰ নাগৰিকসকলৰ বাবে ডিজিটেল পেমেণ্ট সুলভ কৰি তোলাৰ কথাৰ প্ৰতিফলন ঘটায়। ইউপিআইৰ অবিশ্বাস্য দশকজোৰা যাত্ৰা আমাৰ আলোচনীৰ এই সংখ্যাৰ প্ৰচ্ছদ নিৱন্ধ হিচাপে সজোৱা হৈছে।

এই সংখ্যাত সাহস, মমতা, আৰু অটল প্ৰত্যয়ৰ প্ৰতীক হিচাপে স্মৰণ কৰা ৰাণী ৰাসমণিৰ বিশেষ ব্যক্তিত্বৰ প্ৰফাইলো সন্নিবিষ্ট কৰা হৈছে। ইয়াৰ উপৰিও কেন্দ্ৰীয় কেবিনেটৰ সিদ্ধান্তসমূহ, প্ৰগতি বৈঠক, আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বিদেশ ভ্ৰমণৰপৰা লাভ কৰা গুৰুত্বপূৰ্ণ তথ্যসমূহৰ লগতে, বিগত পষেকটোৰ প্ৰধানমন্ত্ৰীগৰাকীৰ বিভিন্ন কাৰ্যসূচী আৰু সম্পৰ্কিত কাৰ্যকলাপৰ বিষয়েও এক সংক্ষিপ্ত আভাস লাভ কৰিব পাৰিব।

ভিতৰৰ পৃষ্ঠাত মন কী বাত সম্পৰ্কীয় বিশেষ লেখা থকাৰ বিপৰীতে পিছফালৰ প্ৰচ্ছদত ১৮ ছেপ্টেম্বৰত পালন কৰা বিশ্ব বাঁহ দিৱসৰ বাবে উৎসৰ্গিত বিশেষ প্ৰতিবেদন দিয়া হৈছে, যিয়ে বাঁহৰ গুৰুত্ব আৰু সম্ভাৱনাক উজ্জ্বল কৰি তুলিছে।

অনুগ্ৰহ কৰি আপোনালোকৰ পৰামৰ্শসমূহ আমালৈ পঠিয়াই থাকিব।

(ধীৰেন্দ্ৰ ওঝা)

হিন্দী, ইংৰাজী আৰু আন ১১টা ভাষাত উপলব্ধ আলোচনীখন পঢ়ক/ডাউনলোড কৰক।
https: //newindiasamachar.pib.gov.in/

# মেইল বক্স






## আলোচনীখনে মোক এজন দায়িত্বশীল নাগৰিক হ'বলৈ অনুপ্ৰাণিত কৰে

নিউ ইণ্ডিয়া সমাচাৰ আলোচনীখনে মোক ভাৰতৰ অগ্ৰগতিৰ বিষয়ে অৱগত কৰি ৰখাৰ লগতে এজন দায়িত্বশীল নাগৰিক হ'বলৈও অনুপ্ৰাণিত কৰে। নিউ ইণ্ডিয়া সমাচাৰ ই-আলোচনীয়ে মোক সমগ্ৰ দেশতে প্ৰৱৰ্তিত চৰকাৰী অত্যাৱশ্যকীয় পদক্ষেপ, নীতি, কৃতিত্ব, আৰু উন্নয়নমূলক প্ৰচেষ্টাৰ বিষয়ে অৱগত হৈ থাকিবলৈ সহায় কৰে। ই সহজে পঢ়িব পৰা ৰূপত উপযোগী আৰু নিৰ্ভৰযোগ্য তথ্য প্ৰদান কৰে। এই আলোচনীখনে মোক এজন দায়িত্বশীল নাগৰিক হিচাপে মোৰ ভূমিকা অধিক ভালদৰে বুজিবলৈ আৰু সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিবলৈ উৎসাহিত কৰে।

সুয়শ চতুৰ্বেদী
suyash.chaturvedii@gmail.com

## সজাগতা বৃদ্ধিৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন

মই প্ৰতিযোগিতামূলক পৰীক্ষাৰ বাবে প্ৰস্তুতি চলাই আছো। ৰাষ্ট্ৰীয় নীতি, উন্নয়ন কাৰ্যসূচী, আৰ্থ-সামাজিক পদক্ষেপৰ বিষয়ে অৱগত হৈ থকাৰ ক্ষেত্ৰত এই আলোচনীখন বৰ সহায়ক হৈছে। আলোচনীখনে বিজ্ঞান, প্ৰযুক্তি, প্ৰতিৰক্ষা, আন্তঃগাঁথনি, ক্ৰীড়া, আৰু শিক্ষাৰ দৰে খণ্ডসমূহৰ উন্নয়নসমূহ ফলপ্ৰসূভাৱে সামৰি লৈছে। ইয়াৰ জৰিয়তে পাঠকসকলে উন্নত ৰাষ্ট্ৰ হিচাপে ভাৰতৰ অগ্ৰগামী যাত্ৰাৰ বিষয়ে অধিক ভালদৰে বুজিবলৈ সক্ষম হয়। দেশত সংঘটিত হৈ থকা উন্নয়নমূলক কাম-কাজৰ বিষয়ে জনসাধাৰণৰ মাজত সজাগতা বৃদ্ধিত এই আলোচনীখনে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

mihirtiwariabkp2002@gmail.com

## ভাৰতৰ দ্ৰুত বৃদ্ধিকলৈ অপৰিসীম গৌৰৱৰ অনুভৱ

যেতিয়াই মই নিউ ইণ্ডিয়া সমাচাৰ পঢ়ো, তেতিয়াই সকলো খণ্ডতে ভাৰতৰ দ্ৰুত বৃদ্ধিৰ বাবে অপৰিসীম গৌৰৱ অনুভৱ কৰো। অসংখ্য প্ৰত্যাহ্বান অতিক্ৰম কৰি ভাৰত দ্ৰুতগতিত আগবাঢ়িছে, - যিটো কৃতিত্বৰ বাবে আন দেশসমূহে আশ্চৰ্য্য আৰু প্ৰশংসাৰে আমাৰ ফালে দৃষ্টি নিক্ষেপ কৰি আছে।

অধ্যাপক পি প্ৰেমা, থাঞ্জাভুৰ
prof.prema@gmail.com

## ই ছাত্ৰ-ছাত্ৰী আৰু নাগৰিকৰ বাবে অতি উপযোগী

নিউ ইণ্ডিয়া সমাচাৰ আলোচনীখনত চৰকাৰৰ বিভিন্ন পদক্ষেপ, ৰাষ্ট্ৰীয় উন্নয়ন, জনকল্যাণমূলক আঁচনি আৰু সাম্প্ৰতিক পৰিঘটনাৰ বিষয়ে গুৰুত্বপূৰ্ণ তথ্য সন্নিৱিষ্ট কৰা হয়। ই ছাত্ৰ-ছাত্ৰী আৰু নাগৰিকসকলৰ বাবেও সমানে অত্যন্ত উপযোগী।

library.bspp@ganpatuniversity.ac.in

## বহু নতুন আৰু গুৰুত্বপূৰ্ণ কথা শিকিলো

নিউ ইণ্ডিয়া সমাচাৰ এখন উৎকৃষ্ট আলোচনী। আগতে মই ইয়াৰ প্ৰতি বিশেষ গুৰুত্ব দিয়া নাছিলো যদিও এতিয়া এইখন বৰ আকৰ্ষণীয় বুলি বিবেচনা কৰিছো। এই আলোচনীখনৰ পৰা বহু নতুন আৰু গুৰুত্বপূৰ্ণ কথা শিকিছো। আলোচনীখনৰ সফলতা কামনা কৰিলোঁ।

শ্ৰী কৃষ্ণ দত্ত
19duttakrishna@gmail.com

Communication Address : Room No–1077, Soochna Bhawan, CGO Complex, New Delhi -110003

E-Mail: response-nis@pib.gov.in

# সংক্ষিপ্ত সংবাদ

প্ৰধানমন্ত্ৰী ফচল বীমা যোজনা

## ১০০ টকা প্ৰিমিয়ামৰ বিপৰীতে ক্ষতিপূৰণ লাভ ৫০,৬০০ টকা

প্ৰধানমন্ত্ৰী ফচল বীমা যোজনা (PMFBY)-ই সমগ্ৰ দেশত খৰাং, বানপানী, ঘূৰ্ণীবতাহ, শিলাবৃষ্টি, বেমাৰ, বীজ সিঁচাত বাধা প্ৰাপ্তি, স্থানীয় দুৰ্যোগ, অকাল বৰষুণ আৰু চপোৱাৰ পিছত হোৱা ক্ষতি আদি বিভিন্ন বিপদৰ বিৰুদ্ধে কৃষকসকলক ব্যাপক বীমা সুৰক্ষা প্ৰদান কৰে। ২০১৬ চনত আৰম্ভ হোৱাৰ পৰা এতিয়ালৈকে ৯২.৪ কোটি কৃষক আবেদনকাৰী এই আঁচনিৰ পৰা লাভাৱান্বিত হৈছে আৰু ২.০৬ লাখ কোটি টকাৰো অধিক মূল্যৰ দাবীৰ ধন পৰিশোধ কৰা হৈছে।

অসমৰ চানখলা গাঁৱৰ ক্ষুদ্ৰ কৃষক আনোৱাৰ হুছেইনৰ কাহিনীৰ পৰাই পিএমএফবিৱাইৰ শক্তি স্পষ্ট হৈ পৰিছে। প্ৰবল বৰষুণৰ ফলত তেওঁৰ খেতিৰ শস্য নষ্ট হৈছিল। সৌভাগ্যক্ৰমে আনোৱাৰে নামমাত্ৰ ১০০ টকা প্ৰিমিয়াম দি পিএমএফবিৱাইত পঞ্জীয়ন কৰিছিল। ফলত তেওঁ ৫০,৬০০ টকা ক্ষতিপূৰণ লাভ কৰে। আৰ্থিক দুৰ্দশাত পৰাৰ দুৰ্ভাৱনাৰ সলনি আনোৱাৰে আত্মবিশ্বাসেৰে খেতি কৰি থাকিল, কঠিন সময়ত পিএমএফবিৱাইয়ে সুৰক্ষামূলক ঢাল হিচাপে কাম কৰে।



### ৭৭ হাজাৰৰো অধিক মোবাইল ফোন

## 'সঞ্চাৰ সাথী'ৰ জৰিয়তে মাত্ৰ এটা মাহতে উদ্ধাৰ কৰা হ'ল

যদি আপোনাৰ মোবাইল ফোন হেৰাই যায় বা চুৰি হয়, তেন্তে তৎক্ষণাত অৱগত কৰক। চৰকাৰৰ নাগৰিককেন্দ্ৰিক পদক্ষেপ 'সঞ্চাৰ সাথী'ৰ তথ্যই হেৰোৱা বা চুৰি হোৱা মোবাইল ফোন উদ্ধাৰৰ ক্ষেত্ৰত জনসাধাৰণৰ আস্থা অধিক বৃদ্ধি কৰিছে। ২০২৬ চনৰ জুলাই মাহত ৭৭,৬৯২টা মোবাইল ফোন উদ্ধাৰ কৰা হৈছিল। কেন্দ্ৰীয় যোগাযোগ মন্ত্ৰী জ্যোতিৰাদিত্য এম সিন্ধিয়াই এই সাফল্যৰ প্ৰশংসা কৰিছে। হেৰুওৱা বা চুৰি হোৱা মোবাইল ফোনৰ বিষয়ে নাগৰিকসকলে "সঞ্চাৰ সাথী' ৱেব পৰ্টেল (www. sancharsaathi.gov.in) বা মোবাইল এপৰ জৰিয়তে ৰিপৰ্ট কৰিব পাৰে। অভিযোগ দাখিল কৰাৰ পিছত ভাৰতীয় দূৰসংযোগ নেটৱৰ্কত মোবাইল ফোনটো ব্লক কৰা হয়। যদি কোনোবাই সেই মোবাইল ফোনটো ব্যৱহাৰ কৰিবলৈ চেষ্টা কৰে, তেন্তে নেটৱৰ্কে সেই ব্যৱহাৰৰ সবিশেষ নথিভুক্ত কৰে আৰু নাগৰিকজনৰ লগতে সংশ্লিষ্ট আৰক্ষী থানাকো সতৰ্ক কৰে। ইয়াৰ ফলত আৰক্ষীয়ে মোবাইল ফোনটো উদ্ধাৰ কৰি প্ৰকৃত গৰাকীক ঘূৰাই দিয়াত সমৰ্থ হয়।




## পৰিৱৰ্তন আঁচনি: দিল্লী-এনচিআৰ-ত ১,৩০০ৰো অধিক হিতাধিকাৰীৰ পঞ্জীয়ন

দিল্লী-এনচিআৰ-ৰ পৰিৱেশ উন্নত কৰা আৰু বায়ু প্ৰদূষণ হ্ৰাস কৰাৰ লক্ষ্যৰে ২০২৬ চনৰ ১৪ জুলাইত আৰম্ভ কৰা 'পৰিৱৰ্তন' আঁচনিখনে ইতিমধ্যে গতি লাভ কৰিছে। ২৭ আগষ্টলৈকে এই আঁচনিখনে ১৩০০ৰো অধিক হিতাধিকাৰী পঞ্জীয়ন কৰাৰ লগতে ৪২টা বেংক আৰু ১৫টা অটো অ'ইএমক অনব'ৰ্ড কৰিছিল। ইয়াৰ উদ্দেশ্য হৈছে সমগ্ৰ দিল্লী, হাৰিয়ানা, ৰাজস্থান, আৰু উত্তৰ প্ৰদেশৰ এনচিআৰ জিলাসমূহত ২ লাখতকৈ অধিক বৰ্তমানৰ বিএছ-৪ বা পুৰণি নিৰ্গমন মানদণ্ড পূৰণ কৰা ট্ৰাক আৰু বাছবোৰ-বিএছ-৬ বা বৈদ্যুতিক বাহনৰ সৈতে সলনি কৰা। এই আঁচনিৰ বাবে মুঠ ৯,৫৮৫ কোটি টকা ব্যয় কৰা হ'ব। ইতিমধ্যে নিজ নিজ ৰাজ্যসমূহে পৰিৱৰ্তন আঁচনিৰ অধীনত ১০ বছৰৰ বাবে পথ কৰ ৰেহাই প্ৰদানৰ অধিসূচনা জাৰি কৰিছে। ডিজেল আৰু চিএনজি বাহনৰ ক্ৰেতাসকলে ইন্ধনৰ ভাউচাৰ লাভ কৰাৰ বিপৰীতে বৈদ্যুতিক বাহন ক্ৰয় কৰাসকলে ৬৪ হাজাৰৰ পৰা ২.৫৬ লাখলৈকে এককঁালীন উদগনিমূলক ধন লাভ কৰে।



## আত্মনিৰ্ভৰ ভাৰত...

## এসপ্তাহৰ ভিতৰত নৌসেনাক হস্তান্তৰ থলুৱাভাৱে নিৰ্মিত দুখন জাহাজ

ভাৰতে প্ৰতিৰক্ষা খণ্ডত আত্মনিৰ্ভৰশীলতাৰ দিশত দ্ৰুত গতিৰে অগ্ৰসৰ হৈছে। এই পদক্ষেপৰ অংশ হিচাপে আগষ্ট মাহৰ অন্তিমটো সপ্তাহত ভাৰতীয় নৌসেনাক থলুৱাভাৱে নিৰ্মিত দুখন জাহাজ হস্তান্তৰ কৰা হয়। নৌবহৰত অন্তৰ্ভুক্ত কৰা প্ৰথমখন জাহাজ হৈছে থলুৱা বহুমুখী জাহাজ 'সমৰ্থক'। দ্বিতীয়খন জাহাজ হৈছে 'নিস্তাৰ' শ্ৰেণীৰ ডাইভিং চাপৰ্ট ভেছেল 'আইএনএছ নিপুণ'। দুয়োখন জাহাজেই ৭৫ শতাংশ থলুৱা সামগ্ৰী ব্যৱহাৰ কৰি নিৰ্মাণ কৰা হৈছে।

২৭ আগষ্টত 'সমৰ্থক' জাহাজখন ভাৰতীয় নৌসেনাক হস্তান্তৰ কৰা হয়। ইয়াক এক বহুমুখী পৰীক্ষণ আৰু মূল্যায়ন মঞ্চ হিচাপে ব্যৱহাৰৰ বাবে বিকাশ সাধন কৰা হৈছে। এই জাহাজখন সামুদ্ৰিক নিৰীক্ষণ তথা চোৰাংচোৰাগিৰি, উপকূলীয় তহলদাৰী আৰু প্ৰয়োজন সাপেক্ষে মানৱীয় সাহায্য তথা দুৰ্যোগ প্ৰশমন অভিযানত সহায়ক হোৱাকৈ আৰ্হি প্ৰস্তুত কৰা হৈছে। ইফালে, 'নিস্তাৰ' শ্ৰেণীৰ দ্বিতীয়খন ডাইভিং চাপৰ্ট ভেছেল 'আইএনএছ নিপুণ'ৰ অন্তৰ্ভুক্তিয়ে গভীৰ সাগৰত ডুবাৰুৰ অভিযান, পানীৰ তলৰ কাৰ্যসূচী আৰু ছাবমেৰিন উদ্ধাৰ অভিযানত নৌসেনাৰ দক্ষতা বৃদ্ধি কৰিছে।



## পিএম স্বনিধি ঃ আঁচনি পুনৰ গঠনৰ পৰৱৰ্তী পৰ্যায়ত ১০.৫৬ লাখ নতুন হিতাধিকাৰীক প্ৰদান কৰা হৈছে ঋণ

পদ পথৰ ব্যৱসায়ীসকলক সহায় কৰাৰ বাবে আৰম্ভ কৰা পিএম স্বনিধি আঁচনিখন পুনৰ গঠন কৰি ২০৩০ চনৰ ৩১ মাৰ্চলৈ সম্প্ৰসাৰিত কৰা হৈছে। এই পুনৰ গঠনৰ পাছৰ এটা বছৰত ১০.৫৬ লাখ নতুন হিতাধিকাৰীক ৬,২৯৪ কোটি টকাৰ ২১.৮৬ লাখটা ঋণ প্ৰদান কৰা হৈছে। তদুপৰি, যোগ্য হিতাধিকাৰী ব্যৱসায়িক ২৭,০০০তকৈও অধিক ইউপিআই সংযুক্ত ৰূপে ক্ৰেডিট কাৰ্ড প্ৰদান কৰা হৈছে। বৰ্তমানলৈকে এই আঁচনিৰ জৰিয়তে ৭৮.৬৮ লাখ পদ পথৰ ব্যৱসায়িক ১.১৮ কোটিতকৈও অধিক ঋণ প্ৰদান কৰা হৈছে। একেদৰে, ডিজিটেল লেনদেন কৰা ব্যৱসায়ীসকলক সৰ্বমুঠ ৪২১ কোটি টকাৰ সুদ ৰেহাই আৰু ৪১৮ কোটি টকাৰ কেচবেক প্ৰদান কৰা হৈছে।



## ভাৰত চৰকাৰৰ আঁচনিয়ে উদগনি যোগাইছে ইলেক্ট্ৰনিক্স সামগ্ৰী নিৰ্মাণ খণ্ডক

ইলেক্ট্ৰনিক্স সামগ্ৰী নিৰ্মাণ আঁচনি (ইচিএমএছ)ৰ অধীনত ভাৰত চৰকাৰে ৬,৮৪৪ কোটি টকাৰ আনুমানিক বিনিয়োগেৰে ৩১টা নতুন প্ৰস্তাৱত অনুমোদন জনাইছে। ইয়াৰ লগে লগে বৰ্তমানলৈকে মুঠ ১০৬টা ইচিএমএছ প্ৰকল্প অনুমোদন জনোৱা হৈছে, যিয়ে ৬৯,৫৪৮ কোটি টকাৰ বিনিয়োগ আৰু ৭৫,০০০গৰাকী লোকৰ প্ৰত্যক্ষ সংস্থাপন সৃষ্টিৰ সম্ভাৱনা কঢ়িয়াই আনিছে। এই আঁচনিখনে ইলেক্ট্ৰনিক্স সামগ্ৰী নিৰ্মাণ খণ্ডক দ্ৰুততৰ কৰি তুলিছে; ইতিমধ্যে ৩৮টা প্ৰকল্প কাৰ্যক্ষম হৈ উঠিছে, আনহাতে আন ১৬টা প্ৰকল্পৰ নিৰ্মাণ কাৰ্য অন্তিম পৰ্যায়ত আছে। এই আঁচনিয়ে প্ৰথমবাৰৰ বাবে আৱশ্যকীয় উপাদান আৰু কেঁচা সামগ্ৰীৰ দেশীয় নিৰ্মাণ সম্ভৱ কৰি তুলি এক 'থলুৱা' মূল্যায়ন শৃংখল গঢ়ি তুলিছে। ইচিএমএছৰ উৎপাদন ক্ষমতাই ঘৰুৱা চাহিদাকো অতিক্ৰম কৰাৰ ফলত ভাৰত ইলেক্ট্ৰনিক্স খণ্ডত আত্মনিৰ্ভৰশীলতাৰ দিশে অগ্ৰসৰ হৈছে। প্ৰকৃততে, এন'ড মেটেৰিয়েলছ (১১০%), অপ্টিকেল ট্ৰান্সিভাৰ এছএফপি (৩৫০%) আৰু ৰিলে' (২০০%)ৰ দৰে গুৰুত্বপূৰ্ণ খণ্ডসমূহৰ উৎপাদনে ইতিমধ্যে ঘৰুৱা চাহিদাক অতিক্ৰম কৰিছে।



**৫৩ সংখ্যক প্ৰগতি বৈঠকত অধ্যক্ষতা প্ৰধানমন্ত্ৰীৰ**

# গুণগত মান আৰু গতি হাতে হাত ধৰি

*প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সক্ৰিয় শাসন প্ৰক্ৰিয়া আৰু নিৰ্ধাৰিত সময়ত কাম-কাজ সম্পূৰ্ণ কৰাটো সুনিশ্চিত কৰাৰ উদ্দেশ্যে প্ৰস্তুত কৰা তথ্য আৰু যোগাযোগ প্ৰযুক্তি (ICT) ভিত্তিক বহুমুখী মঞ্চ ‘প্ৰগতি’ (PRAGATI-Pro-Active Governance and Timely Implementation) বৈঠকৰ পৰ্যালোচনা কৰে। এই ধাৰাবাহিকতা অক্ষুণ্ণ ৰাখি ২৫ আগষ্টত তেওঁ ৫৩সংখ্যক ‘প্ৰগতি’ বৈঠকত অধ্যক্ষতা কৰে। বৈঠকত তেওঁ ৰে’লৰে, পথ আৰু শক্তি খণ্ডৰ ছটা মুখ্য আন্তঃগাঁথনি প্ৰকল্পৰ পৰ্যালোচনা কৰে...*




আন্তঃগাঁথনি প্ৰকল্পসমূহৰ নিৰ্মাণত পলম হ’লে কেৱল খৰচেই বৃদ্ধি নাপায়, বৰঞ্চ ইয়াৰ পৰা নাগৰিক, ব্যৱসায়-বাণিজ্য আৰু অৰ্থনীতিয়ে পাবলগীয়া সুবিধাসমূহো পিছুৱাই যায়। বৈঠকত বক্তব্য প্ৰদান কৰি প্ৰধানমন্ত্ৰীয়ে দৃঢ়তাৰে কয় যে আন্তঃগাঁথনি প্ৰকল্পসমূহক পৃথক অংশ, ভাগ বা পেকেজ হিচাপে চোৱাৰ পৰিৱৰ্তে এক একত্ৰিত গোট হিচাপে প্ৰত্যক্ষ কৰা উচিত; ইয়াৰ বাবে সৰ্বাংগীণ নিৰীক্ষণৰ প্ৰয়োজন। ব্যক্তিগত পেকেজসমূহত লাভ কৰা অগ্ৰগতিয়ে অৱশেষত সমগ্ৰ প্ৰকল্পটো নিৰ্ধাৰিত সময়ত সম্পূৰ্ণ কৰা আৰু কাৰ্যক্ষম কৰি তোলাত সফল হ’ব লাগিব। ফলস্বৰূপে, মন্ত্ৰালয় আৰু ৰাজ্যসমূহক প্ৰকল্প ৰূপায়ণৰ ক্ষেত্ৰত আৰম্ভণিৰ পৰা শেষলৈকে এক সামগ্ৰিক পদ্ধতি গ্ৰহণ কৰিবলৈ আৰু প্ৰকল্পটো কাৰ্যক্ষম কৰাৰ লগতে ইয়াৰ সুফল লাভ কৰাত বাধাৰ সৃষ্টি কৰিব পৰা যিকোনো সমস্যা তৎক্ষণাৎ সমাধান কৰিবলৈ আহ্বান জনোৱা হয়। তেওঁ মন্ত্ৰালয়সমূহ আৰু ৰাজ্য চৰকাৰসমূহৰ ভিতৰত এক সক্ৰিয় কৰ্মসংস্কৃতি গঢ়ি তোলাৰ আহ্বান জনায় আৰু প্ৰকল্প ৰূপায়ণৰ প্ৰতিটো পৰ্যায়তে জবাবদিহি নিশ্চিত কৰাৰ প্ৰয়োজনীয়তাৰ বিষয়ত গুৰুত্ব আৰোপ কৰে।



*এতিয়ালৈকে অনুষ্ঠিত ৫৩খন 'প্ৰগতি' বৈঠকত প্ৰধানমন্ত্ৰী মোদীয়ে প্ৰায় ৮৬ লাখ কোটি টকা মূল্যৰ প্ৰকল্প পৰ্যালোচনা কৰাৰ লগতে সেইবোৰৰ বাধা হিচাপে দেখা দিয়া সমস্যাসমূহো সমাধান কৰিছে।*

## প্ৰকল্পসমূহ দ্ৰুতগতিত সম্পূৰ্ণ কৰাৰ বিষয়ত বিশেষ গুৰুত্ব আৰোপ

যোগাযোগ ব্যৱস্থা সুদৃঢ় কৰা, ঔদ্যোগিক তথা অৰ্থনৈতিক কাৰ্যকলাপ দ্ৰুততৰ কৰা আৰু ৰাজহুৱা সেৱাসমূহ উন্নত কৰাৰ উদ্দেশ্যে গ্ৰহণ কৰা মুখ্য প্ৰকল্পসমূহৰ পৰ্যালোচনা কৰি প্ৰধানমন্ত্ৰী মোদীয়ে সময়সীমা মানি চলা, বিভিন্ন সংস্থাৰ মাজত সমন্বয় নিশ্চিত কৰা, বাকী থকা সমস্যাসমূহ সমাধান কৰা আৰু কাম-কাজসমূহ দ্ৰুতগতিত সম্পূৰ্ণ কৰাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰে।

**৩০,০০০** কোটি টকাৰো অধিক মুঠ ব্যয়ৰ এই প্ৰকল্পসমূহ ৯খন ৰাজ্যজুৰি বিস্তৃত হৈ আছে।



## কৃত্ৰিম বুদ্ধিমত্তা (এআই)ৰ দৰে নতুন ডিজিটেল প্ৰযুক্তিৰ ব্যৱহাৰত গুৰুত্ব আৰোপ

ডিজিটেল কৃষি মিছনৰ অধীনত 'এগ্ৰিষ্টেক'ৰ বুজ লোৱাৰ সময়ত প্ৰধানমন্ত্ৰীয়ে কৃষি সংক্ৰান্তীয় তথ্যৰ সুবিধা সৰ্বাধিক কৰিবলৈ কৃত্ৰিম বুদ্ধিমত্তা (এআই)ৰ দৰে নতুন ডিজিটেল প্ৰযুক্তি ব্যৱহাৰ কৰাৰ প্ৰয়োজনীয়তাৰ বিষয়ত গুৰুত্ব আৰোপ কৰে। তেওঁ উল্লেখ কৰে যে ক্ৰয় পৰিকল্পনাৰ পৰা সংসাধনলৈকে সমগ্ৰ কৃষি মূল্য শৃংখলজুৰি এই তথ্য ব্যৱস্থাক কাৰ্যকৰীভাৱে ব্যৱহাৰ কৰিব লাগিব, যাতে সঠিক তথ্যভিত্তিক পদক্ষেপ, তথ্য-চালিত সিদ্ধান্ত গ্ৰহণ আৰু প্ৰকৃত যোগ্য ব্যক্তিক সহায় প্ৰদান সুনিশ্চিত কৰিব পৰা যায়। 'এগ্ৰিষ্টেক' ব্যৱস্থা গঢ়ি তোলাৰ ক্ষেত্ৰত ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰসমূহৰ প্ৰচেষ্টাক তেওঁ প্ৰশংসা কৰাৰ লগতে কৃষকসকলৰ বাবে অধিক সুফল লাভৰ উদ্দেশ্যে ইয়াৰ ব্যৱহাৰ আৰু অধিক শক্তিশালী কৰিবলৈ আহ্বান জনায়।

চাইবাৰ জালিয়াতিৰ গোচৰসমূহ পৰ্যালোচনা কৰি প্ৰধানমন্ত্ৰীয়ে প্ৰশিক্ষণ, সচেতনতা আৰু শিক্ষাৰ বিষয়ত নিৰন্তৰ গুৰুত্ব প্ৰদানেৰে ইয়াৰ প্ৰতিৰোধ ব্যৱস্থা সুদৃঢ় কৰাৰ প্ৰয়োজনীয়তাৰ বিষয়ত জোৰ দিয়ে। চাইবাৰ জালিয়াতিৰ গোচৰসমূহৰ পৰ্যালোচনাত 'ডিজিটেল এৰেষ্ট'ৰ দৰে ঘটনাসমূহো অন্তৰ্ভুক্ত আছিল। মানুহক জালিয়াতিৰ পদ্ধতি, সতৰ্কতামূলক সংকেত আৰু সুৰক্ষিত ডিজিটেল অনুশীলনৰ বিষয়ে অৱগত কৰাবলৈ, বিশেষকৈ বয়োজ্যেষ্ঠ, যুৱ প্ৰজন্ম আৰু সংবেদনশীল শ্ৰেণীসমূহৰ মাজত ধাৰাবাহিক সচেতনতামূলক প্ৰচাৰ অভিযান চলোৱাৰ প্ৰয়োজনীয়তাৰ কথা তেওঁ দোঁহাৰে। তদুপৰি চাইবাৰ জালিয়াতিৰ নতুন কৌশলসমূহ চিনাক্ত কৰিব পৰাকৈ এই কাৰ্যত নিয়োজিত কৰ্মচাৰীসকলৰ দক্ষতা বৃদ্ধিৰ বাবে নিয়মীয়া প্ৰশিক্ষণৰো আহ্বান জনায়।

> কাম-কাজ দ্ৰুতগতিত সম্পূৰ্ণ কৰাৰ সময়ত গুণগত মানৰ ক্ষেত্ৰত কোনো ধৰণৰ আপোচ কৰা অনুচিত।
>
> *নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী*



# দীঘলীয়া শাৰীৰ পৰা কিউ আৰ ক'ডলৈ

## নতুন ভাৰতৰ ইউপিআই পেমেণ্টৰ বিপ্লৱ



*মানুহৰ মানি বেগৰ পৰা টকা উলিওৱা, কেছ কাউণ্টাৰত খুচুৰা পইচা গণি থকা আৰু এটিএমৰ সন্মুখত দীঘলীয়া শাৰী পতা-এই সকলো এতিয়া অতীত হ'ল। মাত্ৰ এটা কিউআৰ ক'ড স্কেন কৰিয়েই কেই ছেকেণ্ডমানৰ ভিতৰতে লেনদেন কৰাটোৱেই এতিয়া দেশৰ নতুন নিয়ম। দহ বছৰ পূৰ্বে আগষ্ট মাহতে আৰম্ভ হোৱা এই ডিজিটেল পেমেণ্ট ব্যৱস্থাটো আজি বিশ্বৰ আটাইতকৈ ডাঙৰ ৰিয়েল-টাইম পেমেণ্ট ব্যৱস্থা হৈ পৰিছে, যিয়ে ভাৰতক সমগ্ৰ বিশ্বতে এক সুকীয়া পৰিচয় দিছে। এই পৰিৱৰ্তনে পথৰ কাষৰ সৰু ব্যৱসায়ীৰ পৰা আৰম্ভ কৰি ডাঙৰ উদ্যোগপতিসকললৈকে সকলোৰে জীৱন সহজ কৰি তুলিছে...*

মুজাফ্ফৰপুৰৰ ৰাজকুমাৰী দেৱীক সকলোৱে 'চাইকেল চাচী' (Bicycle Aunty) বুলি জানে। তেওঁ আচাৰ বনাই চাইকেলেৰে বিক্ৰী কৰিবলৈ যায়। তেওঁৰ কয় যে আগতে মানুহে খুচুৰা পইচা নাই বুলি ৪০-৫০ টকা কমকৈ দিছিল। কিছুমানে পিছত দিম বুলি কৈ পাহৰি গৈছে। তেওঁ কয় যে ইয়াৰ ফলত তেতিয়া একো লাভেই হোৱা নাছিল। ইউপিআই অহাৰ পাছৰে পৰা তেওঁৰ ব্যৱসায় সলনি হৈ পৰিল। ডিজিটেল পেমেণ্টে তেওঁৰ ব্যৱসায় বৃদ্ধি কৰাৰ লগতে অতি সহজ, দ্ৰত তথা সুৰক্ষিত কৰি তুলিলে।

আন এগৰাকী মহিলাই কয় যে আগতে বেংকৰ পৰা টকা উলিয়াবলৈ ঘণ্টাৰ পিছত ঘণ্টা শাৰী পাতি থিয় দিবলগীয়া হৈছিল আৰু কেতিয়াবা টকা নোলোৱাকৈয়ে ঘূৰি আহিবলগীয়া হৈছিল। কিন্তু এতিয়া ইউপিআইৰ বাবে তেওঁ ঘৰতে বহি সকলো লেনদেন কৰিব পৰা হ'ল।

এই কাহিনী কেৱল ৰাজকুমাৰী দেৱীৰে নহয়, আজি সমগ্ৰ দেশৰে লাখ লাখ সৰু-বৰ ব্যৱসায়ীৰ দোকানত কিউআৰ ক'ড দেখিবলৈ পোৱা যায়। এই কথাই প্ৰমাণ কৰে যে ইউপিআই কেৱল এক প্ৰযুক্তি নহয়, ই কোটি কোটি ভাৰতীয়ৰ আত্মসন্মান আৰু আত্মনিৰ্ভৰশীলতাৰ এক ছবি।

ইউপিআইৰ ১০ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে প্ৰধানমন্ত্ৰীয়ে নিজৰ অনুভৱ ব্যক্ত কৰে। তেওঁ উল্লেখ কৰে যে বিগত এটা দশকত ইউপিআয়ে দেশৰ

প্ৰতিটো প্ৰান্ততে ইয়াৰ ব্যাপক প্ৰভাৱ বিস্তাৰ কৰিছে আৰু ডিজিটেল পেমেণ্টক সাধাৰণ নাগৰিকৰ দৈনন্দিন জীৱনৰ এক অপৰিহাৰ্য অংগ কৰি তুলিছে। ইউপিআইৰ এই গৌৰৱোজ্জ্বল যাত্ৰাৰ বিষয়ত আলোকপাত কৰি তেওঁ কয় যে ইয়াৰ সাফল্যক লৈ প্ৰতিগৰাকী ভাৰতীয়ই গৌৰৱ কৰিব পাৰে।

২০১৬ চনত নেচনেল পেমেণ্টছ কৰ্প'ৰেচন অৱ ইণ্ডিয়া (এনপিচিআই)-য়ে 'ইউনিফাইড পেমেণ্টছ ইণ্টাৰফেচ' (ইউপিআই) মুকলি কৰে, যিয়ে ভাৰতত বিত্তীয় লেনদেনৰ ক্ষেত্ৰখনত এক বৈপ্লৱিক পৰিৱৰ্তনৰ সূচনা কৰে। ই একাউণ্ট নম্বৰ বা আইএফএছচি ক'ড শ্বেয়াৰ কৰাৰ প্ৰয়োজনীয়তা দূৰ কৰি কেৱল মোবাইল নম্বৰ, এটা ইউপিআই আইডি

# ইউপিআইৰ এক দশকৰ পৰিৱৰ্তনকাৰী বিকাশ

- ২০১৬-১৭ বিত্তীয় বৰ্ষত ইউপিআইৰ জৰিয়তে মাত্ৰ প্ৰায় ২ কোটিমান লেনদেন হৈছিল, যাৰ মুঠ মূল্য প্ৰায় ৭,০০০ কোটি টকা আছিল। দহ বছৰৰ পিছত এই ছবিখন সম্পূৰ্ণৰূপে সলনি হৈ পৰিল। ২০২৫-২৬ বিত্তীয় বৰ্ষত ইউপিআই মঞ্চত ২৪,০০০ কোটিতকৈও অধিক লেনদেন নথিভুক্ত হয়, যাৰ মুঠ মূল্য ৩১৪.২৩ লাখ কোটি টকাতকৈও অধিক। ই লেনদেনৰ সংখ্যাৰ ক্ষেত্ৰত প্ৰায় ১২,০০০ গুণ আৰু মূল্যৰ ক্ষেত্ৰত ৪,০০০ গুণতকৈও অধিক এক বৃহৎ উত্থানক প্ৰতিফলিত কৰে।

- শেহতীয়াকৈ সংসদত দাখিল কৰা চৰকাৰী তথ্য অনুসৰি ২০২৬ চনৰ জুন মাহলৈকে ইউপিআই মঞ্চত পঞ্জীয়নভুক্ত ব্যৱহাৰকাৰীৰ সংখ্যা ৫৫.৫ কোটি হৈছেগৈ আৰু ই ৬.৫ কোটি ব্যৱসায়িক সেৱা আগবঢ়াইছে। ৰাজহুৱা খণ্ড, ব্যক্তিগত, ক্ষুদ্ৰ বিত্তীয়, পেমেণ্ট আৰু সমবায় বেংককে ধৰি ৭৪০টাৰো অধিক বেংক এই একক মঞ্চত ইটোৱে সিটোৰ সৈতে সংযুক্ত হৈ আছে। এইটোৱেই হৈছে সেই আন্তঃসংযোজ্যতা (interoperability), যাৰ প্ৰশংসাত সদায় পঞ্চমুখ আন্তঃৰাষ্ট্ৰীয় মুদ্ৰা নিধি (আইএমএফ)ৰ বিশেষজ্ঞসকল। ই কোনো এটা বিশেষ এপ বা বেংকতে সীমাবদ্ধ নাথাকি প্ৰতিটো ব্যৱস্থাক আন প্ৰতিটো ব্যৱস্থাৰ সৈতে সংযোগ কৰাৰ দৃষ্টিভংগীক মূৰ্ত ৰূপ দিয়ে।

**বিগত পাঁচটা বিত্তীয় বৰ্ষত ইউপিআই লেনদেনৰ পৰিমাণ আৰু মূল্য দুয়োটাতে ধাৰাবাহিক বৃদ্ধি পৰিলক্ষিত হৈছে**

| বিত্তীয় বৰ্ষ | লেনদেন (কোটিৰ হিচাপত) | মূল্য (লাখ কোটি টকাৰ হিচাপত) |
|---|---|---|
| ২০২১-২২ | ৪,৫৯৫.৬১ | ৮৪.১৬ |
| ২০২২-২৩ | ৮,৩৭১.৪৪ | ১৩৯.১৫ |
| ২০২৩-২৪ | ১৩,১১২.৯৫ | ১৯৯.৯৫ |
| ২০২৪-২৫ | ১৮,৫৮৬.৬০ | ২৬০.৫৬ |
| ২০২৫-২৬ | ২৪,১৬১.৬৯ | ৩১৪.২৩ |

মাহিলী তথ্য: কেৱল ২০২৬ চনৰ মাৰ্চ মাহতে ২৯.৫৩ লাখ কোটি টকা মূল্যৰ ২,২৬৪ কোটি লেনদেন নথিভুক্ত কৰা হৈছে।

*(উৎস: বিত্ত মন্ত্ৰালয়, লোকসভাত দাখিল কৰা তথ্য, জুন, ২০২৬)*




আৰু এটা সুৰক্ষিত পিন (PIN) ব্যৱহাৰ কৰিয়েই লগে লগে ধন স্থানান্তৰ কৰাত সহায় কৰে। ২৪x৭ কাৰ্যক্ষম হৈ থকা এই ব্যৱস্থাটোৱে বিভিন্ন বেংক আৰু এপ্লিকেচনৰ জৰিয়তে সঠিক সময়ত লেনদেন সহজ কৰি তোলে। বেংকসমূহৰ মাজত থকা আন্তঃসংযোগ আৰু কম লেনদেন ব্যয়ৰ বাবে ইয়াৰ দ্ৰুত সম্প্ৰসাৰণ সম্ভৱ হৈ উঠিছে। ২০১৬ চনৰ এপ্ৰিল মাহত এই ব্যৱস্থাৰ সৈতে মাত্ৰ ২১টা বেংক সংলগ্ন হৈ থকাৰ পৰিৱৰ্তে ২০২৬ চনৰ মাৰ্চ মাহলৈকে সেই সংখ্যা ৭৪১টালৈ বৃদ্ধি পায়। ইউপিআয়ে কেৱল লেনদেনকে সহজ কৰি তোলা নাই, বৰঞ্চ নগদ ধনৰ ওপৰত নিৰ্ভৰশীলতা হ্ৰাস কৰি বিত্তীয় অন্তৰ্ভুক্তিক এক নতুন দিশ প্ৰদান কৰিছে। ক্ষিপ্ৰ লেনদেনে ভৌতিক নগদ ধনৰ প্ৰয়োজনীয়তা হ্ৰাস কৰাৰ লগতে স্বচ্ছতা বৃদ্ধি কৰিছে। দেশৰ প্ৰতিটো প্ৰান্তৰ শেষৰজন ব্যক্তিৰ ওচৰলৈকে পোৱাৰ সামৰ্থ্যৰে ইউপিআয়ে সকলোৰে জীৱন যাত্ৰা অত্যন্ত সহজ কৰি তুলিছে।



**৫৫.৪৯+**
কোটি ৬৫ কোটি ব্যৱসায়ী ব্যৱহাৰকাৰী (জুন, ২০২৬)

**৭৪১**
সংযোগী বেংক

**৮৫%**
ভাৰতৰ ডিজিটেল পেমেণ্টৰ শ্বেয়াৰ

**৫০%**
বিশ্বৰ ৰিয়েল-টাইম পেমেণ্টছৰ ইউপিআই শ্বেয়াৰ

## ইউপিআইঃ এক দশকৰ মাইলৰ খুঁটি

| | |
|---|---|
| ২০১৬* | ১১ এপ্ৰিলত মুম্বাইত তেতিয়াৰ আৰবিআই গৱৰ্ণৰে ইউপিআইৰ প্ৰাৰম্ভিক পৰীক্ষামূলক প্ৰকল্প মুকলি কৰে। |
| ২০১৬-১৭* | ২০১৬ চনৰ ২৫ আগষ্টৰ পৰা সাধাৰণ ৰাইজৰ বাবে ইউপিআই সেৱা আৰম্ভ হয়। প্ৰথম বৰ্ষতে প্ৰায় ২ কোটি লেনদেনৰ তথ্য পোৱা গৈছে। |
| ২০১৯* | পিএম স্বনিধি আঁচনিৰ জৰিয়তে পথৰ ব্যৱসায়ীসকলক আনুষ্ঠানিক ঋণ আৰু ডিজিটেল পৰিশোধ প্ৰণালীৰ সৈতে সংযোগ কৰাৰ প্ৰচেষ্টাই গতি লাভ কৰে। |
| ২০২১-২২* | বাৰ্ষিক লেনদেনৰ সংখ্যাই ৪,৫০০ কোটি অতিক্ৰম কৰে; চহৰৰ পৰা গাঁৱলৈ ইউপিআইৰ সম্প্ৰসাৰণ ঘটে। |
| ২০২৩* | আইফেল টাৱাৰকে ধৰি ফ্ৰান্সৰ কেইবাটাও স্থানত ইউপিআই পেমেণ্ট সেৱা মুকলি কৰা হয়। |
| ২০২৫* | আগষ্ট মাহত প্ৰথমবাৰৰ বাবে মাহেকীয়া লেনদেনৰ সংখ্যাই ২, ০০০ কোটি অতিক্ৰম কৰে; আইএমএফে ইউপিআইক এক গোলকীয় মাপকাঠী হিচাপে প্ৰশংসা কৰে। |
| ২০২৫-২৬* | বাৰ্ষিক লেনদেনৰ সংখ্যাই ২৪,০০০ কোটি অতিক্ৰম কৰে; যাৰ মুঠ মূল্য ৩১৪ লাখ কোটি টকাতকৈও অধিক হয়। |
| ২০২৬* | সংসদে 'পেমেণ্ট এণ্ড ছেটেলমেণ্ট ছিষ্টেমছ এক্ট'ৰ সংশোধনী বিধেয়ক গৃহীত কৰে; গ্ৰাহকসকলৰ বাবে ইউপিআই সেৱা বিনামূলীয়া হৈয়েই ৰ'ব। |

অট' ৰিস্কা চালক, পদ পথৰ ব্যৱসায়ী, গাঁৱৰ বজাৰৰ কৃষক আৰু ঘৰুৱা সহায়িকা সকলেও এতিয়া কিউআৰ ক'ড আৰু স্মাৰ্টফোন ব্যৱহাৰ কৰি অতি সহজে লেনদেন কৰিব পৰা হৈছে; যাৰ ফলত চহৰ আৰু গ্ৰামাঞ্চলৰ লগতে আনুষ্ঠানিক আৰু অনানুষ্ঠানিক খণ্ডৰ মাজৰ ব্যৱধান নাইকিয়া হৈছে। এইদৰে আনুষ্ঠানিক বিত্তীয় ব্যৱস্থাৰ সৈতে অন্তৰ্ভুক্ত হোৱাৰ ফলত অসংগঠিত খণ্ডৰ সৰু সৰু ব্যৱসায়ী আৰু শ্ৰমিকসকলৰ

> আমাৰ থলুৱাভাৱে প্ৰস্তুত কৰা ইউপিআই প্লেটফৰ্মটো এক গোলকীয় বিস্ময়লৈ ৰূপান্তৰিত হৈছে; বিশ্বৰ সৰ্বমুঠ ৰিয়েল-টাইম লেনদেনৰ অধিকাংশই কেৱল ভাৰততে হয়।
>
> *নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী*

# পদপথৰ দোকানীৰ পৰা মললৈ: প্ৰত্যেকৰে হাতত ইউপিআই

ইউপিআইৰ প্ৰকৃত শক্তি ইয়াৰ পৰিসংখ্যাত সিমান নাই, যিমান প্ৰসাৰতাত নিহিত হৈ আছে। মুঠ লেনদেনৰ ৬৩% ভাগ ব্যক্তিৰ পৰা ব্যৱসায়ীলৈ (P2M) পৰিশোধৰ, ইয়াৰো ৮৬% লেনদেন ৫০০ টকাতকৈ কম পৰিমাণৰ। ইয়াৰ পৰা স্পষ্টকৈ বুজা যায় যে ইউপিআই এতিয়া ডাঙৰ চহৰত সীমাবদ্ধ হৈ থকা সুবিধা নহয়; ই শাক-পাচলি বিক্ৰেতা, চাহ বিক্ৰেতা, অটো-ৰিস্কা চালক, আৰু চুবুৰীৰ সৰু সৰু দোকানবোৰলৈকে গৈছে। অটোৰিস্কা চালকেই হওক বা পদপথৰ বিক্ৰেতাই হওক, 'খুচুৰা পইচা'ক লৈ যাত্ৰী বা গ্ৰাহকৰ সৈতে আৰু কোনেও তৰ্ক কৰাৰ প্ৰয়োজন নাই-কিউআৰ ক'ডৰ সাধাৰণ স্কেন এটাই যথেষ্ট।

- পিএম স্বনিধি আঁচনিৰ জৰিয়তে আনুষ্ঠানিক ঋণৰ সৈতে সংযুক্ত হৈ পদপথৰ ব্যৱসায়ীসকল আনুষ্ঠানিক বেংকিং ব্যৱস্থাৰ অংশ হৈ পৰিছে। এসময়ত নগদ ধনৰ লেনদেনত সীমাবদ্ধ হৈ থকা ব্যৱসায়ীসকলে এতিয়া ইউপিআইৰ জৰিয়তে ডিজিটেল লেনদেনৰ ইতিহাস গঢ়ি তুলিছে। এই ইতিহাসে তেওঁলোকক সৰু, জামিনমুক্ত ঋণ লাভ কৰাত সহায় কৰিছে বুলি প্ৰমাণিত হৈছে।
- প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ইয়াক সঘনাই "সকলোৰে বাবে এক মঞ্চ, সকলোৰে বাবে প্ৰগতি"ৰ নীতি হিচাপে আলোকপাত কৰি আহিছে। তেওঁ লক্ষ্য কৰিছে যে আধাৰ, ডিজিলকাৰ, অ'এনডিচি, আৰু ইউপিআইৰ দৰে মুকলি ডিজিটেল প্লেটফৰ্মে ভাৰতক এক ৰাজহুৱা আন্তঃগাঁথনি প্ৰদান কৰিছে, য'ত মলত বজাৰ কৰা গ্ৰাহক আৰু পথৰ কাষৰ বিক্ৰেতা দুয়োজনেই একে সুবিধাৰ পৰা লাভাৰাম্বিত হয়।




> আজি পিএম স্বনিধিৰ সৈতে জড়িত এজন ষ্ট্ৰীট ভেণ্ডৰেও ইউপিআইৰ জৰিয়তে লেনদেন কৰে - এয়াই হৈছে এখন সৰ্বাংগীণ ভাৰতৰ প্ৰকৃত ছবি।
>
> *নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী*

বাবে ঋণ লাভ আৰু সঞ্চয়ৰ নতুন পথ মুকলি হৈছে। আজি ইউপিআই এক সৰ্বাংগীণ বিত্তীয় মঞ্চ পৰিগণিত হৈছে। আজি, ইউপিআই এক ব্যাপক বিত্তীয় মঞ্চলৈ বিকশিত হৈছে। সৰু পেমেণ্টৰ বাবে 'ইউপিআই লাইট', বিল আৰু ছাবস্ক্ৰিপচনৰ বাবে 'ইউপিআই অটোপে', আৰু পূৰ্ব-অনুমোদিত ক্ৰেডিট সীমাৰ বাবে 'ক্ৰেডিট অন ইউপিআই'ৰ দৰে বৈশিষ্ট্যসমূহ এতিয়া উপলব্ধ। এই শক্তিশালী আন্তঃগাঁথনিৰ সহায় লৈ

## তিনিটা স্তম্ভত থিয় হৈ থকা এটা ভেটি

আন্তঃৰাষ্ট্ৰীয় মুদ্ৰা নিধি (আইএমএফ)ৰ বিশেষজ্ঞসকলে যেতিয়া ইউপিআইৰ সফলতা বিশ্লেষণ কৰে, তেতিয়া তেওঁলোকে ইউপিআইৰ কথা পৃথকে পৃথকে কোৱা নাই। তেওঁলোকে ইয়াৰ কাৰণ ভাৰতৰ বহল ডিজিটেল ৰাজহুৱা আন্তঃগাঁথনি (ডিপিআই) মডেলৰ ফলাফল বুলি কয়, যাৰ ভেটি জন ধন, আধাৰ, আৰু ম'বাইল, তিনিটা স্তম্ভৰ ওপৰত নিৰ্ভৰশীল। চৰকাৰে ইয়াক চমুকৈ 'জেম ট্ৰিনিটি' বুলি উল্লেখ কৰে...



### জন ধন

কোটি কোটি নাগৰিকৰ বেংক একাউণ্ট খুলি প্ৰতিটো পৰিয়ালক আনুষ্ঠানিক বেংকিঙৰ সৈতে সংযোগ কৰিলে।

**৫৯+** কোটি জন ধন একাউণ্ট, ২০২৬ চনৰ ২৬ আগষ্টলৈকে।



### আধাৰ

প্ৰতিজন ভাৰতীয়ক এক অনন্য ডিজিটেল পৰিচয় প্ৰদান কৰে, যিয়ে একাউণ্ট খোলা আৰু পৰীক্ষণ সৰল কৰি তুলিলে।

**১৪৫** কোটি আধাৰ নম্বৰ জাৰি কৰা হৈছে, ২০২৬ চনৰ জুলাই মাহলৈকে।

### মোবাইল

বিশ্বৰ আটাইতকৈ সস্তা মোবাইল ডাটাই প্ৰতিজন লোকক ইণ্টাৰনেট আৰু পেমেণ্ট প্লেটফৰ্মৰ সৈতে সংযোগ কৰিছে।



**১২০+** কোটি মোবাইল ফোন ব্যৱহাৰকাৰী, ২০২৬ চনৰ জুলাই মাহলৈকে।

এই তিনিটা স্তম্ভৰ ওপৰতে ইউপিআইৰ জন্ম হৈছিল। আইএমএফে বিশ্বাস কৰে যে অন্যান্য নগদ ধন-নিৰ্ভৰশীল ৰাষ্ট্ৰসমূহেও এই ক্ৰমিক পথ গ্ৰহণ কৰি বিত্তীয় অন্তৰ্ভুক্তিক ত্বৰান্বিত কৰিব পাৰে: পৰিচয়, একাউণ্ট, সংযোগ, আৰু শেষত, পেমেণ্ট।



বেংক আৰু ফিনটেক কোম্পানীসমূহে দেশৰ প্ৰতিটো চুকতে মানুহৰ প্ৰয়োজন অনুসৰি বিত্তীয় সামগ্ৰী যোগান ধৰিছে।

## ইউপিআই আৰু সাধাৰণ নাগৰিকৰ আস্থা

বিহাৰৰ মুজাফ্ফৰপুৰৰ ৰাজকুমাৰীয়েই কেৱল নহয়; আন অগণন লোক আছে যাৰ জীৱন আৰু ব্যৱসায় ইউপিআইয়ে সহজ কৰি তুলিছে। দিল্লীৰ গলিত ভিৰ কৰা চাটৰ দোকানেই হওক বা গাঁৱৰ গেলামালৰ দোকানেই হওক, সকলোতে দৃশ্যটো এতিয়া একেই: এজন গ্ৰাহকে তেওঁলোকৰ মোবাইল ফোন উলিয়ায়, দোকানৰ ছাউণ্ড বক্সে লেনদেনৰ কথা ঘোষণা কৰে, আৰু মুহূৰ্তৰ ভিতৰতে পেমেণ্ট সম্পূৰ্ণ হয়। মানিবেগ খুচৰি কোনো লৰালৰি কৰি থকাৰ দৰকাৰ নাই, খুচুৰা পইচাক লৈ কোনো তৰ্ক কৰাৰো দৰকাৰ নাই। এই নীৰৱচ্ছিন্ন অভিজ্ঞতাটো আকস্মিকভাৱে হোৱা নাই; ই এক সুপৰিকল্পিত

# ইউপিআইক যি অনন্য কৰি তুলিছে...

- মোবাইল ফোনযোগে তৎক্ষণাত ধন স্থানান্তৰ, ২৪x৭, বছৰৰ ৩৬৫ দিনেই।
- এটা এপ্লিকেচনৰ জৰিয়তে একাধিক বেংক একাউণ্টৰ প্ৰৱেশ।
- দুটা-কাৰক প্ৰমাণীকৰণ-সুৰক্ষা আৰু সুবিধা দুয়োটা নিশ্চিত কৰি।
- ভাৰ্চুৱেল ঠিকনাৰ সুবিধা-একাউণ্ট নম্বৰ বা কাৰ্ডৰ বিৱৰণ শ্বেয়াৰ কৰাৰ প্ৰয়োজন নাই।
- কিউআৰ ক'ড আৰু উদ্দেশ্য-ভিত্তিক পেমেণ্টৰ বাবে সমৰ্থন।
- 'কেছ অন ডেলিভাৰী'ৰ সমস্যা আৰু খুচুৰা পইচাৰ প্ৰয়োজনীয়তাৰ পৰা মুক্তি।
- একক প্লেটফৰ্মত ব্যক্তিৰ পৰা ব্যক্তিলৈ (P2P) আৰু ব্যক্তিৰ পৰা ব্যৱসায়ীলৈ (P2M) দুয়োটা পেমেণ্ট।
- মোবাইল এপৰ জৰিয়তে পোনপটীয়াকৈ অভিযোগ দাখিল আৰু সমাধানৰ সুবিধা। ভাৰতীয় উদ্ভাৱনৰ বিশ্বব্যাপী গ্ৰহণযোগ্যতা।

## ভাৰতীয় উদ্ভাৱনৰ বিশ্বজোৰা গ্ৰহণযোগ্যতা

- ২০২৫ চনৰ জুন মাহত আইএমএফে খুচুৰা ডিজিটেল পেমেণ্টৰ বৃদ্ধিত আন্তঃকাৰ্য্যক্ষমতাৰ ভূমিকা সম্পৰ্কে এটা ফিনটেক টোকা প্ৰকাশ কৰে। ইয়াত উল্লেখ কৰা হৈছে যে ২০১৬ চনত আৰম্ভ হোৱা ভাৰতৰ তৎক্ষণাত পেমেণ্ট ব্যৱস্থাই সমগ্ৰ ডিজিটেল পেমেণ্টৰ পৰিৱেশৰ বাবে এক নজিৰ গঢ়ি তুলিছে। কেইমাহমানৰ পাছত ২০২৫ চনৰ ছেপ্টেম্বৰ মাহত আইএমএফৰ নিজা আলোচনী ফাইনেন্স এণ্ড ডেভেলপমেণ্টে ভাৰতৰ নীৰৱচ্ছিন্ন পেমেণ্ট মেকানিজমৰ ওপৰত এক বিশদ প্ৰবন্ধ প্ৰকাশ কৰে। ইয়াত আলোকপাত কৰা হৈছিল যে ইউপিআই বিশ্বৰ সৰ্ববৃহৎ তৎক্ষণাত পেমেণ্ট ব্যৱস্থাত পৰিণত হৈছে, যাৰ ফলত প্ৰতিমাহে গঢ়ে ১৯ বিলিয়নতকৈ অধিক লেনদেনৰ সুবিধা হৈছে।
- এই কৃতিত্ব কোনো কাকতলীয় কথা নহয়। দশক দশক ধৰি পশ্চিমীয়া প্ৰতিষ্ঠান আৰু কাৰ্ড নেটৱৰ্কে বিশ্বৰ বিত্তীয় আন্তঃগাঁথনিত আধিপত্য বিস্তাৰ কৰিছিল। প্ৰথমবাৰৰ বাবে উন্নয়নশীল ৰাষ্ট্ৰৰ ৰাজহুৱা ডিজিটেল প্লেটফৰ্ম বিশ্বৰ বাবে ৰপ্তানিযোগ্য আৰ্হি হিচাপে আত্মপ্ৰকাশ কৰিছে। এই পৰিৱৰ্তন হয়তো ডাঙৰ হুলস্থুলৰ মাজত হোৱা নাছিল যদিও ইয়াৰ প্ৰভাৱ গভীৰ। ই কেৱল ধনৰ গতিবিধিৰ নহয়, উদ্ভাৱন, অন্তৰ্ভুক্তি, বিশ্বাসৰ ক্ষেত্ৰত ভাৰতৰ ক্ৰমবৰ্ধমান উচ্চতাৰ কাহিনী।




> **এটা দশকৰ পূৰ্বে আৰম্ভ কৰা ইউপিআইয়ে দেশত পেমেণ্ট পদ্ধতিত এক বৈপ্লৱিক পৰিৱৰ্তন আনিছে, ডিজিটেল লেনদেন সহজ, দ্ৰুত, সুৰক্ষিত আৰু সুবিধাজনক কৰি তুলিছে।**
>
> *নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী*

কৌশল, প্ৰযুক্তিগত বিপ্লৱ আৰু লাখ লাখ ভাৰতীয়ৰ আস্থাৰ ফল - এই সকলোবোৰ ইউনিফাইড পেমেণ্টছ ইণ্টাৰফেচ বা ইউপিআইত সন্নিৱিষ্ট।

এই আস্থাই ভাৰতত প্ৰতি ছেকেণ্ডত এক কোটি ইউপিআই পেমেণ্টকে পৰিচালিত কৰাই নহয়, দেশৰ ভিতৰত সংঘটিত হোৱা প্ৰতি দুটা গ্লোবেল ইউপিআই পেমেণ্টৰ ভিতৰত এটা পেমেণ্টৰ হিচাপো দিয়ে। এই বৃদ্ধিৰ সুবিধাৰ বাবে বৰ্তমান সমগ্ৰ ভাৰতত ৮১০ নিযুততকৈ

# ভাৰতৰ ইউপিআই মডেলে বিশ্বক পথ দেখুৱাইছে

এসময়ত মুম্বাইৰ এটা বেংক শাখাতে আবদ্ধ হৈ থকা এটা পদক্ষেপে এতিয়া বিশ্বৰ বহু দেশত নিজৰ স্থান দখল কৰিছে। ছিংগাপুৰত ইউপিআইক স্থানীয় পেমেণ্ট ব্যৱস্থা ‘পেনাউ’ৰ সৈতে সংযুক্ত কৰা হৈছে, যাৰ ফলত দুয়োখন দেশৰ মাজত সীমা অতিক্ৰম কৰি প্ৰায় তৎক্ষণাত ধন স্থানান্তৰ সম্ভৱ হৈছে। ইউএই আৰু মৰিচাছৰ ভাৰতীয় পৰ্যটকে এতিয়া স্থানীয় দোকানত ইউপিআইৰ জৰিয়তে ধন পৰিশোধ কৰিব পাৰিব। ফ্ৰান্সত ভাৰতীয় দৰ্শকে আনকি পেৰিছৰ প্ৰসিদ্ধ আইফেল টাৱাৰত কেৱল কিউআৰ ক’ড স্কেন কৰিলেই টকাৰে বিল আদায় দিব পাৰে।

ইতিমধ্যে নেপাল, ভূটান, আৰু শ্ৰীলংকাত ইউপিআই গ্ৰহণ কৰা হৈছে, আনহাতে স্থানীয় সত্তাৰ সৈতে অংশীদাৰিত্বৰ জৰিয়তে কাটাৰ, গ্ৰীচ আৰু কম্বোডিয়াত ইয়াৰ সম্প্ৰসাৰণ চলি আছে। সমগ্ৰ এছিয়া, আফ্ৰিকা, ইউৰোপৰ বিভিন্ন কেন্দ্ৰীয় বেংক আৰু ফিনটেক কোম্পানীসমূহৰ সৈতেও আলোচনা চলি আছে। মুঠতে ইউপিআই ভিত্তিক পেমেণ্ট সেৱা বৰ্তমান এক ডজনৰো অধিক দেশত কিবা নহয় কিবা ৰূপত উপলব্ধ।

## আন্তঃৰাষ্ট্ৰীয় উপস্থিতিয়ে ভাৰতৰ উদ্ভাৱনক আগুৱাই নিছে




- ছিংগাপুৰ: ‘পে-নাও’ৰ সৈতে সংযুক্ত; সীমান্ত পাৰ কৰি ধন স্থানান্তৰ এতিয়া তাৎক্ষণিকভাবে হৈছে
- ইউএই: প্ৰধান বাণিজ্যিক কেন্দ্ৰসমূহত গ্ৰহণ কৰা হৈছে; ভাৰতীয় প্ৰব্ৰজনকাৰীসকলৰ মাজত ই জনপ্ৰিয়।
- ফ্ৰান্স: আইফেল টাৱাৰকে ধৰি একাধিক স্থানত ভাৰতীয় পৰ্যটকৰ বাবে পেমেণ্টৰ সুবিধা উপলব্ধ।
- ভূটান আৰু নেপাল: সমগ্ৰ দেশতে গ্ৰহণযোগ্য; এনপিচিআইৰ সহায়ত তাৎক্ষণিক সীমান্তপাৰ কৰি হোৱা ধন স্থানান্তৰৰ ব্যৱস্থা।
- শ্ৰীলংকা আৰু মৰিচাছ: স্থানীয় পেমেণ্ট আন্তঃগাঁথনিৰ সৈতে সংযুক্ত।
- কাটাৰ, গ্ৰীচ আৰু কম্বোডিয়া: স্থানীয় বেংকৰ সৈতে অংশীদাৰিত্বৰ জৰিয়তে সম্প্ৰসাৰণৰ কাম চলি আছে।
- উজবেকিস্তান: ২০২৬ চনৰ ২০ আগষ্টত ইউপিআইৰ বাবে চুক্তি

অধিক ইউপিআই পেমেণ্ট পইণ্ট ব্যৱহাৰ কৰা হৈছে। ঠিক এই কাৰণেই আন্তঃৰাষ্ট্ৰীয় মুদ্ৰা নিধি (আইএমএফ)ৰ দৰে বিশ্ব প্ৰতিষ্ঠানৰ অৰ্থনীতিবিদসকলে ইউপিআইৰ সফলতাৰ বিষয়ত গভীৰভাৱে অধ্যয়ন কৰি আছে। দশক দশক ধৰি নগদ ধনৰ ওপৰত নিৰ্ভৰশীল এখন ৰাষ্ট্ৰই এতিয়া ডিজিটেল পেমেণ্ট বিপ্লৱত বিশ্বৰ বাকী অংশক আগুৱাই লৈ গৈছে।

### জানক: ইউপিআই কি ?

ইউনিফাইড পেমেণ্টছ ইণ্টাৰফেচ (UPI) হৈছে এটা ব্যৱস্থা যিয়ে এটা মোবাইল এপ্লিকেচনৰ জৰিয়তে একাধিক বেংক একাউণ্ট সংযোগ কৰে। ই ব্যক্তিসকলক একাউণ্ট নম্বৰ বা আইএফএছচি ক’ড মুখস্থ কৰাৰ প্ৰয়োজন নোহোৱাকৈ, মাত্ৰ এটা ভাৰ্চুৱেল ঠিকনা বা এটা কিউআৰ ক’ড ব্যৱহাৰ কৰি, বছৰৰ ২৪/৭, ৩৬৫ দিন তৎক্ষণাত ধন প্ৰেৰণ বা গ্ৰহণ কৰিবলৈ সক্ষম কৰে। ভাৰতীয় ৰিজাৰ্ভ বেংকৰ নিৰ্দেশনাত ভাৰতীয় ৰাষ্ট্ৰীয় পেমেণ্ট কৰ্পৰেশ্যন (এনপিচিআই)ৰ দ্বাৰা পৰিচালিত হয়।

# সংসদে গৃহীত কৰা নতুন আইন

২০২৬ চনৰ আগষ্ট মাহত সংসদৰ দুয়োখন সদনে 'কৰ আৰু অন্যান্য আইন (সংশোধনী) বিধেয়ক, ২০২৬'ত অনুমোদন জনায়, যিয়ে পৰৱৰ্তী সময়ত ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৰ সন্মতি লাভ কৰে। এই বিধেয়কৰ এটা মূল উপাদান হৈছে পেমেণ্ট এণ্ড ছেটেলমেণ্ট ছিষ্টেমছ এক্ট, ২০০৭ৰ সংশোধনী। এই উন্নয়নে ইউপিআইৰ সন্দৰ্ভত দেশজোৰা আলোচনাৰ সূচনা কৰিছিল।

### আইনখনৰ মূল আলোকপাতসমূহ, সহজ ভাষাত ব্যাখ্যা কৰা হৈছে:

- এই সংশোধনে পেমেণ্ট আৰু নিষ্পত্তি ব্যৱস্থা আইন, ২০০৭ৰ সংশোধন কৰিছে; পূৰ্বতে বেংক আৰু পেমেণ্ট সেৱা প্ৰদানকাৰীসকলক ইউপিআইৰ দৰে অধিসূচিত ইলেক্ট্ৰনিক পেমেণ্ট মোডৰ ওপৰত মাৰ্চেণ্ট ডিছকাউণ্ট ৰেট (এমডিআৰ) আৰোপ কৰাত বাধা দিয়া হৈছিল।
- সংশোধনীৰ পিছত চৰকাৰে ভৱিষ্যতে অধিসূচনা জাৰি কৰাৰ কৰ্তৃত্ব লাভ কৰে যিয়ে বেংক আৰু পেমেণ্ট সেৱা প্ৰদানকাৰীসকলক নিৰ্দিষ্ট শ্ৰেণীৰ ব্যৱসায়ী লেনদেনৰ বাবে সেৱা চাৰ্জ নিৰ্ধাৰণ কৰিবলৈ ক্ষমতা প্ৰদান কৰে।
- বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে সংসদত স্পষ্ট কৰি দিয়ে যে ইউপিআই গড় গ্ৰাহকৰ বাবে সম্পূৰ্ণ বিনামূলীয়া হৈ থাকিব-যেনেকৈ ইয়াৰ আৰম্ভণিৰ পৰাই হৈ আহিছে-আৰু ইউপিআইৰ জৰিয়তে ধন পৰিশোধ কৰাৰ বাবে সাধাৰণ নাগৰিকৰ পৰা কোনো ধৰণৰ চাৰ্জ লোৱা নহ'ব।
- কোৱা হৈছে যে সম্ভাব্য চাৰ্জ কেৱল কিছুমান বৃহৎ আৰু নিৰ্বাচিত ব্যৱসায়ী শ্ৰেণীৰ সৈতে জড়িত লেনদেনৰ ক্ষেত্ৰতহে প্ৰযোজ্য হ'ব, ভৱিষ্যতে নিৰ্দিষ্ট বিৱৰণসমূহ পৃথকে অৱগত কৰা হ'ব।




- বিধেয়কখনে কৰ সম্পৰ্কীয় অন্যান্য বিভিন্ন বিষয়ো সামৰি লৈছে, যেনে বিদেশী বিনিয়োগৰ সুবিধা প্ৰদান, ঘৰুৱা ইলেক্ট্ৰনিকছ উৎপাদনক প্ৰৰোচিত কৰা, আৰু হীৰা ব্যৱসায়ত সকাহ প্ৰদান কৰা।
- চৰকাৰে কয় যে এই পদক্ষেপৰ উদ্দেশ্য হৈছে ইউপিআইৰ সফলতা বজাই ৰখাৰ লগতে পেমেণ্ট ইক'ছিষ্টেমৰ বহনক্ষমতা শক্তিশালী আৰু নিশ্চিত কৰা, যাৰ ফলত বেংক আৰু সেৱা প্ৰদানকাৰীসকলৰ এই বিশাল আন্তঃগাঁথনি বজাই ৰাখিবলৈ প্ৰয়োজনীয় সম্পদ থকাটো নিশ্চিত কৰা।

## ইউপিআইৰ যাত্ৰা মুম্বাইত আৰম্ভ হৈছিল

২০১৬ চনৰ ১১ এপ্ৰিল, ভাৰতৰ ডিজিটেল ইতিহাসত সোণালী আখৰেৰে খোদিত হোৱা এটা তাৰিখ। এই দিনটোতে মুম্বাইত ৰিজাৰ্ভ বেংকৰ তদানীন্তন গৱৰ্ণৰে ইউপিআইৰ পাইলট সংস্কৰণ মুকলি কৰে। প্ৰথম অৱস্থাত ই আছিল কেৱল মুষ্টিমেয় বেংক আৰু নিৰ্বাচিত গ্ৰাহকৰ মাজত সীমাবদ্ধ এক পৰীক্ষা। ২৫ আগষ্টত সাধাৰণ জনতাৰ বাবে মুকলি কৰা হয়। পৰৱৰ্তী এটা দশকৰ ভিতৰতে এই প্লেটফৰ্মে দেশৰ প্ৰতিটো প্ৰান্তত আৰু সকলোৰে হাতত থকা মোবাইল ফোনত স্থান পাব বুলি কমেইহে কল্পনা কৰিব পাৰিছিল।

ভাৰতীয় ৰাষ্ট্ৰীয় পেমেণ্ট কৰ্পৰেশ্যনে (এনপিচিআই) ৰিজাৰ্ভ বেংকৰ নিৰ্দেশনাত এই ব্যৱস্থা গঢ়ি তুলিছিল। ইয়াৰ আটাইতকৈ উল্লেখযোগ্য কৃতিত্ব আছিল একক মোবাইল এপ্লিকেচনৰ জৰিয়তে বিভিন্ন বেংকৰ একাউণ্ট সংযোগ কৰা। কাৰ্ড নম্বৰ মুখস্থ কৰিব নালাগে বা একাউণ্ট

# কটকটীয়া সুৰক্ষা ব্যৱস্থা

ইউপিআইৰ প্ৰসাৰতা বৃদ্ধি পোৱাৰ লগে লগে ইয়াৰ সুৰক্ষাৰ বিষয়তো সমানে গুৰুত্ব দিয়া হৈছে। চৰকাৰ, ৰিজাৰ্ভ বেংক, আৰু এনপিচিআইয়ে সহযোগিতাৰে প্ৰৱঞ্চনা ৰোধ কৰিবলৈ বিপদভিত্তিক লেনদেনৰ সীমা নিৰ্ধাৰণ কৰিছে। মোবাইল নম্বৰৰ অকৰ্তৃত্বশীল পৰিৱৰ্তন আৰু এছএমএছ ভিত্তিক পৰীক্ষণৰ অপব্যৱহাৰ ৰোধৰ বাবে বিশেষ সুৰক্ষা ব্যৱস্থা গ্ৰহণ কৰা হৈছে। শেহতীয়াকৈ এনপিচিআইয়ে লাখ লাখ ব্যৱহাৰকাৰীৰ আস্থা বজাই ৰাখিবলৈ ইউপিআইৰ বিস্তৃত তথ্য সুৰক্ষা আৰু মোবাইল এপ্লিকেচন সুৰক্ষা কাঠামোও মুকলি কৰিছে।

## নিৰাপদ আৰু স্বচ্ছ পেমেণ্ট...

- ২০২৫ চনৰ ছেপ্টেম্বৰ মাহত জাৰি কৰা এটা নিৰ্দেশনাৰ অধীনত ৰিজাৰ্ভ বেংকে ২০২৬ চনৰ ১ এপ্ৰিলৰ পৰা কাৰ্যকৰী হোৱাকৈ সকলো ডিজিটেল পেমেণ্টৰ বাবে টু-ফেক্টৰ প্ৰমাণীকৰণ (২এফএ) বাধ্যতামূলক কৰিছে- ইউপিআই, ডেবিট/ক্ৰেডিট কাৰ্ড, আৰু মোবাইল ৱালেটকে ধৰি।
- প্ৰতিটো লেনদেন এতিয়া অন্ততঃ দুটা সুকীয়া আৰু স্বতন্ত্ৰ পদ্ধতি ব্যৱহাৰ কৰি পৰীক্ষা কৰিব লাগিব; উদাহৰণস্বৰূপ, নিম্নলিখিতৰ যিকোনো দুটা: পিন, পাছৱৰ্ড, অ'টিপি, বা বায়মেট্ৰিক প্ৰমাণীকৰণ।
- এই পদক্ষেপটো ফিছিং আৰু চিমশ্বেপিঙৰ দৰে প্ৰৱঞ্চনাৰ বৰ্ধিত কাণ্ডৰ প্ৰতি সঁহাৰি জনাই গ্ৰহণ কৰা হৈছে, য'ত কেৱল অ'টিপি-ভিত্তিক সত্যাপন অসুৰক্ষিত বুলি প্ৰমাণিত হয়।

**ৰিজাৰ্ভ বেংকৰ উদ্দেশ্য স্পষ্ট:**
নিৰাপত্তাৰ অতিৰিক্ত স্তৰ যোগ কৰি অকৰ্তৃত্বশীল লেনদেন হ্ৰাস কৰা আৰু ডিজিটেল পেমেণ্ট ব্যৱস্থাৰ ওপৰত জনসাধাৰণৰ আস্থা আৰু অধিক শক্তিশালী কৰা।




নম্বৰ আৰু আইএফএছচি ক'ড টাইপ কৰাৰ দৰে সমস্যাৰ সন্মুখীন হ'ব নালাগে। মাত্ৰ ভাৰ্চুৱেল ঠিকনা বা কিউআৰ ক'ডৰ সহায়ত চকুৰ পলকতে এটা একাউণ্টৰ পৰা আন এটা একাউণ্টলৈ ধন ট্ৰেন্সফাৰ হয়। তদুপৰি এতিয়া ইণ্টাৰনেট সংযোগ নোহোৱাকৈও দেশত ইউপিআই ব্যৱহাৰ কৰা হৈছে; 'UPI 123PAY' ৰ সৈতে, ইউপিআই পেমেণ্ট কৰিবলৈ স্মাৰ্টফোনৰ প্ৰয়োজন নাই।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰায়ে গৌৰৱ প্ৰকাশ কৰে যে বিশ্বৰ মুঠ ৰিয়েল টাইম ডিজিটেলৰ প্ৰায় আধা অকল ভাৰততে আছে ইউপিআইৰ জৰিয়তে কৰা পেমেণ্ট। তেওঁৰ ভাষাত এইটো কেৱল প্ৰযুক্তিগত কৃতিত্ব নহয় বৰং ৰাষ্ট্ৰৰ সামৰ্থ্য আৰু আত্মনিৰ্ভৰশীলতাৰ এটা চিন।

ইউনিফাইড পেমেণ্টছ ইণ্টাৰফেচে (ইউপিআই) যোৱা এটা দশকত ভাৰতৰ বিত্তীয় পৰিৱেশ সম্পূৰ্ণৰূপে সলনি কৰি ডিজিটেল অৰ্থনীতিক নতুন দিশত আগবঢ়াই নিছে। যোৱা এটা দশকত

# ইউপিআই: কেৱল পেমেণ্টই নহয়- উদ্ভাৱনৰ নতুন মুখ

ইউপিআইৰ যাত্ৰা ইয়াতে থমকি নৰয়। চৰকাৰৰ উদ্দেশ্য স্পষ্ট: নতুন ব্যৱহাৰকাৰী আৰু ব্যৱসায়িক ইউপিআই ব্যৱস্থাৰ সৈতে সংযুক্ত কৰি অহা দশকটোত উদ্ভাৱনৰ নতুন উচ্চতা স্পৰ্শ কৰা। কেৱল যোৱা এবছৰতে ইউপিআইয়ে বহুতো মাইলৰ খুঁটি স্থাপন কৰিছে। ২০২৫ চনৰ আগষ্টত প্ৰথমবাৰৰ বাবে মাহেকীয়া লেনদেনে ২,০০০ কোটিৰ সীমা অতিক্ৰম কৰিছিল আৰু ২০২৫ চনৰ ডিচেম্বৰত এই সংখ্যা আৰু অধিক বৃদ্ধি পালে। ২০২৫ চনজুৰি দৈনিক গড়ে ৬০ কোটি লেনদেন নথিভুক্ত কৰা হৈছিল।

> **স্থানীয় পথৰ কাষৰ বিক্ৰেতাৰ পৰা গাড়ীৰ শ্ব'ৰুমলৈকে, কেৱল এটা কিউআৰ ক'ড স্কেন কৰিয়েই সকলো পেমেণ্ট সহজে কৰিব পাৰি। বহু সময়ত আপোনাৰ জীয়ৰীয়ে হয়তো এটা কিউআৰ ক'ড শ্বেয়াৰ কৰি ক'ব পাৰে, "মা, দেউতা, মই এই পোছাকযোৰ পছন্দ কৰিছোঁ, আৰু আপুনি ঘৰত আৰামত থাকিয়েই মোৰ বজাৰৰ পেমেণ্টটো কৰি দিব পাৰে।" এই পৰিৱৰ্তনসমূহ সঁচাকৈয়ে আশ্চৰ্যজনক। মাত্ৰ এবাৰ ভাবি চাওক-২০১৪ চনৰ আগতে এনেধৰণৰ কথা সম্ভৱ আছিলনে?**
>
> *নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী*



দিল্লীৰ এজন পথৰ কাষৰ বিক্ৰেতাই নিজৰ ছাউণ্ডবʼত পেমেণ্ট নিশ্চিত হোৱাৰ শব্দ শুনি হয়তো উপলব্ধি নকৰিব যে এই সৰল সুবিধাই বিশ্বজনীন মানদণ্ডৰ ৰূপ লাভ কৰিছে-আনকি আন্তঃৰাষ্ট্ৰীয় মুদ্ৰা নিধি (আইএমএফ)ৰ দৰে প্ৰতিষ্ঠানেও ইয়াক স্বীকৃতি দিছে। তথাপি, দ্ৰুত, সুৰক্ষিত আৰু নগদবিহীন লেনদেনৰ ওপৰত দৈনন্দিন জীৱনত গঢ়ি উঠা এই নিৰ্ভৰযোগ্যতাই বিশ্বৰ দৃষ্টি আকৰ্ষণ কৰিছে। ইউপিআই এতিয়া কেৱল এটা পেমেণ্ট ব্যৱস্থা হৈ থকা নাই; ই ভাৰতীয় উদ্ভাৱনৰ মুখ, অন্তৰ্ভুক্তিমূলক বৃদ্ধিৰ প্ৰতীক আৰু নগদভিত্তিক অৰ্থনীতিৰ পৰা ডিজিটেল অৰ্থনীতিলৈ পৰিৱৰ্তনৰ আকাংক্ষা কৰা দেশসমূহৰ বাবে আশাৰ আলোকস্তম্ভ। যি ভাৰতে এসময়ত ঘণ্টাৰ পিছত ঘণ্টা শাৰীত থিয় হৈ অপেক্ষা কৰিছিল, সেই ভাৰতে এতিয়া মাত্ৰ এটা কিউআৰ ক'ড স্কেন কৰি লেনদেন সম্পূৰ্ণ কৰে। এয়া নতুন ভাৰতৰ পেমেণ্ট বিপ্লৱ-সৰল, সুৰক্ষিত আৰু সকলোৰে বাবে সুলভ।




ইউনিফাইড পেমেণ্টছ ইণ্টাৰফেচে (ইউপিআই) ভাৰতৰ বিত্তীয় পৰিৱেশ সম্পূৰ্ণৰূপে ৰূপান্তৰিত কৰি ডিজিটেল অৰ্থনীতিক এক নতুন দিশলৈ লৈ গৈছে। বিত্ত মন্ত্ৰালয়ৰ তথ্য অনুসৰি, ইউপিআই লেনদেনৰ পৰিমাণত ঐতিহাসিক উত্থান ঘটিছে আৰু ই প্ৰায় ১৩,০০০ গুণ বৃদ্ধি পাইছে। ২০১৬-১৭ বিত্তীয় বৰ্ষত ইউপিআইৰ জৰিয়তে মাত্ৰ ১.৭৮ কোটি লেনদেন নথিভুক্ত হোৱাৰ বিপৰীতে ২০২৫-২৬ বিত্তীয় বৰ্ষত

# ইউ পি আইৰ যাত্ৰা

UPI UNIFIED PAYMENTS INTERFACE

- ২০১৬: ২০১৬ চনৰ এপ্ৰিলত ২১টা সদস্য বেংকৰ সৈতে পৰীক্ষামূলক ভিত্তিত ইউপিআই মুকলি কৰা হৈছিল।




- আগষ্ট ২০১৬: সাধাৰণ জনতাৰ বাবে ইউপিআই মুকলি কৰা হয়। বেংকসমূহে গুগল প্লে ষ্ট'ৰত ইউপিআই-সক্ষম মোবাইল এপ্লিকেচন উপলব্ধ কৰায়।




- ভীম এপ্লিকেচন: ইউপিআই ব্যৱহাৰ কৰি ডিজিটেল পেমেণ্টৰ সুবিধা প্ৰদানৰ বাবে ২০১৬ চনৰ ডিচেম্বৰত মুকলি কৰা হয়।



- ডায়নামিক কিউআৰ: ২০১৭ চনত প্ৰৱৰ্তন কৰা এক খুচুৰা ব্যৱসায়ী প্লেটফৰ্ম, যিয়ে ডায়নামিক কিউআৰ ক'ডৰ জৰিয়তে ইউপিআই পেমেণ্টৰ সুবিধা প্ৰদান কৰে। ইয়াত পেমেণ্টকৰ্তাৰ তথ্য আৰু সঠিক ধনৰাশি অন্তৰ্ভুক্ত থাকে, যাৰ ফলত ধনৰাশি হাতেৰে দিয়াৰ প্ৰয়োজন নোহোৱা হয়।



- ইউপিআই ২.০ ২০১৮ চনত উন্নত সুবিধাসহ মুকলি কৰা হৈছিল, যাতে ডিজিটেল পেমেণ্ট অধিক সৰল, সুৰক্ষিত আৰু নীৰৱচ্ছিন্ন হয়।

- ২০১৯ চনত ছেবিয়ে অনুমোদিত মধ্যস্থতাকাৰীৰ জৰিয়তে আইপিঅ'ৰ বাবে আবেদন কৰাৰ সময়ত খুচুৰা ব্যক্তিগত বিনিয়োগকাৰীসকলক ইউপিআইক পেমেণ্টৰ বিকল্প হিচাপে ব্যৱহাৰ কৰাৰ অনুমতি দিয়ে।
- ২০১৯ চনৰ অক্টোবৰত ইউপিআইয়ে এটা মাহত এক বিলিয়ন লেনদেনৰ মাইলৰ খুঁটি অতিক্ৰম কৰে, যিয়ে সমগ্ৰ দেশতে ইয়াৰ দ্ৰুত গ্ৰহণযোগ্যতা প্ৰতিফলিত কৰে।
- ইউপিআই অট'পে: চাবস্ক্ৰিপচন, ইউটিলিটি বিল, বীমাৰ প্ৰিমিয়াম, এছআইপি আৰু ইএমআইৰ বাবে পুনৰাবৃত্তিমূলক ই-পেমেণ্টৰ সুবিধা প্ৰদানৰ উদ্দেশ্যে মুকলি কৰা হয়।







*টোকা: বাৰ্ষিক ইউপিআই লেনদেনৰ পৰিমাণ (কোটি টকাৰ হিচাপত)*

এই সংখ্যা ২৪,১৬২ কোটিতকৈও অধিকলৈ বৃদ্ধি পাইছে।

লেনদেনৰ পৰিমাণৰ সমান্তৰালভাৱে, মুঠ লেনদেনৰ মূল্যতো ব্যাপক বৃদ্ধি পৰিলক্ষিত হৈছে; এই সময়ছোৱাত ইউপিআই লেনদেনৰ মুঠ মূল্য ৭,০০০ কোটি টকাৰ পৰা অভাৱনীয়ভাৱে ৩১৪ লাখ কোটি টকালৈ বৃদ্ধি পাইছে।

এই অসাধাৰণ অগ্ৰগতিয়ে প্ৰমাণ কৰে যে ইউপিআই কেৱল এক প্ৰযুক্তিগত বিকল্প হৈ থকা নাই, বৰঞ্চ সাধাৰণ নাগৰিক, ক্ষুদ্ৰ ব্যৱসায়ী আৰু বৃহৎ ব্যৱসায় সকলোৰে দৈনন্দিন বিত্তীয় লেনদেনৰ মেৰুদণ্ডত পৰিণত হৈছে। ব্যৱহাৰকাৰী-সুলভ ইণ্টাৰফেচ, তাৎক্ষণিক পেমেণ্টৰ সুবিধা, প্ৰত্যক্ষ ব্যয় শূন্য হোৱা আৰু ব্যাপক ডিজিটেল সংযোগৰ দৰে সুবিধাসমূহে বিত্তীয় অন্তৰ্ভুক্তিক দ্ৰুতগতিত ত্বৰান্বিত কৰিছে আৰু

# প্ৰতিটো ইউপিআইৰ লেনদেনৰ সীমা ৫ লাখ টকালৈ বৃদ্ধি

- ইউপিআই ১২৩পে মুকলি কৰাৰ জৰিয়তে ফিচাৰ ফোন ব্যৱহাৰকাৰীসকলক ডিজিটেল পেমেণ্ট পৰিস্থিতিতন্ত্ৰৰ সৈতে সংযুক্ত কৰা হয়। ইয়াৰ জৰিয়তে ইণ্টাৰেক্টিভ ভইচ ৰেছপন্স (আইভিআৰ) নম্বৰ, এপ্লিকেচন-ভিত্তিক কাৰ্যক্ষমতা, মিছড-কল-ভিত্তিক পদ্ধতি আৰু নিকটতা-ভিত্তিক শব্দৰ জৰিয়তে পেমেণ্টৰ সুবিধা প্ৰদান কৰা হয়।
- ইউপিআইৰ সৈতে ক্ৰেডিট কাৰ্ড সংযুক্ত কৰাৰ ফলত ব্যৱহাৰকাৰীসকলৰ বাবে ডিজিটেল পেমেণ্টৰ বিকল্প অধিক সম্প্ৰসাৰিত হয়।
- ইউপিআইত ক্ৰেডিট লাইন ২০২৩ চনত প্ৰৱৰ্তন কৰা হয়।
- ইউপিআই চাৰ্কল ২০২৪ চনত প্ৰৱৰ্তন কৰা হয়, যাৰ জৰিয়তে প্ৰাথমিক ব্যৱহাৰকাৰীসকলে পূৰ্বনিৰ্ধাৰিত সীমাৰ ভিতৰত নিজৰ বেংক একাউণ্টৰ পৰা লেনদেন কৰিবলৈ গৌণ ব্যৱহাৰকাৰীসকলক অনুমোদন জনাব পাৰে।
- ২০২৪ চনত আৰবিআইয়ে কৰ পৰিশোধৰ বাবে ইউপিআই লেনদেনৰ সীমা প্ৰতি লেনদেনত ১ লাখ টকাৰ পৰা ৫ লাখ টকালৈ বৃদ্ধি কৰে।
- ইউপিআই১২৩পেৰ প্ৰতি লেনদেনৰ সীমা ১০,০০০ টকালৈ বৃদ্ধি কৰা হৈছে।
- ইউপিআই লাইট ৱালেটৰ সীমা ৫,০০০ টকালৈ বৃদ্ধি কৰাৰ লগতে প্ৰতি লেনদেনৰ সীমা ১,০০০ টকালৈ বৃদ্ধি কৰা হৈছে।
- ২০২৫ চনত ইউপিআইৰ বাবে ডিভাইচত প্ৰমাণীকৰণ ব্যৱস্থা প্ৰৱৰ্তন কৰা হয়, যাৰ জৰিয়তে স্মাৰ্টফোনৰ ফিংগাৰপ্ৰিণ্ট বা ফেচ আনলকৰ জৰিয়তে পেমেণ্ট কৰিব পৰা যায়।







*টোকা: বাৰ্ষিক ইউপিআই লেনদেনৰ মূল্য (লাখ কোটি টকাত)*

দেশৰ আটাইতকৈ দুৰ্গম অঞ্চলসমূহলৈও ইয়াৰ পৰিসৰ সম্প্ৰসাৰিত কৰিছে।

শাক-পাচলিৰ ঠেলাগাড়ীৰ পৰা আৰম্ভ কৰি বৃহৎ শ্বপিং মললৈকে সৰ্বব্যাপী হৈ পৰা কিউআৰ ক'ডৰ ব্যৱহাৰে নগদ ধনৰ ওপৰত নিৰ্ভৰশীলতা ব্যাপকভাৱে হ্ৰাস কৰিছে।

ইউপিআইৰ এই দ্ৰুত বৃদ্ধিয়ে কেৱল ভাৰতৰ ডিজিটেল ৰাজহুৱা আন্তঃগাঁথনিৰ (ডিপিআই)ক শক্তিশালী কৰাটো প্ৰমাণ কৰাই নহয়, ডিজিটেল পেমেণ্টৰ ক্ষেত্ৰতো দেশখনক বিশ্বৰ অগ্ৰণী দেশ হিচাপে প্ৰতিষ্ঠা কৰিছে।

**কেন্দ্ৰীয় কেবিনেটৰ সিদ্ধান্ত**

# চাৰিটা মাল্টি-ট্ৰেকিং

## প্ৰকল্প আৰু এটা ঘাইপথ প্ৰকল্পত অনুমোদন

ৰাষ্ট্ৰৰ উন্নয়নৰ বাবে নতুন ৰে'লপথ নিৰ্মাণৰ কাম চলি থকাৰ সমান্তৰালভাৱে সীমান্তৱৰ্তী অঞ্চলসমূহৰ সংযোগ ব্যৱস্থা সহজ কৰি তুলিবলৈও কেন্দ্ৰীয় চৰকাৰে নিৰন্তৰভাৱে কাম কৰি আছে। এই সন্দৰ্ভত, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত ১৯ আগষ্টত অনুষ্ঠিত কেন্দ্ৰীয় কেবিনেটৰ বৈঠকত পশ্চিমবংগ, ওড়িশা, তামিলনাডু আৰু অন্ধ্ৰপ্ৰদেশৰ আঠখন জিলাক সামৰি চাৰিটা মাল্টি-ট্ৰেকিং প্ৰকল্পৰ প্ৰস্তাৱৰ লগতে বিহাৰৰ ৰাষ্ট্ৰীয় ঘাইপথ (এনএইচ)-২২ৰ মুজফ্ফৰপুৰ-সীতামড়ী-সোণবৰছা অংশ চাৰি লেনযুক্ত মানদণ্ডলৈ উন্নীতকৰণৰ প্ৰস্তাৱত অনুমোদন জনোৱা হয়...



"বিহাৰৰ সৰ্বাংগীণ উন্নয়নৰ বাবে সংযোগ ব্যৱস্থাৰ দ্ৰুত সম্প্ৰসাৰণ আমাৰ প্ৰচেষ্টাৰ এক গুৰুত্বপূৰ্ণ অংশ। এই দিশত, আজি আমাৰ চৰকাৰে এনএইচ-২২ৰ মুজফ্ফৰপুৰ-সীতামড়ী-সোণবৰছা অংশত ৪-লেনযুক্ত পথ নিৰ্মাণৰ অনুমোদন জনাইছে। সমগ্ৰ ৰাজ্যখনৰ বাবে জীৱনৰেখা হিচাপে পৰিগণিত হ'বলগীয়া এই প্ৰকল্পই উন্নয়নৰ এক নতুন অধ্যায়ৰ সূচনা কৰিবলৈ সাজু হৈছে। ই কেৱল যাত্ৰাৰ সময় ৰাহি কৰাই নহয়, অৰ্থনৈতিক কাৰ্যকলাপ আৰু পৰ্যটনকো উৎসাহিত কৰিব।"
-নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী

**সিদ্ধান্ত ঃ** বিহাৰৰ এনএইচ-২২ৰ মুজফ্ফৰপুৰ-সীতামড়ী-সোণবৰছা অংশ চাৰি লেনযুক্ত মানদণ্ডলৈ উন্নীতকৰণৰ অনুমোদন।

**প্ৰভাৱ ঃ** এই প্ৰকল্পটো হাইব্ৰিড এনুইটি ম'ডৰ অধীনত মুঠ ৩,৫৯০.৭৩ কোটি টকা ব্যয়ৰে ৰূপায়ণ কৰা হ'ব।

- এই প্ৰকল্পই মুজফ্ফৰপুৰ, মাকছুদপুৰ, ৰুন্নী ছৈদপুৰ, থুম্মা, ডুমৰা, ভূতাহী আৰু সোণবৰছাৰ দৰে ঘন জনবসতিপূৰ্ণ অঞ্চলসমূহত যানজঁট হ্ৰাস কৰাত সহায় কৰিব।
- ই যাত্ৰীৰ আৰু মালবাহী সামগ্ৰীৰ দ্ৰুত আৰু সুৰক্ষিত চলাচলৰ সুবিধা প্ৰদান কৰাৰ লগতে যাত্ৰাৰ দক্ষতা উন্নত কৰিব আৰু আঞ্চলিক সংযোগ ব্যৱস্থা শক্তিশালী কৰিব।
- উন্নত সংযোগ ব্যৱস্থাই বৌদ্ধ চাৰ্কিট আৰু সীতামড়ীৰ ঐতিহাসিক জানকী পুনৌৰা ধাম মন্দিৰৰ বাবে গুৰুত্বপূৰ্ণ সাংস্কৃতিক আৰু ধৰ্মীয় স্থানসমূহলৈ অধিক উন্নত প্ৰৱেশাধিকাৰ প্ৰদান কৰিব।

**সিদ্ধান্ত ঃ** পশ্চিমবংগ, ওড়িশা, তামিলনাডু আৰু অন্ধ্ৰপ্ৰদেশৰ আঠখন জিলাক সামৰি চাৰিটা ৰে'লৰে মাল্টি-ট্ৰেকিং প্ৰকল্পত অনুমোদন।

**প্ৰভাৱ ঃ** ৰে'লপথৰ ক্ষমতা বৃদ্ধিয়ে যাতায়াত ব্যৱস্থা যথেষ্ট উন্নত কৰিব, যাৰ ফলত ভাৰতীয় ৰে'লৰেৰ পৰিচালনাগত দক্ষতা আৰু সেৱাৰ নিৰ্ভৰযোগ্যতা বৃদ্ধি পাব। এই মাল্টি-ট্ৰেকিং প্ৰকল্পসমূহে পৰিচালনা ব্যৱস্থা অধিক সুশৃংখল কৰাৰ লগতে যানজঁট হ্ৰাস কৰিব বুলি আশা কৰা হৈছে।

- এই মাল্টি-ট্ৰেকিং প্ৰকল্পসমূহে বৰ্তমানৰ ভাৰতীয় ৰে'লৰে নেটৱৰ্কত প্ৰায় ৪১০ কিলোমিটাৰ ৰে'লপথ সংযোজন কৰিব। ইয়াৰ ফলত প্ৰায় ৬,৪৪৮খন গাঁৱৰ প্ৰায় ৬০ লাখ জনসংখ্যাৰ সংযোগ ব্যৱস্থা উন্নত হ'ব।
- প্ৰকল্পসমূহৰ মুঠ আনুমানিক ব্যয় ৯,৪৫০ কোটি টকা আৰু ২০৩০-৩১ চনৰ ভিতৰত এইসমূহ সম্পূৰ্ণ কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে।

এই প্ৰকল্পসমূহৰ ভিতৰত আছে:

- খড়গপুৰ - ভদ্ৰক (ৰাণীতল) চতুৰ্থ লাইন - ১৭৩ কিলোমিটাৰ (পশ্চিমবংগ আৰু ওড়িশা)
- ভদ্ৰক - হৰিদাসপুৰ চতুৰ্থ লাইন - ৭৫ কিলোমিটাৰ (ওড়িশা)
- গুম্মিডিপুণ্ডি - গুডুৰ তৃতীয় আৰু চতুৰ্থ লাইন - ৯০ কিলোমিটাৰ (অন্ধ্ৰপ্ৰদেশ আৰু তামিলনাডু)
- কটক - পাৰাদীপ (বাদাবান্ধা) তৃতীয় আৰু চতুৰ্থ লাইন - ৭২ কিলোমিটাৰ (ওড়িশা)

*কেবিনেটৰ সিদ্ধান্ত সন্দৰ্ভত সংবাদমেল চাবলৈ কিউআৰ ক'ড স্কেন কৰক।*



Pradhan Mantri Jan Arogya Yojana
Ayushman Bharat
PM-JAY

স্বাস্থ্য সুৰক্ষাৰ ক্ষেত্ৰত এক ঐতিহাসিক বিপ্লৱ

# ‘আয়ুষ্মান ভাৰত’ৰ জৰিয়তে সবল নতুন ভাৰত

‘আয়ুষ্মান ভাৰত যোজনা’ সমগ্ৰ দেশৰ লাখ লাখ পৰিয়ালৰ বাবে জীৱন ৰক্ষাকাৰী হিচাপে প্ৰমাণিত হৈছে। ২০১৮ চনৰ ২৩ ছেপ্টেম্বৰত মুকলি কৰা এই আঁচনিয়ে ৬০ কোটিৰো অধিক নাগৰিকক বছৰি ৫ লাখ টকালৈকে নগদবিহীন চিকিৎসাৰ সুবিধা প্ৰদান কৰিছে। এতিয়ালৈকে ৪৭ কোটিৰো অধিক আয়ুষ্মান কাৰ্ড জাৰি কৰা হৈছে আৰু ১১ কোটিৰো অধিক ৰোগীক বিনামূলীয়া চিকিৎসা প্ৰদান কৰি বহু পৰিয়ালক বিত্তীয় সংকটৰ পৰা উদ্ধাৰ কৰা হৈছে। এই আঁচনিয়ে ‘সুস্থ আৰু সমৃদ্ধিশালী ভাৰত’ৰ সপোন বাস্তৱায়িত কৰি তুলিছে...



**এয়া আছিল এনে এক পদক্ষেপ, যিয়ে ভৱিষ্যতৰ প্ৰয়োজনীয়তা মূল্যায়ন কৰি জনসাধাৰণৰ বাবে উচ্চমানৰ আৰু সুলভ স্বাস্থ্যসেৱা নিশ্চিত কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। ইয়াৰ ফলস্বৰূপে, ভাৰতে ৰাজহুৱা স্বাস্থ্যসেৱাৰ ক্ষেত্ৰত এক বিপ্লৱৰ সাক্ষী হৈ আছে। এই আঁচনিয়ে হিতাধিকাৰীসকলৰ বিত্তীয় সুৰক্ষা আৰু মৰ্যাদা নিশ্চিত কৰিছে।**

*নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী*

এটা সময় আছিল, যেতিয়া অসুস্থতাই কেৱল শৰীৰটোৰেই দুৰ্বল কৰি পেলোৱা নাছিল, বৰং সমগ্ৰ পৰিয়ালটোৰ বিত্তীয় ভেটিও দুৰ্বল কৰি পেলাইছিল। চিকিৎসা লাভ কৰিবলৈ চিকিৎসালয়ৰ দুৱাৰদলিত থিয় হোৱা দৰিদ্ৰ লোকসকলে নিজৰ মাটি-বাৰী আৰু অলংকাৰ বন্ধকত থ’বলগীয়া হৈছিল। কিন্তু শেহতীয়াকৈ ভাৰতে স্বাস্থ্যসেৱাৰ ক্ষেত্ৰত এক নতুন যুগৰ সূচনা কৰিছে। আয়ুষ্মান ভাৰত আঁচনি কেৱল এক চৰকাৰী কাৰ্যসূচী হৈ থকা নাই, বৰং সমগ্ৰ দেশৰ লাখ লাখ দৰিদ্ৰ আৰু বঞ্চিত পৰিয়ালৰ বাবে গুণগত স্বাস্থ্যসেৱাৰ এক নিশ্চয়তালৈ পৰিণত হৈছে। গুৰুতৰ ৰোগৰ চিকিৎসাৰ পৰা আৰম্ভ












**পঞ্জীয়নভুক্ত চিকিৎসালয়...**




**মুঠ: ৩৮,৬৬৫**

| | |
|---|---|
| ২০,৩৮২ চৰকাৰী | ১৮,২৮৩ ব্যক্তিগত |

## এবি-পিএমজেএৱাইৰ বিষয়ে মূল তথ্য...

- আয়ুষ্মান ভাৰত-প্ৰধানমন্ত্ৰী জন আৰোগ্য যোজনা (এবি-পিএমজেএৱাই) ২০১৮ চনৰ ২৩ ছেপ্টেম্বৰত ঝাৰখণ্ডৰ পৰা মুকলি কৰা হৈছিল।
- স্বাস্থ্য বীমাত চৰকাৰী ব্যয় বৃদ্ধি কৰাৰ জৰিয়তে এই আঁচনিয়ে পৰিয়ালসমূহৰ স্বাস্থ্যসেৱাৰ ব্যয় হ্ৰাস কৰাত সহায় কৰিছে। ২০২৪-২৫ বিত্তীয় বৰ্ষত পৰিয়ালসমূহে ১.২৫ লাখ কোটি টকাৰো অধিক সঞ্চয় কৰিছে।
- ২০২৬-২৭ বিত্তীয় বৰ্ষৰ বাবে এবি-পিএমজেএৱাইৰ বাজেট প্ৰাক্কলন ৯,৫০০ কোটি টকালৈ বৃদ্ধি কৰা হৈছে, যিটো ২০২৫-২৬ বিত্তীয় বৰ্ষৰ তুলনাত ৫০০ কোটি টকা অধিক।
- এই আঁচনিয়ে প্ৰতিটো পৰিয়ালৰ বাবে প্ৰতি বছৰে ৫ লাখ টকালৈকে দ্বিতীয় পৰ্যায়ৰ আৰু তৃতীয় পৰ্যায়ৰ চিকিৎসালয়ত ভৰ্তি হৈ চিকিৎসা গ্ৰহণৰ সময়ত স্বাস্থ্য বীমাৰ আৱৰণ প্ৰদান কৰে।
- ২০২৪ চনৰ মাৰ্চ মাহত আঁচনিখন সম্প্ৰসাৰিত কৰি স্বীকৃতিপ্ৰাপ্ত সামাজিক স্বাস্থ্য কৰ্মী (আশা), অংগনৱাড়ী কৰ্মী আৰু অংগনৱড়ী সহায়িকাসকলৰ প্ৰায় ৩৭ লাখ পৰিয়ালক ইয়াৰ অন্তৰ্ভুক্ত কৰা হয়।
- ২০২৪ চনৰ অক্টোবৰত আঁচনিখন পুনৰ সম্প্ৰসাৰিত কৰি আৰ্থ-সামাজিক স্থিতি নিৰ্বিশেষে ৪.৫ কোটি পৰিয়ালৰ ৭০ বছৰ আৰু ততোধিক বয়সৰ ৬ কোটি জ্যেষ্ঠ নাগৰিকক ইয়াৰ আওতালৈ অনা হয়।
- ৰাষ্ট্ৰীয় স্বাস্থ্য হিচাপৰ প্ৰাক্কলন ২০২২-২৩ অনুসৰি, মুঠ স্বাস্থ্য ব্যয়ৰ ভিতৰত নিজে বহন কৰিবলগীয়া স্বাস্থ্য ব্যয়ৰ অংশ ২০১৪-১৫ বিত্তীয় বৰ্ষৰ ৬২.৬ শতাংশৰ পৰা ২০২২-২৩ বিত্তীয় বৰ্ষত ৪৩.৪ শতাংশলৈ হ্ৰাস পাইছে।

কৰি জটিল অস্ত্ৰোপচাৰলৈকে ৫ লাখ টকালৈকে বিনামূলীয়া লাভ কৰা চিকিৎসাৰ সুবিধাই সাধাৰণ নাগৰিকক মৰ্যাদাৰে জীয়াই থকাৰ অধিকাৰ প্ৰদান কৰিছে। সমগ্ৰ দেশৰ হাজাৰ হাজাৰ ব্যক্তিগত আৰু চৰকাৰী তালিকাভুক্ত চিকিৎসালয়ত প্ৰযুক্তি তথা স্বচ্ছতাৰ অভিসৰণৰ ফলত এতিয়া গাঁও আৰু চহৰৰ লোকসকলেও এটকাও ব্যয় নকৰাকৈ বৃহৎ ব্যক্তিগত আৰু চৰকাৰী চিকিৎসালয়সমূহত উচ্চমানৰ চিকিৎসা লাভ কৰিছে। ৭০ বছৰৰ উৰ্ধ্বৰ জ্যেষ্ঠ নাগৰিকসকলকো এই সুৰক্ষাৰ অন্তৰ্ভুক্ত কৰাৰ জৰিয়তে আঁচনিখনে সংবেদনশীলতাৰ এক নতুন উদাহৰণ দাঙি ধৰিছে। আয়ুষ্মান ভাৰতে প্ৰমাণ কৰিছে যে যেতিয়া নীতি জনকল্যাণৰ আন্তৰিক উদ্দেশ্যৰে প্ৰতিষ্ঠিত হয়, তেতিয়া প্ৰতিগৰাকী নাগৰিকৰ বাবে স্বাস্থ্যসেৱাৰ অধিকাৰ নিশ্চিত কৰিব পাৰি।



# সু-পৰিপুষ্ট ভাৰত সুস্থ ভাৰত

এক সবল আৰু আত্মনিৰ্ভৰশীল ৰাষ্ট্ৰৰ ভেটি সু-পৰিপুষ্ট আৰু সুস্থ নাগৰিকৰ ওপৰত প্ৰতিষ্ঠিত। এই সংকল্পৰে মহিলা আৰু শিশু কল্যাণ মন্ত্ৰালয়ে প্ৰতি বছৰৰ ছেপ্টেম্বৰ মাহত 'ৰাষ্ট্ৰীয় পোষণ মাহ' পালন কৰি আহিছে। জন আন্দোলনৰ ৰূপত উদযাপিত নৰম ৰাষ্ট্ৰীয় পোষণ মাহৰ বিষয়বস্তু হৈছে -"হামাৰী অংগনৱাড়ী হামাৰী জিম্মেদাৰী" (আমাৰ অংগনৱাড়ী আমাৰ দায়িত্ব)। এই ৰাষ্ট্ৰীয় অভিযানে কেৱল পুষ্টি বিতৰণৰ মাজতে সীমিত নাথাকি মাতৃসকলৰ সৱলীকৰণক সমাজৰ স্বত্বাধিকাৰিত্বৰ সৈতে সংযুক্ত কৰি এক সুস্থ আৰু সক্ষম ভাৰতৰ পথ প্ৰশস্ত কৰিব।

ভাৰতৰ পৰা অপুষ্টি দূৰীকৰণ আৰু সামগ্ৰিক স্বাস্থ্যৰ প্ৰসাৰৰ ক্ষেত্ৰত 'পোষণ অভিযান' এক সফল গণ আন্দোলন হিচাপে প্ৰমাণিত হৈছে। ২০১৮ চনৰ মাৰ্চ মাহত আৰম্ভ কৰা এই অভিযানৰ অংশস্বৰূপে, ২০২৬ চনৰ ৯ ছেপ্টেম্বৰত বাৰাণসীৰ ৰুদ্ৰাক্ষ সন্মিলন কেন্দ্ৰ-ত 'নৰম ৰাষ্ট্ৰীয় পোষণ মাহ ২০২৬' উদ্বোধন কৰা হয় আৰু ই গোটেই মাহটো জুৰি চলি থাকিব।

আহাৰত কেৱল কেল'ৰিৰ প্ৰয়োজনীয়তা পূৰণ কৰাই যথেষ্ট নহয়; প্ৰ'টিন, মাইক্ৰ'নিউট্ৰিয়েণ্ট আৰু খাদ্যৰ বৈচিত্ৰ্য নিশ্চিত কৰাটোও অতিকে প্ৰয়োজনীয়। 'মিছন সক্ষম অংগনৱাড়ী আৰু পোষণ ২.০'ৰ অধীনত জাৰি কৰা পৰিৱৰ্তিত নিৰ্দেশনাৰ জৰিয়তে অংগনৱাড়ী কেন্দ্ৰসমূহক অধিক স্বচ্ছ, দায়বদ্ধ আৰু অংশগ্ৰহণমূলক কৰি তোলা হৈছে। 'ৰন্ধা গৰম আহাৰ'ৰ বাবে মান নিৰ্ধাৰণ কৰা হৈছে আৰু 'এছএনপি মেনু ব'ৰ্ড'ৰ প্ৰদৰ্শন অংগনৱাড়ী পৰ্যায়ত স্বচ্ছতা সুনিশ্চিত



## ৫টা মুখ্য অগ্ৰাধিকাৰ...

## পোষণ মাহ ২০২৬ ৰ বাবে

### ১ খাদ্যৰ বৈচিত্ৰ্য আৰু পৰ্যাপ্ত প্ৰ'টিন

**স্বাস্থ্যকৰ আৰু বৈচিত্ৰ্যময় ৰেচিপি প্ৰদৰ্শন:** শস্য আৰু মিলেট, দাইল, শাক-পাচলি আৰু ফল-মূল, বাদাম আৰু গুটি, গাখীৰ তথা গাখীৰৰ পৰা তৈয়াৰী সা-সামগ্ৰী, আৰু কণী আদি বিভিন্ন খাদ্য গোটৰ পৰা কম খৰচী, স্থানীয়ভাৱে উপলব্ধ সামগ্ৰী ব্যৱহাৰ কৰি অংগনৱাড়ী কেন্দ্ৰসমূহ বা প্ৰদৰ্শনী সভা পাতি স্বাস্থ্যকৰ আৰু বৈচিত্ৰ্যময় ৰেচিপিৰ পোনপটীয়া প্ৰদৰ্শনৰ দিহা কৰক।

**পোষণ মেলা:** কথোপকথনমূলক প্ৰদৰ্শনী আৰু খেলা-ধূলাৰ জৰিয়তে স্থানীয় অতি পৌষ্টিক খাদ্যসমূহ প্ৰদৰ্শন কৰি পোষণ মেলাৰ আয়োজন কৰক। প্ৰ'টিনযুক্ত খাদ্য সম্পৰ্কে সচেতনতামূলক কাৰ্যসূচী ৰূপায়ণ কৰক।

**পোষণ বাটিকা:** ঘৰুৱা আহাৰত নিয়মিত ব্যৱহাৰক উৎসাহিত কৰিবলৈ পোষণ বাটিকাৰ উৎপাদিত সা-সামগ্ৰী আৰু স্থানীয়ভাৱে উপলব্ধ ঋতুভিত্তিক খাদ্যসমূহ প্ৰদৰ্শন কৰক।

### ২ অংগনৱাড়ী কেন্দ্ৰসমূহত ৰন্ধা সতেজ গৰম আহাৰ (HCM)

**সাপ্তাহিক মেনুৰ সালসলনি:** ৰাজ্য/কেন্দ্ৰীয় শাসিত অঞ্চলসমূহক অংগনৱাড়ী কেন্দ্ৰসমূহত সাপ্তাহিক মেনু সালসলনিৰ প্ৰথা কাৰ্যকৰী কৰিবলৈ উৎসাহিত কৰিব লাগে, যাতে স্থানীয়ভাৱে উপলব্ধ সামগ্ৰী, মিলেট, দাইল আৰু ঋতুভিত্তিক শাক-পাচলি আদিৰ ব্যৱহাৰ কৰি সপ্তাহৰ বিভিন্ন দিনত বৈচিত্ৰ্যময় ৰন্ধা গৰম আহাৰ (HCM) সুনিশ্চিত কৰিব পৰা যায়।

**ৰাইজক জড়িত কৰি ৰন্ধা গৰম আহাৰ (HCM) সোৱাদ লোৱা অনুষ্ঠান:** অভিভাৱক, পঞ্চায়ত, আত্ম সহায়ক গোট আৰু অংগনৱাড়ী পৰিচালনা সমিতিসমূহৰ অংশগ্ৰহণেৰে অংগনৱাড়ী কেন্দ্ৰসমূহত ৰন্ধা গৰম আহাৰৰ সোৱাদ লোৱা অনুষ্ঠানৰ আয়োজন কৰক।

### ৩ ৰাইজৰ স্বত্বাধিকাৰিত্ব আৰু দায়বদ্ধতা

**অংগনৱাড়ী পৰিচালনা সমিতি (AMC) সক্ৰিয়কৰণ:** ৰাইজৰ অংশগ্ৰহণ বৃদ্ধি, পুষ্টি সেৱা প্ৰদানৰ পৰ্যালোচনা আৰু পোষণ মাহৰ কাৰ্যসূচীত সহায় কৰিবলৈ সকলো অংগনৱাড়ী কেন্দ্ৰত এএমচিসমূহ সক্ৰিয় কৰি তোলক। ইয়াৰ উপৰি, পোষণ মাহৰ ভিতৰত এএমচি-ৰ কমেও এখন বৈঠক অনুষ্ঠিত কৰাটো নিশ্চিত কৰক।

**এছএনপি (SNP) মেনু ব'ৰ্ড প্ৰদৰ্শন:** হিতাধিকাৰীসকলৰ সচেতনতা দিনক-দিনে বৃদ্ধি কৰিবলৈ সকলো অংগনৱাড়ী কেন্দ্ৰত এছএনপি মেনু ব'ৰ্ড প্ৰদৰ্শন কৰাটো সুনিশ্চিত কৰক।

**আহাৰৰ গুণগত মান ৰাইজৰ দ্বাৰা নিৰীক্ষণ:** আহাৰৰ গুণগত মান আৰু পৰিমাণ নিৰীক্ষণ কৰাত এএমচি আৰু মাতৃ সমিতিসমূহক জড়িত কৰক।

### ৪ পৰিপুষ্টি আৰু প্ৰাৰম্ভিক শৈশৱৰ বিকাশ

**পৰিৱৰ্তিত গৃহ ভ্ৰমণসূচী:** ০ ৰ পৰা ৩ বছৰ বয়সৰ শিশুসকলৰ ৩৪টা বিকাশমূলক মাইলৰ খুঁটিক আধাৰ কৰি সংশোধিত গৃহ ভ্ৰমণসূচী কাৰ্যকৰী কৰা।

**প্ৰাৰম্ভিক শৈশৱৰ যত্ন:** মগজুৰ বিকাশ আৰু বিদ্যালয়ৰ বাবে প্ৰস্তুতিত সহায় কৰিবলৈ প্ৰাৰম্ভিক শৈশৱৰ যত্ন আৰু শিক্ষা কাৰ্যসূচীৰ সম্প্ৰসাৰণ কৰা।

**সময়মতে পৰীক্ষণ আৰু প্ৰেৰণ:** গাওঁ স্বাস্থ্য, অনাময় আৰু পুষ্টি দিৱসৰ সময়ত 'ৰাষ্ট্ৰীয় বাল স্বাস্থ্য কাৰ্যক্ৰম'ৰ জৰিয়তে শিশুসকলৰ সময়মতে স্বাস্থ্য পৰীক্ষা আৰু চিকিৎসাৰ বাবে প্ৰেৰণ কৰা।

### ৫ প্ৰধানমন্ত্ৰী মাতৃ বন্দনা যোজনা-ৰ ১০টা সফল বছৰ

**১০০% সামৰি লোৱা:** সকলো যোগ্য গৰ্ভৱতী আৰু দুগ্ধপান কৰোৱা মহিলাৰ পঞ্জীয়ন খৰটকীয়া কৰা, বাকী থকাসকলৰ সমস্যা নিষ্পত্তি কৰা আৰু প্ৰত্যক্ষ লাভ হস্তান্তৰণ (DBT) প্ৰক্ৰিয়া দ্ৰুত কৰাৰ বাবে এক বিশেষ অভিযান চলোৱাৰ দিহা।

**সচেতনতা আৰু সঁজুলি (টুলকিট):** আঁচনিৰ যোগ্যতা আৰু কিস্তি সম্পৰ্কে প্ৰচাৰ চলোৱা আৰু আঞ্চলিক ভাষাত 'পিএমএমভিৱাই (PMMVY) টুলকিট' মুকলি কৰা।

কৰিবলৈ এইসমূহ বাধ্যতামূলক কৰা হৈছে। ৰাষ্ট্ৰীয় পোষণ মাহ ২০২৬ কেৱল এক চৰকাৰী কাৰ্যসূচীয়েই নহয়, বৰঞ্চ ই ৰাইজৰ অংশগ্ৰহণৰ এক উদযাপনো, য'ত সমাজৰ প্ৰতিটো শ্ৰেণীয়ে অংগনৱাড়ী সেৱাসমূহ নিৰীক্ষণ কৰা আৰু -পুষ্টি বৃদ্ধি কৰাত প্ৰত্যক্ষ ভূমিকা পালন কৰিব। জীৱনৰ প্ৰথম ১,০০০টা দিনত সু-পুষ্টি আৰু যত্নশীল প্ৰতিপালন মগজুৰ সঠিক বিকাশৰ বাবে অতিশয় গুৰুত্বপূৰ্ণ।

গোলকীয় প্ৰত্যাহ্বানৰ মাজতো অৰ্থনৈতিক ক্ষেত্ৰত ভাৰতৰ বৃহৎ সাফল্য

## ভাৰতৰ ক্ৰমবৰ্ধমান অৰ্থনৈতিক আত্মবিশ্বাস...

# ৭.৮% হাৰত বৃদ্ধি পাইছে অৰ্থনীতি

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত কেন্দ্ৰীয় চৰকাৰ নাগৰিকসকলৰ অৰ্থনৈতিক সুযোগ সম্প্ৰসাৰণ কৰিবলৈ প্ৰতিশ্ৰুতিবদ্ধ। অৰ্থনীতিক গতিশীল কৰিবলৈ বহুকেইটা সংস্কাৰমূলক পদক্ষেপ কাৰ্যকৰী কৰা হৈছে। এই সংস্কাৰ আৰু দক্ষ ব্যৱস্থাপনাৰ বাবে ভাৰতীয় অৰ্থনীতি আজি কেৱল বিশ্বৰ ভিতৰতে দ্ৰুতগতিত উত্থান ঘটা অৰ্থনীতিয়েই নহয়, গোলকীয় প্ৰত্যাহ্বানৰ মাজতো দ্ৰুতগতিত আগবাঢ়ি গৈছে। এপ্ৰিল-জুনৰ চতুৰ্থাংশটোত ভাৰতীয় অৰ্থনীতিয়ে ৭.৮% হাৰত লাভ কৰা উত্থানে দেশবাসীৰ সামূহিক শক্তিক প্ৰদৰ্শন কৰিছে।

বিশ্বব্যাপী প্ৰত্যাহ্বান আৰু অনিশ্চয়তাৰ মাজতো ২০২৬-২৭ বিত্তীয় বৰ্ষৰ প্ৰথমটো চতুৰ্থাংশত ভাৰতীয় অৰ্থনীতিৰ দ্ৰুত উত্থানৰ ধাৰা অব্যাহত আছে। পৰিসংখ্যা আৰু কাৰ্যসূচী ৰূপায়ণ মন্ত্ৰালয় (MoSPI)ৰ এক প্ৰতিবেদন অনুসৰি, এপ্ৰিল-জুনৰ চতুৰ্থাংশটোত অৰ্থনীতিৰ উত্থান হাৰ হৈছে ৭.৮%। উত্থানৰ এই হাৰে ৰিজাৰ্ভ বেংক অব ইণ্ডিয়াৰ পূৰ্বাভাসক অতিক্ৰম কৰিছে; আৰ বি আই-য়ে এই চতুৰ্থাংশৰ বাবে উত্থানৰ হাৰ ৭% বুলি অনুমান কৰিছিল। অৱশ্যে, ৩১ আগষ্টত যেতিয়া তথ্য প্ৰকাশ কৰা হৈছিল, বৃদ্ধি অনুমানতকৈ অধিক হৈছিল। বিগত বৰ্ষৰ একে সময়ছোৱাত ভাৰতৰ উত্থানৰ হাৰ আছিল ৬.৯%।

### পুনৰ উজলি উঠিছে ভাৰত

বিত্তীয় বৰ্ষৰ প্ৰথমটো চতুৰ্থাংশত ৭.৮% মুঠ ঘৰুৱা উৎপাদন (GDP) বৃদ্ধিৰ হাৰ অৰ্জন কৰাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশবাসীক অভিনন্দন জনায়। এটা ভিডিঅ' বাৰ্তাত তেওঁ জিডিপিৰ শক্তিশালী পৰিসংখ্যা দাঙি ধৰি কয় যে এই তথ্যই দেশৰ ক্ৰমবৰ্ধমান অৰ্থনৈতিক আত্মবিশ্বাসক প্ৰতিফলিত কৰিছে। ভাৰতৰ ২০২৬-২৭ বিত্তীয় বৰ্ষৰ প্ৰথমটো চতুৰ্থাংশত ৭.৮% ৰ চমকপ্ৰদ জিডিপি বৃদ্ধি হৈছে এক গুৰুত্বপূৰ্ণ সাফল্য। বিশ্বজোৰা অনিশ্চয়তা, খনিজ তেলৰ তাৰতম্যমূলক মূল্য আৰু যোগান শৃংখলৰ ব্যাঘাত সত্ত্বেও জনসাধাৰণৰ সামূহিক



### নাগৰিকসকলৰ বাবে অৰ্থনৈতিক সুযোগ সম্প্ৰসাৰিত কৰিবলৈ প্ৰতিশ্ৰুতিবদ্ধ

এই সাফল্যৰ বিষয়ে মন্তব্য কৰি বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণে কয় যে ২০২৬-২৭ বিত্তীয় বৰ্ষৰ প্ৰথমটো চতুৰ্থাংশত প্ৰকৃত জিডিপিৰ উত্থান হাৰ ৭.৮% হ'ব বুলি অনুমান কৰা হৈছে।

**১০.৩%** একে সময়ছোৱাত নামমাত্ৰ জিডিপিৰ আনুমানিক উত্থান হাৰ।

**৮.২%** প্ৰকৃত জিভিএ-ত পঞ্জীয়নকৃত উত্থানৰ হাৰ।

তেওঁ এই উৎকৃষ্ট প্ৰদৰ্শনৰ কৃতিত্ব ভাৰতৰ জনগণ আৰু তেওঁলোকৰ পৰিশ্ৰমক দিয়ে। চৰকাৰে কাৰ্যকৰী কৰা সংস্কাৰ আৰু দক্ষ অৰ্থনৈতিক ব্যৱস্থাপনাই ধনাত্মক ফলাফল দিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত কেন্দ্ৰীয় চৰকাৰে সকলো নাগৰিকৰে অৰ্থনৈতিক সুযোগ বৃদ্ধিৰ বাবে নিজৰ প্ৰতিশ্ৰুতি ৰক্ষা কৰি আহিছে।



শক্তিয়ে ভাৰতক দ্ৰুতগতিত উত্থান ঘটাত সহায় কৰিলে। তেওঁ মন্তব্য কৰে যে হতাশাবাদীসকল ভুল প্ৰমাণিত হ'ল আৰু ভাৰত পুনৰ উজলি উঠিল।



৭.৮% হাৰৰ উত্থান। নিতান্তই শক্তিশালী পৰিসংখ্যা। ইয়াতকৈও অধিক হৈছে আত্মবিশ্বাস।

*নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী*

### ভাৰতীয় অৰ্থনীতি ধাৰাবাহিকভাৱে শক্তিশালী হৈ উঠিছে

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী চৰকাৰৰ নেতৃত্বত গোলকীয় প্ৰত্যাহ্বান সত্ত্বেও ভাৰতীয় অৰ্থনীতি ধাৰাবাহিকভাৱে শক্তিশালী হৈ উঠিছে। পুনৰ এবাৰ বিশ্বজোৰা অনিশ্চয়তাক নেওচি ভাৰতীয় অৰ্থনীতিয়ে ২০২৬-২৭ বিত্তীয় বৰ্ষৰ প্ৰথমটো চতুৰ্থাংশত জিডিপিৰ ৭.৮% উত্থান হাৰ অৰ্জন কৰিছে। এয়া প্ৰধানমন্ত্ৰী মোদীৰ দূৰদৰ্শী নেতৃত্বৰে এক প্ৰমাণ, যিয়ে আমাৰ দেশক এনে এক স্থিতিস্থাপকতা প্ৰদান কৰিছে যাৰ ফলত বিশ্বব্যাপী যিমানেই প্ৰতিকূল পৰিস্থিতি নাহক কিয়, আমি সফল হৈ ওলাই আহিব পাৰিছোঁ। এই বিশাল সাফল্যৰ বাবে মই সকলো নাগৰিকলৈ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছোঁ।

মহাকাশ খণ্ডৰ ষ্টাৰ্টআপৰ মুখ্য কাৰ্যবাহী বিষয়াসকলৰ সৈতে প্ৰধানমন্ত্ৰীৰ বাৰ্তালাপ

# মহাকাশ খণ্ডত ভাৰতৰ যুৱ শক্তি

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২১ আগষ্টত 'সেৱা তীৰ্থ'ত মহাকাশখণ্ডৰ ২০টা ষ্টাৰ্টআপৰ মুৰব্বীসকলক সাক্ষাৎ কৰে আৰু তেওঁলোকৰ উদ্ভাৱনীমূলক প্ৰচেষ্টাক প্ৰশংসা কৰে। তেওঁ শিশুসকলৰ মাজত মহাকাশ বিজ্ঞানৰ প্ৰতি আগ্ৰহ বৃদ্ধি কৰিব পৰাকৈ ষ্টাৰ্টআপসমূহক 'অটল টিংকাৰিং লেব'ৰ সৈতে সহযোগিতা কৰিবলৈ আহ্বান জনায়।

দেশৰ ভিতৰত উদ্ভাৱন বৃদ্ধি কৰিবলৈ কেন্দ্ৰীয় চৰকাৰে মহাকাশখণ্ডক বেচৰকাৰী অংশগ্ৰহণৰ বাবে মুকলি কৰি দিছে। উদ্যোগখণ্ডই এই সিদ্ধান্তক লৈ উৎসাহ প্ৰকাশ কৰিছে, কাৰণ ই উদ্ভাৱনৰ লগতে নিযুক্তিৰ নতুন সুযোগ সৃষ্টি কৰিছে। মহাকাশ ষ্টাৰ্টআপসমূহৰ চিইঅ' আৰু প্ৰতিষ্ঠাপকসকলৰ সৈতে বাৰ্তালাপৰ সময়ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উল্লেখ কৰে যে অসংখ্য প্ৰতিষ্ঠানে নতুন প্ৰযুক্তি গ্ৰহণ কৰিবলৈ আৰু ভাৰতৰ ক্ৰমবৰ্ধমান বেচৰকাৰী মহাকাশখণ্ডই আগবঢ়োৱা সুবিধা লাভ কৰিবলৈ গভীৰ আগ্ৰহ প্ৰকাশ কৰিছে।

প্ৰধানমন্ত্ৰীগৰাকীয়ে কয় যে এই উদ্যোগৰ আত্মবিশ্বাসে মহাকাশখণ্ডক বেচৰকাৰী অংশগ্ৰহণৰ বাবে মুকলি কৰাৰ আঁৰৰ দৃষ্টিভংগীক অধিক শক্তিশালী কৰি তুলিছে।

প্ৰধানমন্ত্ৰী মোদীয়ে মহাকাশখণ্ডৰ কোম্পানীসমূহক তেওঁলোকৰ প্ৰযুক্তিৰ নতুন প্ৰয়োগৰ পথ সন্ধান কৰিবলৈ আৰু মানুহৰ জীৱন সহজ কৰি তোলাত গুৰুত্ব দিবলৈ আহ্বান জনায়। তেওঁ শিশু আৰু যুৱক-যুৱতীসকলৰ মাজত মহাকাশ সম্পৰ্কে কৌতূহল জাগ্ৰত কৰিবলৈ 'অটল টিংকাৰিং লেব'ৰ সৈতে সহযোগিতা কৰিবলৈ এই কোম্পানীসমূহক আহ্বান জনায়।

## বিশ্বাস গঢ়ি তোলাৰ এক প্ৰয়াস





> খৰচৰ ক্ষেত্ৰত আমি অত্যন্ত প্ৰতিযোগিতামূলক; আমাৰ প্ৰতিভাৰ গুণগত মানক লৈ কোনো প্ৰশ্নৰ অৱকাশেই নাই আৰু আমাৰ দেশৰ মানুহৰ স্বাভাৱিকতে বিপদাশংকা গ্ৰহণৰ উচ্চ সামৰ্থ্য আছে। এইবাবেই, আমি দ্ৰুতগতিত নিজৰ বাবে এক গুৰুত্বপূৰ্ণ স্থান দখল কৰিব পাৰোঁ।
>
> *নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী*

## ষ্টাৰ্টআপসমূহৰ প্ৰতিষ্ঠাপক তথা মুখ্য কাৰ্যবাহী বিষয়াসকলে বাৰ্তালাপত অংশগ্ৰহণ কৰে

এই বাৰ্তালাপত মহাকাশ খণ্ডত কৰ্মৰত ২০টা ষ্টাৰ্টআপৰ মুখ্য কাৰ্যবাহী বিষয়া আৰু প্ৰতিষ্ঠাপকসকলে অংশগ্ৰহণ কৰে, যিসকলৰ ভিতৰত আছে - স্কাইৰূট এৰ'স্পেচ, অগ্নিকূল কছমছ, পিক্সেল, ধ্ৰুৱ স্পেচ, গেলা'আই, পিয়েৰছাইট, বেলাট্ৰিস্ক এৰ'স্পেচ, দিগন্তৰা, ছেটছিঅ'ৰ, ছুহৰা টেকন'লজিছ, মনাস্ত্ৰ স্পেচ, এষ্ট্ৰোবেছ, টেকমিচস্পেচ, ব্যোমআইচি, কছমোছাৰ্ভ স্পেচ, অৰবিটএইড এৰস্পেচ, স্কাইছাৰ্ভ (হাইস্পেচ), ছেৰেনডিপিটী স্পেচ, ৰাছাৰ লেবছ আৰু মিষ্টইঅ'।

বাৰ্তালাপৰ সময়ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মন্তব্য কৰে, "আপোনালোকে এটা নতুন খণ্ডত সাহসিকতা প্ৰদৰ্শন কৰিছে; আটাইতকৈ ডাঙৰ কথাটো হ'ল আপোনালোকে চৰকাৰৰ ওপৰত বিশ্বাস ৰাখিছে। মই সদায় এই অভিমত পোষণ কৰোঁ যে লৈ থকা সিদ্ধান্তসমূহত স্থিৰ হৈ থাকিব লাগে। ইয়াক বাৰে বাৰে সলনি কৰি থাকিব নালাগে, যাতে যিকোনো বিপদাশংকা ল'বলৈ সাজু থকা ব্যক্তিয়ে নিশ্চিত অনুভৱ কৰে - যে তেওঁলোকৰ নিজৰ ভুলৰ বাবে কিবা ভুল হ'ব পাৰে, কিন্তু তেওঁলোকক আধাবাটত এৰি দিয়া নহ'ব। এই বিশ্বাসৰ ভাৰ গঢ়ি তোলাটোৱেই আমাৰ লক্ষ্য আছিল।"

## বিদেশত থকা লোকসকল ঘূৰি আহিছে

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে বহু লোকক মহাকাশ ষ্টাৰ্টআপৰ জগতখনৰ সৈতে সংযুক্ত কৰাৰ লক্ষ্য গ্ৰহণ কৰা হৈছে আৰু যিসকল লোক বিদেশলৈ গৈছিল তেওঁলোক এতিয়া ঘূৰি আহিছে। মই বিশ্বাস কৰোঁ যে আমি এনে এটা পৰিৱেশ সৃষ্টি কৰা উচিত য'ত বিশ্বৰ সমগ্ৰ মানুহে অনুভৱ কৰে যে যদি তেওঁলোকে নিজৰ কেৰিয়াৰ গঢ়িব বিচাৰে, তেন্তে তেওঁলোক ভাৰতলৈ আহিব লাগে আৰু এটা ভাৰতীয় ষ্টাৰ্টআপত যোগ দিবহি লাগে। মই পতিয়ন গৈছোঁ যে, আপোনালোকৰ প্ৰচেষ্টাৰ জৰিয়তে আমি এক চুম্বকৰ দৰে সমগ্ৰ প্ৰতিভাক আকৰ্ষণ কৰিবগৈ পাৰিম; এইটো সামৰ্থ্যৰ এক বিশাল উৎস হৈ উঠিব পাৰে।




ইকনমিক টাইমছ ৱৰ্ল্ড লিডাৰ্ছ ফ'ৰাম ২০২৬

# সংস্কাৰ... এক বাধ্যবাধকতা নহয়, বৰঞ্চ এক প্ৰতিশ্ৰুতি আৰু দৃঢ় বিশ্বাস

**বৰ্তমান ভাৰতে সাতটা গুৰুত্বপূৰ্ণ খণ্ডৰ ক্ষেত্ৰত বিশেষভাৱে গুৰুত্ব আৰোপ কৰিছে: উৎপাদন, কৃষি আৰু খাদ্য প্ৰক্ৰিয়াকৰণ, প্ৰযুক্তি আৰু উদ্ভাৱন, গতি শক্তি, প্ৰতিৰক্ষা সামৰ্থ্য, সেউজ আৰু নীল অৰ্থনীতি, আৰু চফ্‌ট পাৱাৰ। সেইবাবেই ভাৰতে আমাৰ ভৱিষ্যত সুৰক্ষিত কৰিবলৈ পৰৱৰ্তী প্ৰজন্মৰ নীতিগত সংস্কাৰসমূহ ৰূপায়ণ কৰি আছে; প্ৰশাসন আৰু 'জীৱন ধাৰণৰ সহজসাধ্যতা'ৰ ক্ষেত্ৰতো সংস্কাৰৰ কাম চলি আছে। ২১ আগষ্টত 'ইকনমিক টাইমছ ৱৰ্ল্ড লিডাৰ্ছ ফ'ৰাম ২০২৬'ত ভাষণ প্ৰদান কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে এই সংস্কাৰসমূহ আমাৰ বাবে কোনো বাধ্যবাধকতা নহয়, বৰঞ্চ ই হৈছে এক প্ৰতিশ্ৰুতি আৰু দৃঢ় বিশ্বাসৰ বিষয়।**

প্ৰতিটো সংস্কাৰেই মানসিকতাৰ পৰিৱৰ্তনৰ পৰা আৰম্ভ হয়। এসময়ত উৎপাদন বৃদ্ধি কৰিলে শাস্তিৰ সন্মুখীন হ'বলগীয়া হৈছিল, কিন্তু বৰ্তমান কেন্দ্ৰীয় চৰকাৰে উৎপাদন বৃদ্ধিৰ বাবে উদগনি প্ৰদান কৰে। সমগ্ৰ বিশ্বই পিএলআই (প্ৰডাকচন লিংকড ইনচেন্টিভ - PLI) আঁচনিৰ সফলতা প্ৰত্যক্ষ কৰিছে। 'ইকনমিক টাইমছ ৱৰ্ল্ড লিডাৰ্ছ ফ'ৰাম ২০২৬'ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উল্লেখ কৰে যে কেৱল এইখন আঁচনিয়েই প্ৰায় ২.৫ লাখ কোটি টকাৰ প্ৰকৃত বিনিয়োগ সম্ভৱ কৰি তুলিছে। ইয়াৰ ফলত ২২ লাখ কোটি টকাৰো অধিক উৎপাদন আৰু বিক্ৰী হোৱাৰ লগতে ৰপ্তানিৰ পৰিমাণ ১৫ লাখ কোটি টকা অতিক্ৰম কৰিছে আৰু আনহাতে ১৪ লাখৰো অধিক প্ৰত্যক্ষ আৰু পৰোক্ষ নিযুক্তিৰ সৃষ্টি হৈছে। অতীতত 'লাইচেন্স ৰাজ' যুগৰ 'শাস্তি ব্যৱস্থাই' নিবনুৱা সমস্যা বৃদ্ধি কৰিছিল; ইয়াৰ বিপৰীতে, আজিৰ 'উদগনিমূলক ব্যৱস্থাই' লাখ লাখ নতুন কৰ্মসংস্থাপনৰ সৃষ্টি কৰিছে।

আজি দেশত দ্ৰুত উন্নয়ন আৰু সংস্কাৰ সাধন হৈছে কাৰণ ভাৰতত ৰাজনৈতিক সুস্থিৰতা আৰু নীতিগত ধাৰাবাহিকতা বৰ্তি আছে। অতীতত সংস্কাৰৰ কথা ঘোষণা কৰা হৈছিল যদিও পৰৱৰ্তী সময়ত

সেইবোৰ পাহৰি যোৱা হৈছিল।

## এখন ক্ৰমবিকাশশীল ভাৰতৰ পৰিচয়

দিল্লী-মীৰাট নমো ভাৰত ৰেপিড ৰে'ল কৰিডৰত ১৬০ কিলোমিটাৰ প্ৰতি ঘণ্টা বেগত ৰে'ল চলাচল কৰি আছে। আজিলৈকে এই নেটৱৰ্কত ৪ কোটিৰো অধিক যাত্ৰীয়ে যাত্ৰা কৰিছে, যাৰ সময়ানুৱৰ্তিতাৰ হাৰ হৈছে ৯৯.৯%। সময় সলনি হৈছে। একেদৰে, দিল্লী মেট্ৰ'ই ৯৯.৯% সময়ানুৱৰ্তিতাৰ হাৰ বজাই ৰাখিছে, যিয়ে ইয়াক নিউয়ৰ্ক, হংকং আৰু পেৰিছৰ দৰে চহৰৰ মেট্ৰ' ব্যৱস্থাৰ সমকক্ষ কৰি তুলিছে।

## ক্ৰমবৰ্ধমান প্ৰতিৰক্ষা ৰপ্তানি

ভাৰতৰ পাৰমাণৱিক শক্তি খণ্ডত বেচৰকাৰী খণ্ডৰ অংশগ্ৰহণৰ পথ মুকলি হৈছে। একেদৰে, প্ৰতিৰক্ষা খণ্ডতো এক বৃহৎ নীতিগত সংস্কাৰ ৰূপায়ণ কৰা হৈছে, যিয়ে দুশতিকাৰো অধিক সময় ধৰি চলি থকা এক ব্যৱস্থাক সম্পূৰ্ণৰূপে সলনি কৰি পেলাইছে। ৪০ টাতকৈয়ো অধিক অস্ত্ৰ কাৰখানা একত্ৰিত কৰি সাতটা সুকীয়া প্ৰতিষ্ঠান গঠন কৰা হৈছে। আজি ভাৰতে নিজৰ প্ৰতিৰক্ষাৰ প্ৰয়োজনীয়তা পূৰণত আত্মনিৰ্ভৰশীল হৈ পৰিছে, আৰু ২০১৪ চনৰ তুলনাত প্ৰতিৰক্ষা সামগ্ৰীৰ ৰপ্তানি ৫৫ গুণ বৃদ্ধি পাইছে।

## সীমান্তৰ আন্তঃগাঁথনিৰ ৰূপান্তৰ

আজি সীমান্তৱৰ্তী অঞ্চলসমূহত ৰাস্তা-ঘাট, দলং আৰু সুৰংগৰ নেটৱৰ্ক দ্ৰুতগতিত সম্প্ৰসাৰিত হৈছে। কেৱল ২০২৪ আৰু ২০২৫ বৰ্ষতেই বিআৰঅ'ৰ (সীমান্ত পথ সংস্থা - BRO) ২৫০টা আন্তঃগাঁথনি প্ৰকল্প দেশৰ নামত উছৰ্গা কৰা হৈছে। মানসিকতাৰ পৰিৱৰ্তনে সীমান্তৰ আন্তঃগাঁথনিৰ প্ৰেক্ষাপট সলনি কৰি পেলাইছে।

## কোটি কোটি যাত্ৰীৰ অভিজ্ঞতা উন্নত কৰাৰ এক অভিযান

২০১৪ চনৰ আগতে ৰে'লসমূহত প্ৰায় ১২,০০০ বায়'-টয়লেট স্থাপন কৰা হৈছিল যদিও, তাৰ পিছৰে পৰা ৩,৬০,০০০ ৰো অধিক বায়'-টয়লেট স্থাপন কৰা হৈছে। অৰ্থাৎ, ইয়াৰ ৯৭ শতাংশতকৈয়ো অধিক বায়'-টয়লেট যোৱা ১২ বছৰত স্থাপন কৰা হৈছে। এই পৰিৱৰ্তন কেৱল পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ মাজতেই আৱদ্ধ নহয়; ই যাত্ৰীৰ মৰ্যাদা, স্বাস্থ্যসন্মত পৰিৱেশ আৰু এখন আধুনিক ভাৰত গঢ়ি তোলাৰ ওপৰত গুৰুত্ব আৰোপ কৰা প্ৰশাসনৰ এক নতুন আৰ্হিক প্ৰতিনিধিত্ব কৰে। কোটি কোটি যাত্ৰীক এক উন্নত অভিজ্ঞতা প্ৰদান কৰাটোও ইয়াৰ এক প্ৰধান অভিযান।

“

আগন্তুক সময়ত, 'জীৱন ধাৰণৰ সহজসাধ্যতা' আৰু 'ব্যৱসায় কৰাৰ সহজসাধ্যতা' অধিক সম্প্ৰসাৰিত হ'ব। আমাৰ চৰকাৰে দেশৰ যুৱপ্ৰজন্ম, মহিলা ('নাৰী শক্তি'), কৃষক, দৰিদ্ৰ আৰু মধ্যবিত্ত শ্ৰেণীৰ বাবে নিৰন্তৰভাৱে অহোপুৰুষাৰ্থ কৰি কাম কৰি যাব। আমাৰ 'ৰিফৰ্ম এক্সপ্ৰেছ' বা সংস্কাৰৰ যাত্ৰা আৰু অধিক ক্ষিপ্ৰতাৰে আগবাঢ়ি যাবলৈ সাজু হৈছে।

*নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী*



‘খেলো ইণ্ডিয়া ডাইলগ’ত যুৱপ্ৰজন্মক সম্বোধন প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ

# ক্ৰীড়া: যুৱ শক্তিক একত্ৰিত কৰাৰ এক অভিযান

ভাৰতত ক্ৰীড়াক লৈ হোৱা চৰ্চা কেৱল পদক জয় কৰাতেই সীমাবদ্ধ নহয়; বৰঞ্চ ই এখন বিকশিত ভাৰত গঢ়ি তোলাত দেশৰ ক্ৰীড়া নৈপুণ্য আৰু যুৱ শক্তিক কামত লগোৱাৰ এক অভিযান। ক্ৰীড়াই আমাক কেৱল খেলপথাৰত কেনেকৈ জিকিব লাগে সেয়াই নশিকায়; ই জীৱনত আগুৱাই যোৱাৰ সাহস জগাই তোলে। সেইবাবেই সমগ্ৰ দেশতে এক ক্ৰীড়া সংস্কৃতিৰ প্ৰসাৰৰ বাবে কেন্দ্ৰীয় চৰকাৰে ব্যাপকভাৱে কাম কৰি আছে। এই পদক্ষেপৰ অংশ হিচাপে ২৭ আগষ্টত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ‘খেলো ইণ্ডিয়া ডাইলগ’ত যুৱপ্ৰজন্মক সম্বোধন কৰে...

এক সুস্থ সমাজ, এক সুদৃঢ় পাৰিবাৰিক ব্যৱস্থা আৰু এক উন্নত কৰ্ম সংস্কৃতিৰ বাবে ‘খেলুৱৈসুলভ মনোভাৱ’ অতি প্ৰয়োজনীয়। খেলপথাৰত ননামাকৈ এই মনোভাৱ গঢ়ি তোলাটো কঠিন। ক্ৰীড়াই আমাক কেৱল চেম্পিয়ন হ’বলৈকে নিশিকায়, বৰঞ্চ এজন ভাল প্ৰতিযোগী হ’বলৈয়ো শিকায়। উঠা, পৰা আৰু পুনৰ উঠা- ক্ৰীড়াই আমাৰ মাজত এই মনোভাৱেই জগাই তোলে। ‘খেলো ইণ্ডিয়া ডাইলগ’ত যুৱপ্ৰজন্মক সম্বোধন কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয়, “১৫ আগষ্টত মই লালকিল্লাৰ পৰা দেশৰ আগত ভাৰতৰ ক্ৰীড়াৰ দৃষ্টিভংগী দাঙি ধৰিছিলোঁ। মই সদায় কৈ আহিছোঁ: ‘যি খেলে, সিয়েই প্ৰস্ফুটিত হয়’ (জো খেলে, ৱো খিলে)। আৰু ক্ৰীড়াত ‘ফুলা’ বা বিকশিত হোৱা মানে কেৱল খেলপথাৰত জয়ী হোৱাটোৱেই নুবুজায়; ই নিজৰ ব্যক্তিত্ব আৰু পৰিয়ালৰ বিকাশৰ লগতে দেশৰ গৌৰৱ বৃদ্ধিকো বুজায়।”

*প্ৰধানমন্ত্ৰী মোদীৰ সম্পূৰ্ণ কাৰ্য্যসূচী চাবলৈ কিউআৰ ক’ডটো স্কেন কৰক।*





“ চৰকাৰ ভাৰতত এক আধুনিক, একবিংশ শতিকাৰ ক্ৰীড়া পৰিৱেশ গঢ়ি তুলিবলৈ সম্পূৰ্ণৰূপে দায়বদ্ধ। আজি সমগ্ৰ দেশতে এনে এক ব্যৱস্থা গঢ়ি তোলা হৈছে- য’ত ক্ৰীড়া বিশ্ববিদ্যালয়ৰ পৰা আৰম্ভ কৰি আধুনিক প্ৰশিক্ষণ কেন্দ্ৰলৈকে অন্তৰ্ভুক্ত আছে- যিয়ে প্ৰতিভা চিনাক্ত কৰাৰ পৰা আৰম্ভ কৰি তেওঁলোকক বিশ্ব দৰবাৰলৈ লৈ যোৱালৈকে প্ৰতিটো পৰ্যায়তে সহায় আগবঢ়ায়।

*- নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী*





## নতুন চিন্তাধাৰা হ'ল 'বিকশিত ভাৰত' বাস্তৱায়িত কৰাৰ চালিকাশক্তি

'খেলো ইণ্ডিয়া ডাইলগ' কেৱল ক্ৰীড়াৰ বিষয়ে আলোচনা কৰা এক কাৰ্যসূচীয়েই নহয়; বৰঞ্চ ই মত বিনিময়ৰ এনে এখন মঞ্চ য'ত প্ৰতিটো ধাৰণাই দেশৰ ক্ৰীড়াৰ দৃষ্টিভংগীক এক নতুন দিশলৈ পৰিচালিত কৰিব পাৰে। যুৱপ্ৰজন্মৰ সৈতে অনুষ্ঠিত এই মত বিনিময় অংশগ্ৰহণকাৰীসকলৰ চিন্তা আৰু আকাংক্ষাক দেশৰ সপোনৰ সৈতে একত্ৰিত কৰাৰ এক শক্তিশালী মাধ্যম হিচাপে পৰিগণিত হৈছে। এই কাৰ্যসূচীৰ জৰিয়তে, ক্ৰীড়া পৰিৱেশ, প্ৰতিভাৰ বিকাশ, প্ৰশাসন আৰু এখন বিকশিত ভাৰতৰ সন্দৰ্ভত যুৱপ্ৰজন্মৰ মতামত আৰু পৰামৰ্শসমূহ শুনা হৈছে আৰু সেইবোৰক নীতি-নিৰ্ধাৰণ প্ৰক্ৰিয়াত অন্তৰ্ভুক্ত কৰা হ'ব। প্ৰধানমন্ত্ৰী মোদীয়ে সকলোকে এই মঞ্চখনৰ সৰ্বাধিক অৰ্থপূৰ্ণ ব্যৱহাৰ কৰিবলৈ আৰু নতুন চিন্তাধাৰাসমূহক ওলাই আহিবলৈ দিবলৈ আহ্বান জনায়। তেওঁ গুৰুত্ব আৰোপ কৰি কয় যে যুৱপ্ৰজন্মৰ এই নতুন চিন্তাধাৰাসমূহে এখন বিকশিত ভাৰত বাস্তৱায়িত কৰাৰ মূল চালিকাশক্তি হৈ পৰিব।

**৫,০০০+**

ৰো অধিক যুৱক-যুৱতীয়ে বিভিন্ন স্থানত ক্ৰীড়া সন্দৰ্ভত তেওঁলোকৰ চিন্তাধাৰা আৰু সপোন বিনিময় কৰে।

*'যুৱ সংবাদ' - খেলো ইণ্ডিয়া পদক্ষেপৰ অধীনত অনুষ্ঠিত 'যুৱ সংবাদ'ত পাঁচটা মূল বিষয়ত গুৰুত্ব আৰোপ কৰা হৈছিল: ক্ৰীড়া, অলিম্পিকৰ আকাংক্ষা, যুৱ নেতৃত্ব, এখন বিকশিত ভাৰত, আৰু ড্ৰাগছমুক্ত যুৱপ্ৰজন্ম।*

## বিশ্বৰ দৃষ্টিভংগীৰ পৰিৱৰ্তন

যেতিয়া এজন খেলুৱৈ সফল হয়, সেই সফলতা কেৱল তেওঁৰ নিজৰেই নহয়; ই তেওঁৰ পৰিয়ালৰ পৰিচয় গঢ়ি তোলে আৰু তেওঁলোকৰ মৰ্যাদা বৃদ্ধি কৰে। ই তেওঁলোকে অধ্যয়ন কৰা বিদ্যালয় আৰু মহাবিদ্যালয়ৰ সুনাম বৃদ্ধি কৰে আৰু তেওঁলোকৰ জিলা তথা ৰাজ্যৰ পৰিচয় সুদৃঢ় কৰে। মূলতঃ, সমগ্ৰ বিশ্বই সেই চহৰ বা ৰাজ্যখনক খেলুৱৈগৰাকীৰ নামেৰে চিনিবলৈ আৰম্ভ কৰে। আৰু যেতিয়া এনে অসংখ্য সফলতাৰ জৰিয়তে কোনো এক অঞ্চলে বিশ্বৰ ক্ৰীড়া মানচিত্ৰত জিলিকি উঠে, তেতিয়া সেই চহৰখনৰ প্ৰতি বিশ্বৰ দৃষ্টিভংগীও সলনি হৈ পৰে।




ক্ৰীড়াই এক উন্নত জীৱনৰ নিশ্চয়তা প্ৰদান কৰে। ই এক উন্নত জীৱনশৈলীৰ বাবে আমাক সুস্থ কৰি ৰাখে আৰু আমাৰ জীৱনৰ মান উন্নত কৰে। ক্ৰীড়াই আন এক গুৰুত্বপূৰ্ণ সুবিধা প্ৰদান কৰে: প্ৰকৃত খেলুৱৈসকলৰ মাজত ড্ৰাগছ আৰু নিচাজাতীয় দ্ৰব্য সেৱনৰ পৰা আঁতৰি থকাৰ ইচ্ছাশক্তি গঢ়ি উঠে। যি সময়ত যুৱ প্ৰজন্মই ড্ৰাগছৰ অপব্যৱহাৰৰ দৰে বৃহৎ প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে, তেনে সময়ত এই সমস্যাটো মোকাবিলা কৰাৰ ক্ষেত্ৰতো ক্ৰীড়াই এক অৰ্থপূৰ্ণ ভূমিকা পালন কৰে।



ভাৰত-উজবেক-কিৰ্গিজ সম্পৰ্ক

# সাংস্কৃতিক সংযোগৰ সুদৃঢ় বান্ধোন

২৯ আগষ্টৰ পৰা ১ ছেপ্টেম্বৰলৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উজবেকিস্তান আৰু কিৰ্গিজস্তান ভ্ৰমণৰ অপৰিসীম কূটনৈতিক তাৎপৰ্য আছিল, যিয়ে ভাৰত আৰু মধ্য এছিয়াৰ দেশসমূহৰ মাজৰ ঐতিহাসিক সম্পৰ্কক এক নতুন গতি প্ৰদান কৰিছে। এই ভ্ৰমণৰ মূল উদ্দেশ্য আছিল বাণিজ্য, বিনিয়োগ, প্ৰতিৰক্ষা, শক্তি আৰু শিক্ষাৰ দৰে গুৰুত্বপূৰ্ণ খণ্ডসমূহত দ্বিপাক্ষিক সহযোগিতা সম্প্ৰসাৰণ কৰা। ইয়াৰ উপৰিও, সন্ত্ৰাসবাদ, বিচ্ছিন্নতাবাদ আৰু উগ্ৰবাদৰ প্ৰত্যাহ্বানৰ পৰা মুক্ত এই অঞ্চলটোৰ নিৰাপত্তাজনিত সমস্যা বা উদ্বেগসমূহ দূৰ কৰাটোও ইয়াৰ লক্ষ্য আছিল। তদুপৰি, ছাংহাই সহযোগিতা সংস্থাৰ (SCO) শীৰ্ষ সন্মিলনত ভাৰতৰ সক্ৰিয় অংশগ্ৰহণে আঞ্চলিক আলোচনা আৰু বহুপাক্ষিক অংশীদাৰিত্বত নতুন শক্তিৰ সঞ্চাৰ কৰিছে।

*প্ৰধানমন্ত্ৰীৰ বিদেশ ভ্ৰমণৰ সম্পূৰ্ণ কাৰ্যসূচী চাবলৈ কিউআৰ (QR) ক'ডটো স্কেন কৰক।*

ভাৰত আৰু উজবেকিস্তানৰ মাজৰ ঐতিহাসিক আৰু সাংস্কৃতিক সম্পৰ্কক অধিক সুদৃঢ় কৰি, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ৰাষ্ট্ৰপতি শ্বভকত মিৰ্জিয়োয়েভে ২০২৬ চনৰ পৰা ২০৩০ চনলৈ এক সাংস্কৃতিক বিনিময় কাৰ্যসূচী আৰু আৰ্কাইভ (archives) খণ্ডত উজবেকিস্তান-ভাৰতৰ সহযোগিতাক আদৰণি জনায়। বিশ্ব ঐতিহ্য ক্ষেত্ৰসমূহৰ সংৰক্ষণ, অধ্যয়ন আৰু পুনৰুদ্ধাৰৰ বাবে গৱেষণা প্ৰতিষ্ঠান, সংগ্ৰহালয় আৰু বিশেষজ্ঞসকলৰ মাজত সহযোগিতা বৃদ্ধিৰ ওপৰত দুয়োগৰাকী নেতাই গুৰুত্ব আৰোপ কৰে। এই প্ৰচেষ্টাই সাংস্কৃতিক ঐতিহ্যৰ ডিজিটেলাইজেচন, থ্ৰী-ডি (3D) মডেলিং আৰু আধুনিক প্ৰযুক্তিৰ ব্যৱহাৰক সামৰি ল'ব। এই প্ৰেক্ষাপটত, প্ৰাচীন বৌদ্ধ ক্ষেত্ৰ 'ফায়াজ টেপা' আৰু 'কাৰাতেপা'ৰ সংৰক্ষণ আৰু পুনৰুদ্ধাৰৰ বাবে উপনীত হোৱা চুক্তিৰো তেওঁলোকে শলাগ লয়।

ভাৰত-উজবেকিস্তান সম্পৰ্কৰ তাৎপৰ্য এই কথাৰ পৰাই স্পষ্ট হৈ পৰে যে এয়া আছিল প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ চতুৰ্থটো ভ্ৰমণ; যোৱা এক দশকত তেওঁ দেশখনৰ ৰাষ্ট্ৰপতিক দহবাৰতকৈয়ো অধিকবাৰ সাক্ষাৎ কৰিছে। চলিত বৰ্ষত দুয়োখন দেশৰ মাজৰ কৌশলগত অংশীদাৰিত্বৰ ১৫ বছৰ সম্পূৰ্ণ হৈছে। সেয়েহে, দুয়োখন দেশে তেওঁলোকৰ সম্পৰ্কক এক 'সামগ্ৰিক কৌশলগত অংশীদাৰিত্ব'ৰ পৰ্যায়লৈ উন্নীত কৰাৰ সিদ্ধান্ত লৈছে। ভৱিষ্যতৰ প্ৰতি লক্ষ্য ৰাখি তেওঁলোকে ডিজিটেল ৰাজহুৱা আন্তঃগাঁথনি, কৃত্ৰিম বুদ্ধিমত্তা, গুৰুত্বপূৰ্ণ খনিজ পদাৰ্থ, স্বচ্ছ শক্তি, মহাকাশ আৰু পাৰমাণৱিক শক্তিৰ দৰে ক্ষেত্ৰসমূহত সহযোগিতা বৃদ্ধি কৰিবলৈ সন্মত হয়। দুয়োখন দেশে নিজ নিজ অভিজ্ঞতাক কামত লগাই খাদ্য নিৰাপত্তা নিশ্চিত কৰাত ইখনে সিখনক সহায় কৰিব। লগতে তেওঁলোকে পৰম্পৰাগত চিকিৎসাৰ ক্ষেত্ৰতো সহযোগিতা আগবঢ়োৱাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। উজবেকিস্তানৰ বৌদ্ধ ঐতিহ্য ক্ষেত্ৰসমূহৰ সংৰক্ষণৰ বাবে দুয়োখন দেশে একেলগে কাম কৰিব। উজবেকিস্তানত হিন্দী ভাষাৰ প্ৰসাৰৰ বাবে বৃত্তিৰো ঘোষণা কৰা হৈছে। সম্পৰ্কক অধিক গাঢ় দিবলৈ ক্ৰীড়াৰ ওপৰত অধিক গুৰুত্ব প্ৰদান কৰা হ'ব; কুৰাছ আৰু কাবাডীৰ দৰে পৰম্পৰাগত ক্ৰীড়াই এই অংশীদাৰিত্বক নতুন উচ্চতালৈ লৈ যাব।

দুয়োগৰাকী নেতাই মধ্য এছিয়াৰ ক্ৰমবৰ্ধমান গুৰুত্বক স্বীকাৰ কৰে। বৰ্তমানৰ জটিল ভূ-ৰাজনৈতিক পৰিস্থিতিৰ মাজত, তেওঁলোকে এক স্বাধীন, মুক্ত আৰু নিয়মভিত্তিক আন্তঃৰাষ্ট্ৰীয় ব্যৱস্থা বজাই ৰখাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁলোকৰ সুদৃঢ় কৌশলগত অংশীদাৰিত্ব আৰু বৰ্তমানৰ চুক্তিসমূহৰ ওপৰত ভিত্তি কৰি, দুয়োখন দেশে ভৱিষ্যত প্ৰজন্মৰ স্বাৰ্থত দীৰ্ঘম্যাদী সহযোগিতাৰ প্ৰতি



## প্ৰধানমন্ত্ৰী মোদীলৈ উজবেকিস্তানৰ সৰ্বোচ্চ সন্মান

দুয়োখন দেশৰ মাজৰ বন্ধুত্ব সুদৃঢ় কৰাৰ ক্ষেত্ৰত আগবঢ়োৱা অৱদানৰ স্বীকৃতিস্বৰূপে উজবেকিস্তানৰ ৰাষ্ট্ৰপতি শ্বভকত মিৰ্জিয়োয়েভে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক "অলি দৰজালী দোস্তলিক" (Oliy Darajali Do'stlik - সৰ্বোচ্চ বন্ধুত্বৰ সন্মান) সন্মানেৰে বিভুষিত কৰে। বিদেশী নেতাসকলৰ বাবে এয়া হৈছে উজবেকিস্তানৰ সৰ্বোচ্চ সন্মান। প্ৰধানমন্ত্ৰী মোদীয়ে এই সন্মানক দুয়োখন দেশ আৰু সভ্যতাৰ মাজৰ চিৰস্থায়ী বন্ধুত্বৰ প্ৰতীক বুলি অভিহিত কৰে।

*প্ৰধানমন্ত্ৰীৰ বিদেশ ভ্ৰমণৰ সম্পূৰ্ণ কাৰ্যসূচী চাবলৈ কিউআৰ (QR) ক'ডটো স্কেন কৰক।*



## লাল বাহাদুৰ শাস্ত্ৰী জলপানি ঘোষণা

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তাচখণ্ডত থকা প্ৰাক্তন প্ৰধানমন্ত্ৰী লাল বাহাদুৰ শাস্ত্ৰীৰ স্মাৰকত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। তেওঁ তাচখণ্ড ষ্টেট ইউনিভাৰ্চিটি অৱ অৰিয়েণ্টেল ষ্টাডিজো পৰিদৰ্শন কৰে। বিশ্ববিদ্যালয়খনৰ মহাত্মা গান্ধী কেন্দ্ৰত প্ৰধানমন্ত্ৰী মোদীয়ে ভাৰততত্ত্ববিদ আৰু পণ্ডিতসকলৰ সৈতে মত বিনিময় কৰে। তেওঁৰ এই ৰাষ্ট্ৰীয় ভ্ৰমণকালত প্ৰধানমন্ত্ৰীগৰাকীয়ে উজবেক শিক্ষাৰ্থীসকলৰ বাবে হিন্দী ভাষা অধ্যয়ন কৰিবলৈ 'লাল বাহাদুৰ শাস্ত্ৰী জলপানি'ৰ কথা ঘোষণা কৰে। চলিত বৰ্ষত বিশ্ববিদ্যালয়খনত হিন্দী শিক্ষাদানৰ ৮০ বছৰ সম্পূৰ্ণ হৈছে। উজবেক আৰু হিন্দী ভাষাৰ মাজত ৩,০০০ ৰো অধিক উমৈহতীয়া শব্দ আছে।

তেওঁলোকৰ দায়বদ্ধতা পুনৰবাৰ দৃঢ় কৰে। তদুপৰি, তেওঁলোকে বাণিজ্য, বিনিয়োগ, পৰিবহণ সংযোগ, ডিজিটেল প্ৰযুক্তি (তথ্য প্ৰযুক্তি, কৃত্ৰিম বুদ্ধিমত্তা, মহাকাশ, চাইবাৰ নিৰাপত্তা), শক্তি, গুৰুত্বপূৰ্ণ খনিজ পদাৰ্থ, খাদ্য নিৰাপত্তা, স্বাস্থ্যসেৱা, ফাৰ্মাচিউটিকেল (ঔষধ) উদ্যোগ আৰু শিক্ষাকে ধৰি মূল খণ্ডসমূহত ৰাজনৈতিক আলোচনা আৰু পাৰস্পৰিক অংশীদাৰিত্ব সুদৃঢ় কৰিবলৈ সন্মত হয়।

## তলত উল্লেখ কৰা বিষয়সমূহৰ ওপৰত চুক্তিত উপনীত হোৱা গৈছে...

- ২০২৬-৩০ বৰ্ষৰ বাবে ভাৰত আৰু উজবেকিস্তানৰ মাজত সাংস্কৃতিক বিনিময় কাৰ্যসূচী।
- টাৰ্মেজৰ প্ৰাচীন বৌদ্ধ ক্ষেত্ৰ ফায়াজ টেপা আৰু কাৰাতে পাৰ সংৰক্ষণ আৰু পুনৰুদ্ধাৰৰ বাবে এখন লেটাৰ অৱ ইণ্টেণ্ট (Letter of Intent) বা সন্মতিপত্ৰত স্বাক্ষৰ।
- আৰ্কাইভৰ (archives) ক্ষেত্ৰত সহযোগিতাৰ সন্দৰ্ভত চুক্তি।
- আয়ুৰ্বেদ আৰু অন্যান্য পৰম্পৰাগত চিকিৎসা পদ্ধতিৰ ক্ষেত্ৰত সহযোগিতাৰ সন্দৰ্ভত চুক্তি।
- ভূ-তত্ত্ব আৰু খনিজ সম্পদৰ ক্ষেত্ৰত সহযোগিতাৰ সন্দৰ্ভত চুক্তি।
- ২০২৬-২৮ বৰ্ষৰ বাবে পৰ্যটন খণ্ডত সহযোগিতাৰ অংশীদাৰিত্ব।
- অৰ্থনৈতিক আৰু বিত্তীয় আলোচনাৰ সন্দৰ্ভত চুক্তি।
- পৰিৱেশ সুৰক্ষাৰ ক্ষেত্ৰত সহযোগিতা।
- শিক্ষা আৰু বৈজ্ঞানিক গৱেষণাৰ ক্ষেত্ৰত সহযোগিতা সন্দৰ্ভত চুক্তি।

## ঘোষণাসমূহ...

- ভাৰত-উজবেকিস্তান কৌশলগত অংশীদাৰিত্বক এক সামগ্ৰিক কৌশলগত অংশীদাৰিত্বৰ পৰ্যায়লৈ উন্নীতকৰণ।
- আৰল সাগৰীয় অঞ্চলত বৃক্ষৰোপণৰ বাবে ১ মিলিয়ন মাৰ্কিন ডলাৰৰ অনুদান।
- হিন্দী ভাষাৰ বাবে লাল বাহাদুৰ শাস্ত্ৰী জলপানি।
- তাচখণ্ড ষ্টেট ইউনিভাৰ্চিটি অৱ অৰিয়েণ্টেল ষ্টাডিজত আইচিচিআৰ সংস্কৃত আসন।
- উজবেকিস্তানৰ ব্যৱসায়ীসকলক ধন পৰিশোধ কৰাৰ বাবে ৰাষ্ট্ৰীয় কিউআৰ কোড (QR-UZ) স্কেন কৰিবলৈ ভাৰতৰ ইউপিআই (UPI) এপক সক্ষম কৰা।
- দ্বিপাক্ষিক বাণিজ্যই ১ বিলিয়ন মাৰ্কিন ডলাৰৰ সীমা অতিক্ৰম কৰিছে, যাক ২০৩০ চনৰ ভিতৰত ৫ বিলিয়ন মাৰ্কিন ডলাৰলৈ বৃদ্ধি কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে।




এছচিঅ' সন্মিলন

# দৃষ্টিভংগীক বাস্তৱলৈ ৰূপান্তৰিত কৰাৰ সময়

২৬ সংখ্যক এছচিঅ' সন্মিলনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে এছচিঅ'ই যোৱা ২৫ বছৰে সহযোগিতাৰ এক সুদৃঢ় ভেটি গঢ়ি তুলিছে। এতিয়া আগন্তুক ২৫ বছৰৰ বাবে সংস্থাটোৰ লক্ষ্য হ'ব লাগে এই সহযোগিতাক স্পষ্ট ফলাফললৈ ৰূপান্তৰ কৰা। প্ৰধানমন্ত্ৰী মোদীয়ে ভাৰতৰ দৃষ্টিভংগীৰ তিনিটা স্তম্ভ -এছ (নিৰাপত্তা-Security), চি (সংযোগ-Connectivity) আৰু অ' (সুযোগ-Opportunity)-ৰ বিষয়ত আলোকপাত কৰে। পূৰ্বৰ এছচিঅ' বৈঠকত এই দৃষ্টিভংগী সম্পৰ্কে উল্লেখ কৰা হৈছিল। তেখেতে কয় যে এই দৃষ্টিভংগীৰ বাহিৰলৈ গৈ উল্লিখিত ক্ষেত্ৰসমূহত সুনিৰ্দিষ্ট ফলাফল লাভ কৰাৰ সময় আহি পৰিছে...

- শান্তি আৰু নিৰাপত্তাঃ সন্ত্ৰাসবাদ আজিও সমগ্ৰ মানৱ জাতিৰ বাবে এক গুৰুতৰ প্ৰত্যাহ্বান হৈয়ে আছে। ইয়াৰ বিৰুদ্ধে ফলপ্ৰসূভাৱে যুঁজিবলৈ আমি প্ৰতিক্ৰিয়াশীল মানসিকতাৰ বাহিৰলৈ চাব লাগিব আৰু ইয়াৰ সমগ্ৰ বাতাবৰণটো ভাঙি পেলাব লাগিব। সন্ত্ৰাসবাদক ৰাষ্ট্ৰ নীতিৰ আহিলা হিচাপে ব্যৱহাৰ কৰা বা সন্ত্ৰাসবাদীক নিৰাপদ আশ্ৰয় প্ৰদান কৰা ৰাষ্ট্ৰসমূহলৈ এক শক্তিশালী বাৰ্তা প্ৰেৰণ কৰিব লাগিব। পশ্চিম এছিয়াৰ সংকটে প্ৰমাণ কৰিছে যে এটা অঞ্চলৰ সংঘাত তাতেই আবদ্ধ হৈ নাথাকে; বৰঞ্চ এই সংঘাতে বিশ্ব শক্তি সুৰক্ষা, সামুদ্ৰিক বাণিজ্য আৰু যোগান শৃংখলত প্ৰভাৱ পেলায়। গ্ল'বেল চাউথে এই পৰিণতিৰ বোজা বহন কৰে। সেয়েহে ভাৰতে ধাৰাবাহিকভাৱে কৈ আহিছে যে সকলো উত্তেজনা আৰু সংঘাতৰ সমাধান কেৱল আলোচনা আৰু কূটনীতিৰ দ্বাৰাহে সম্ভৱ, যুদ্ধক্ষেত্ৰত নহয়।

- শক্তিশালী আৰু নিৰ্ভৰযোগ্য সংযোগঃ ভাৰতে বজাৰসমূহক সংযোগ কৰা, বাণিজ্যৰ সুবিধা প্ৰদান কৰা আৰু বিকাশৰ নতুন পথ মুকলি কৰা সকলো পদক্ষেপক সমৰ্থন কৰে। কিন্তু এনে প্ৰচেষ্টা গ্ৰহণ কৰাৰ বেলিকা সকলো ৰাষ্ট্ৰৰ সাৰ্বভৌমত্ব আৰু ভূখণ্ডৰ অখণ্ডতাক সন্মান কৰাটো সৰ্বোচ্চ অগ্ৰাধিকাৰৰ বিষয়। এয়াই হৈছে এছচিঅ' চনদৰ মূল মনোভাৱো।

> ডাগছ সৰবৰাহ কেৱল এক অপৰাধেই নহয়, বৰঞ্চ নৱ প্ৰজন্ম আৰু আঞ্চলিক নিৰাপত্তাৰ বাবে এক প্ৰবল ভাবুকি। নিৰাপত্তাৰ প্ৰতি ভাবুকি, সংগঠিত অপৰাধ, তথ্য সুৰক্ষা আৰু নাৰ্ক'টি'ৰ দৰে প্ৰত্যাহ্বানেৰে মোকাবিলা কৰিবলৈ এছচিঅ' কাঠামোৰ অধীনত স্থাপন কৰা কেন্দ্ৰসমূহে এক ইতিবাচক পদক্ষেপ গ্ৰহণ কাৰ্য্যক সূচিত কৰে।
>
> *নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী*

- সুযোগঃ জনতাৰ মাজৰ সম্পৰ্কই হৈছে পৰম সম্পদ। ভাৰতৰ বাবে এছচিঅ'ই মহান সভ্যতা, সংস্কৃতি আৰু ধাৰণাসমূহৰ মিলনক প্ৰতিনিধিত্ব কৰে। অহা পঁচিশ বছৰত এছচিঅ'ই ইয়াৰ সহযোগিতাৰ আধাৰস্বৰূপ সদস্য ৰাষ্ট্ৰৰ নাগৰিকসকলৰ মাজত পাৰস্পৰিক সম্পৰ্ক স্থাপন কৰিব লাগিব। এই কাৰ্য্যই নিৰাপত্তা, সংযোগ আৰু সুযোগৰ প্ৰকৃত অৰ্থ বহন কৰিছে।



# প্ৰধানমন্ত্ৰী আৰু ৰাছিয়াৰ ৰাষ্ট্ৰপতিৰ মাজত বৈঠক

বিস্কেকত অনুষ্ঠিত ২৬ সংখ্যক এছচিঅ' সন্মিলনৰ সময়তে ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাদিমিৰ পুটিন বৈঠকত মিলিত হয়। এই বৈঠকত দুয়োগৰাকী নেতাই পাৰস্পৰিক স্বাৰ্থজনিত মূল আঞ্চলিক আৰু বিশ্বব্যাপী বিষয়সমূহৰ ওপৰত মত-বিনিময় কৰে। এই আলোচনাই পশ্চিম এছিয়া আৰু কৃষ্ণ সাগৰ অঞ্চলত অব্যাহত সংঘাতক সামৰি লয়। এনে সংঘাতে সামুদ্ৰিক বাণিজ্য আৰু ভাৰতীয় নাৱিকসকলৰ সুৰক্ষাৰ ক্ষেত্ৰত প্ৰভাৱ পেলাইছে। ইয়াতো প্ৰধানমন্ত্ৰীয়ে পুনৰ কয় যে সংঘাতৰ অৱসান ঘটাবলৈ আলোচনা আৰু কূটনীতিয়েই হৈছে সঠিক উপায়। দুয়োগৰাকী নেতাই নিজ-নিজ দেশৰ মাজৰ 'বিশেষ আৰু সুবিধাপ্ৰাপ্ত কৌশলগত অংশীদাৰিত্ব'ক অধিক সুদৃঢ় কৰিবলৈ একেলগে কাম কৰি যাবলৈ সন্মতি প্ৰকাশ কৰে। এই বৰ্ষত



পদক্ষেপঃ ভাৰতে এছচিঅ' কাঠামোত ষ্টাৰ্ট-আপ ফৰাম, যুৱ লেখক কনক্লেভ আৰু যুৱ বিজ্ঞানী ফৰামৰ শুভাৰম্ভ কৰিছে।

*২০-ৰো অধিক সিদ্ধান্ত গ্ৰহণঃ বিস্কেক ঘোষণাৰ উপৰি এই সন্মিলনত চাৰি বুজাবুজিৰ চুক্তি (MoU) আৰু বিশৰো অধিক সিদ্ধান্ত তথা বিবৃতি গ্ৰহণ কৰা হয়। ইয়াত জলবায়ু পৰিৱৰ্তন, পাৰমাণৱিক সুৰক্ষা, শক্তি সংৰক্ষণ আৰু ড্ৰাগছৰ অপব্যৱহাৰৰ বিৰুদ্ধে যুঁজ প্ৰদানৰ দৰে ক্ষেত্ৰসমূহক সামৰি লোৱা হয়।*

দুয়োগৰাকী নেতাৰ মাজত এয়াই আছিল প্ৰথমখন বৈঠক। এছচিঅ' সন্মিলনৰ সময়ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আন কেইবাখনো ৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতিৰ সৈতেও মিলিত হৈ দ্বিপাক্ষিক আৰু বিশ্বজোৰা পাৰস্পৰিক বিষয়কলৈ বিশদভাৱে আলোচনা কৰে।

# ক্ৰুজ আন্তঃগাঁথনিৰ সুদৃঢ়কৰণ

ভাৰতত ১১১টা ৰাষ্ট্ৰীয় জলপথৰ এক বিস্তৃত নেটৱৰ্ক আছে। ২০,০০০ কিমি দৈৰ্ঘ্যৰ এই নেটৱৰ্ক ২৩খন ৰাজ্য আৰু চাৰি কেন্দ্ৰীয় শাসিত অঞ্চলত বিস্তৃত। বৰ্তমান ৩২টা ৰাষ্ট্ৰীয় জলপথ কাৰ্য্যক্ষম হৈ আছে। কেন্দ্ৰীয় চৰকাৰে নিৰ্দিষ্ট পাঁচ-বছৰৰ লক্ষ্যৰে শুভাৰম্ভ কৰা 'ক্ৰুজ ভাৰত মিছন'ৰ অহা ৩০ ছেপ্টেম্বৰত দুবছৰ সম্পূৰ্ণ হ'ব। চৰকাৰে আগন্তুক পাঁচ বছৰত পৰ্য্যায়ক্ৰমে ২০টা নতুন ৰাষ্ট্ৰীয় জলপথ কাৰ্যক্ষম কৰি তোলাৰ পৰিকল্পনাৰ কথা ঘোষণা কৰিছে। তলত ভাৰতৰ জলপথ সমূহত ক্ৰুজ পৰ্যটন আৰু নেভিগেচনৰ বিকাশ সন্দৰ্ভত অৱলোকন কৰা হৈছে।



ক্ৰুজ ভাৰত মিছনৰ অধীনত দেশৰ ক্ৰুজ পৰ্যটনৰ ব্যাপক সম্ভাৱনাক উদ্দীপনা যোগোৱা তথা ২০২৯-ৰ ভিতৰত ক্ৰুজ যাত্ৰীৰ আহ-যাহ দুগুণ কৰি দেশৰ ক্ৰুজ পৰ্যটন উদ্যোগক আগুৱাই নিয়াৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। ইয়াৰ উপৰিও অহা পাঁচ বছৰৰ ভিতৰত ১০টা সমুদ্ৰ ক্ৰুজ টাৰ্মিনেল, ১০০টা নদী ক্ৰুজ টাৰ্মিনেল আৰু ৫টা মেৰিনা স্থাপন কৰাৰ লক্ষ্য গ্ৰহণ কৰা হৈছে। বিগত ১২ বছৰত সমুদ্ৰ ক্ৰুজ যাত্ৰীৰ সংখ্যা ৩০০ শতাংশৰো অধিক বৃদ্ধি পাইছে; এই পৰিসংখ্যা ২০১৪-১৫ ত ১.০৮ লাখৰ পৰা ২০২৫-২৬ ত ৪.৬২ লাখলৈ বৃদ্ধি পাইছে। প্ৰক্ষেপণে অহা দশকটোত ভাৰতীয় ক্ৰুজ বজাৰৰ আঠ-গুণ বৃদ্ধিৰ ইংগিত প্ৰদান কৰিছে। এই মিছনৰ প্ৰথম পৰ্য্যায়ৰ অধীনত অধ্যয়ন, মাষ্টাৰ প্লেনিং, চুবুৰীয়া দেশৰ সৈতে ক্ৰুজ অংশীদাৰিত্বআৰু বৰ্তমানৰ টাৰ্মিনেলসমূহৰ আধুনিকীকৰণৰ কাম দ্ৰুতগতিত অব্যাহত আছে। পৰৱৰ্তী দুটা পৰ্য্যায়ৰ বাবে চৰকাৰে ২০২৬-২৭ লৈকে চলিত বিত্তীয় বৰ্ষৰ বাজেটত ১৯টা নতুন জলপথ কাৰ্য্যকৰী কৰাৰ বাবেও ৰূপৰেখা দাঙি ধৰিছে। ক্ৰুজ ভাৰত মিছন আৰু মেৰিটাইম ইণ্ডিয়া ভিজন, ২০৩০-ৰ দৰে গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণৰ জৰিয়তে চৰকাৰে ভাৰতক বিশ্বজুৰি ক্ৰুজ গন্তব্যস্থান হিচাপে প্ৰতিষ্ঠা কৰাৰ বাবে এক সুদৃঢ় ভেটি স্থাপন কৰিছে। কেৰালামৰ শান্ত জলৰাশিৰ পৰা আৰম্ভ কৰি প্ৰাচীন গংগা, যমুনা, ব্ৰহ্মপুত্ৰ নদৰ সৌম্য বিস্তৃতিলৈকে ক্ৰুজ পৰ্যটনে কেৱল নতুন অৰ্থনৈতিক সম্ভাৱনা মুকলি কৰাই নহয়, বৰঞ্চ নিয়োগ সৃষ্টিৰ সুযোগো বৃদ্ধি কৰিছে।

### ক্ৰুজ পৰ্যটনক প্ৰসাৰিত কৰাৰ উদ্দেশ্যে গ্ৰহণ কৰা ব্যৱস্থাসমূহ

- পৰ্যটন মন্ত্ৰালয়ে ভাৰতীয় বন্দৰত ক্ৰুজ জাহাজৰ বাবে এছঅ'পি-৩ জাৰি কৰিছে।
- বিশাখাপট্টনম (ছেপ্টেম্বৰ, ২০২৩), মুম্বাই (ছেপ্টেম্বৰ, ২০২৫), আৰু চেন্নাই (জুন, ২০২৬)ত আন্তঃৰাষ্ট্ৰীয় ক্ৰুজ টাৰ্মিনেলসমূহ উন্নীতকৰণেৰে কাৰ্য্যক্ষম কৰি তোলা হৈছে।
- পুডুচেৰীক সামৰি ইষ্ট ক'ষ্ট ক্ৰুজ চাৰ্কিটক সম্প্ৰসাৰিত কৰা হৈছে।
- গুজৰাট মেৰিটাইম ব'ৰ্ডৰ অধীনত ৯টা ক্ৰুজ ডেষ্টিনেচনক সামৰি ডেষ্টিনেচন টাস্ক ফ'ৰ্চ গঠন কৰা হৈছে।
- ক্ৰুজ জাহাজৰ বাবে এটি কিউআৰ-ভিত্তিক অভিবাসন ব্যৱস্থা (immigration system) প্ৰৱৰ্তন কৰা হৈছে।
- ক্ষিপ্ৰ শুল্ক অনুমোদনৰ সুবিধাৰ্থে ক্ৰুজ জাহাজৰ বাবে ডিজিটেল শুল্ক পদ্ধতি আৰু স্ব-ঘোষণা ব্যৱস্থা আৰম্ভ কৰা হৈছে।
- বিদেশী পৰ্যটক দলৰ প্ৰৱেশৰ সুবিধাৰ্থে ই-গ্ৰুপ ট্ৰেভেল ভিছা প্ৰৱৰ্তন কৰা হৈছে।
- বিদেশী ক্ৰুজ জাহাজৰ ক্ষেত্ৰত কেবটেজ ৰেহাই দিয়া হৈছে।

# সাহসিকতা, দয়া আৰু অটল প্ৰত্যয়ৰ প্ৰতিভূ



সমাজ সংস্কাৰক ৰাণী ৰাসমণিয়ে ইষ্ট ইণ্ডিয়া কোম্পানীক প্ৰত্যাহ্বান জনাই ব্ৰিটিছৰ সন্মুখত থিয় দিয়াই নহয়, বৰঞ্চ জনকল্যাণৰ বাবেও নিজৰ জীৱন উৎসৰ্গা কৰিছিল। সাহসিকতা, মমতা আৰু দৃঢ় বিশ্বাসৰ প্ৰতিভূ হিচাপে তেওঁ বহু বিবাহ নিষিদ্ধ কৰা আইন প্ৰণয়নৰ ক্ষেত্ৰত আন্তৰিকতাৰে কাম কৰিছিল আৰু বিধৱাৰ পুনৰ বিবাহৰ পোষকতা কৰিছিল। তেওঁ দক্ষিণেশ্বৰ কালী মন্দিৰ নিৰ্মাণ কৰি আধ্যাত্মিক অনুৰক্তি প্ৰদৰ্শন কৰাৰ সমান্তৰালভাৱে তেওঁ ওৰেটো জীৱন দৰিদ্ৰ নাৰায়ণৰ উন্নতিৰ বাবে কাম কৰিছিল।

**জন্মঃ ২৮ ছেপ্টেম্বৰ, ১৭৯৩। মৃত্যুঃ ১৯ ফেব্ৰুৱাৰী, ১৮৬১**

সেয়া আছিল ১৮৫০ চন, সেই সময়ত ভাৰতক ব্ৰিটিছ শাসনে গভীৰভাৱে প্ৰভাৱান্বিত কৰিছিল। ইয়াৰ মাজতে এগৰাকী নাৰীয়ে স্বাধিকাৰ ৰক্ষাৰ বাবে ব্ৰিটিছ কৰ্তৃপক্ষক প্ৰত্যাহ্বান জনাইছিল। এই মহিলাগৰাকী আন কোনো নাছিল। তেওঁ আছিল ৰাণী ৰাসমণি। তেওঁ কেৱল উল্লেখযোগ্য আন্দোলনৰ নেতৃত্ব প্ৰদান কৰাই নহয়, বৰঞ্চ সামাজিক অশুভ শক্তিৰ বিৰুদ্ধেও ধাৰাবাহিকভাৱে মাত মাতিছিল।

১৭৯৩-ৰ ২৮ ছেপ্টেম্বৰত 'কোনা' গাঁৱৰ (নদিয়া আৰু উত্তৰ ২৪ পৰগণাৰ সীমান্তত অৱস্থিত) মাহিষ্য কৃষক পৰিয়ালত জন্মগ্ৰহণ কৰা ৰাণী ৰাসমণিয়ে জীৱনৰ প্ৰাৰম্ভণিতে নানাদুখ-কষ্টৰ মুখামুখি হ'বলগীয়া হৈছিল। মাত্ৰ সাত বছৰ বয়সতে তেওঁ মাতৃক হেৰুৱাইছিল, এই ঘটনাই তেওঁৰ জীৱনত গভীৰ প্ৰত্যাহ্বানৰ সৃষ্টি কৰিছিল। তেওঁ ১১ বছৰ বয়সত কলকাতাৰ জানবজাৰ অঞ্চলৰ এজন ধনী জমিদাৰ (ভূস্বামী) বাবু ৰাজচন্দ্ৰ দাসৰ সৈতে বিবাহপাশত আবদ্ধ হৈছিল। ১৮৩৬-ত স্বামীৰ বিয়োগৰ পিছত ৰাসমণিয়ে সা-সম্পত্তি চোৱাচিতা আৰু আৰ্থিক কাম-কাজৰ দায়িত্ব চম্ভালিবলগীয়া হৈছিল; ব্যতিক্ৰমী পৰিচালনা দক্ষতা আৰু সমাজ সেৱাৰ প্ৰতি নিষ্ঠাৰ মনোভাৱৰ সুবাদতে তেওঁ জনসাধাৰণৰ সন্মান আৰু মৰম অৰ্জন কৰিছিল।

সমাজসেৱা আৰু সমাজলৈ আগবঢ়োৱা বৰঙণিৰ বাবে জনাজাত ৰাণী ৰাসমণিয়ে ১৮৪৭-১৮৫৫ত বিখ্যাত দক্ষিণেশ্বৰ কালী মন্দিৰ নিৰ্মাণৰ কাম হাতত লৈছিল। ইয়াৰ অৰ্থে তেওঁ ৩০,০০০ একৰ ভূমি ক্ৰয় কৰি ন লাখ টকাৰ ব্যয় বহন কৰিছিল। ইয়াৰ নিৰ্মাণ সম্পূৰ্ণ হৈ উঠিবলৈ আঠ বছৰ সময় লাগিছিল। তেওঁ গংগাৰ কাষৰ ঘাট আৰু তীৰ্থযাত্ৰী সকলৰ বাবে পথ নিৰ্মাণৰ বাবেও পুঁজি আগবঢ়াইছিল। তেওঁ ভাৰতীয় ৰাষ্ট্ৰীয় পুস্তকালয় আৰু হিন্দু কলেজ (বৰ্তমান প্ৰেচিডেন্সি ইউনিভাৰ্চিটি) আদি প্ৰতিষ্ঠানলৈ বৰঙনি আগবঢ়াইছিল। তদুপৰি ৰাণী ৰাসমণি সাহসিকতাৰ বাবে পৰিচিত আছিল আৰু তেওঁ কেইবাবাৰো ব্ৰিটিছ বিষয়াৰ বিৰুদ্ধে দৃঢ়তাৰে থিয় দিছিল। তেওঁ গংগাত মাছ ধৰাৰ ক্ষেত্ৰত কৰ আৰোপ কৰা কাৰ্য্যক প্ৰত্যাহ্বান জনোৱাৰ সমান্তৰালকৈ ধৰ্মীয় শোভাযাত্ৰাৰ ক্ষেত্ৰত নিষেধাজ্ঞা আৰোপ কৰা কাৰ্য্যৰ বিৰোধিতা কৰিছিল। ইয়াৰ জৰিয়তে স্থানীয় লোকসকলৰ জীৱিকা আৰু পৰম্পৰাক সফলতাৰে সুৰক্ষিত কৰি ৰখা হৈছিল। তেওঁ ঈশ্বৰ চন্দ্ৰ বিদ্যাসাগৰৰ সৈতে কাম কৰি বহু বিবাহ নিষিদ্ধকৰণ আইন প্ৰণয়নকে প্ৰমুখ্য কৰিএকাধিক সংস্কাৰ সাধনৰ পোষকতা কৰিছিল। তেওঁ ইষ্ট ইণ্ডিয়া কোম্পানীৰ ওচৰত এই প্ৰথাৰ বিৰুদ্ধে এখন খচৰা বিধেয়ক দাখিল কৰিছিল। ১৮৬১-ৰ ১৯ ফেব্ৰুৱাৰীত তেওঁৰ দেহাৱসান ঘটে। জন্ম বাৰ্ষিকীত তেওঁলৈ শ্ৰদ্ধাঞ্জলি জনাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয়, "ৰাণী ৰাসমণি আছিল সাহস, মমতা আৰু দৃঢ়তাৰ এক মহান প্ৰতিভূ। এগৰাকী দূৰদৰ্শী নেত্ৰী আৰু এগৰাকী লোকহিতৈষী হিচাপে তেওঁ স্মৰণীয় হৈ থাকিব। তেওঁ অজৰ-অমৰ প্ৰতিষ্ঠান গঢ়ি তুলিছিল। তেওঁ আধ্যাত্মিকতাৰ সমান্তৰালকৈ দৰিদ্ৰ নাৰায়ণৰ উত্থানৰ প্ৰতিও অটল দায়বদ্ধ আছিল।"



**PMO India**
@PMOIndia

खेल हमें केवल champion बनना नहीं सिखाता... बल्कि खेल हमें एक बेहतर competitor बनना भी सिखाता है।

उठना, गिरना... गिरकर फिर से उठना... Sports, ये ज़ज्बा हमारे भीतर लाता है: PM @narendramodi



**Rajnath Singh**
@rajnathsingh

ITI को केवल ट्रेनिंग सेंटर नहीं, India के Industrial Transformation की फाउंडेशन बनाना है। PM-SETU के तहत इंडस्ट्री की जरूरतों के अनुरूप Curriculum, Equipment और Apprenticeship को मजबूत कर युवाओं को रोजगार-रेडी बनाना होगा। आत्मनिर्भर डिफेन्स इंडस्ट्री के लिए आत्मनिर्भर Talent Pipeline जरूरी है।



**Amit Shah**
@AmitShah

नेपाल में आई बाढ़ की विभीषिका अत्यंत दु:खद है। जिन परिवारों ने इस आपदा में अपने प्रियजनों को खोया है, मेरी संवेदनाएँ उनके साथ हैं। संकट की इस घड़ी में भारत सरकार नेपाल के साथ खड़ी है।

नेपाल में आई इस आपदा के संबंध में बिहार व उत्तर प्रदेश के मुख्यमंत्रियों से बात की। इसका प्रभाव जिन सीमावर्ती क्षेत्रों पर पड़ सकता है, वहाँ के स्थानीय प्रशासन और राहत-बचाव की टीमों के साथ NDRF को भी हाई अलर्ट पर रखा गया है।



**Nitin Gadkari**
@nitin_gadkari

From taking banking to every doorstep to empowering millions with access to formal finance, Pradhan Mantri Jan Dhan Yojana has transformed India's financial inclusion landscape. In 12 years, 59 crore accounts, with 56% held by women, have become gateways to savings, insurance, credit and Direct Benefit Transfers. This remarkable transformation reflects the visionary leadership of Hon'ble PM Shri @narendramodi Ji and his unwavering commitment to inclusive growth and a Viksit Bharat.



**Manohar Lal**
@mlkhattar ·

UPI has transformed how India transacts, bringing speed, simplicity, and inclusion to everyday payments.

From street vendors to small businesses, it has expanded access to the formal economy, strengthened transparency, and positioned India as a global leader in digital payments.



**Kiren Rijiju** @KirenRijiju
कभी लगती थी लंबी कतार... अब बस एक QR!
#UPI और डिजिटल पेमेंट ने भुगतान को बनाया आसान, तेज़ और सुविधाजनक।
शॉपिंग से रोज़मर्रा के भुगतानों तक, डिजिटल इंडिया ने बदली Ease of Life की कहानी!

#DigitalIndia #10YearsOfUPI
#EaseOfLiving #NewIndia

# At SCO, PM slams states using terror as instrument of policy

**Rezaul H Laskar**
letters@hindustantimes.com

**NEW DELHI:** The West Asia conflict must be resolved through dialogue and diplomacy, and not on the battlefield, Prime Minister Narendra Modi said on Tuesday, even as he urged Shanghai Cooperation Organisation (SCO) states to shun "double standards" while unitedly countering the challenge of terrorism.

Modi made the remarks while addressing the 26th SCO Summit in the Kyrgyz capital of Bishkek. The comments were made before a gathering that included Pakistan Prime Minister Shehbaz Sharif and President Xi Jinping of China, which has often stymied India's efforts to sanction Pakistani terrorists at bodies such as the UN Security Council.

He also spoke of India's vision for the SCO based on security, connectivity and opportunity and said the grouping, which has completed 25 years, should now focus on translating cooperation into tangible outcomes that benefit the people of the grouping's 10-member countries.

"The crisis in West Asia has demonstrated that a conflict in one region does not remain confined to that region. Its impact is felt across the world, affecting energy security, maritime trade, and supply chains," Modi said, speaking in Hindi. "The countries of the Global South bear the greatest brunt of such disruptions. Therefore, India has consistently called for all tensions and conflicts to be resolved not on the battlefield, but through dialogue and diplomacy."



**Prime Minister Narendra Modi, Iranian President Masoud Pezeshkian, Kazakh President Kassym-Jomart Tokayev, Chinese President Xi Jinping, Kyrgyz President Sadyr Japarov, Russian President Vladimir Putin, and Pakistani Prime Minister Shehbaz Sharif at the SCO summit in Bishkek.** ANI

While speaking on the issue of security, Modi said terrorism remains a serious challenge to humanity. "In the fight against terrorism, we cannot remain confined to an action-reaction approach," he said.

"We must dismantle the entire ecosystem of terrorist financing, recruitment, radicalisation and safe havens. We must speak with one voice and make it clear that there can be no place for double standards on this serious issue," Modi said.

Though Modi didn't name any countries, his remarks on terrorism appeared to be directed against Pakistan. "We must send a strong message to countries that use terrorism as an instrument of policy and provide safe haven and support to terrorists that terrorism can never be a strategic asset for anyone," he said.

The SCO's shared aspiration for a secure Eurasia is closely linked to peace and stability in Afghanistan, Modi pointed out. "India has been contributing to the development and provision of humanitarian assistance to the people of Afghanistan and will continue to do so," he said.

The Bishkek Declaration adopted at the close of the summit expressed deep concern at developments in the Middle East and reiterated the SCO's condemnation of military strikes on Iran, which resulted in numerous civilian casualties and significant damage to the economy. SCO member states expressed their condolences to Iran on the death of Supreme Leader Seyyed Ali Khamenei.

The declaration, while supporting the sovereignty and territorial integrity of Iran, backed the resolution to the conflict "solely through political and diplomatic means" and welcomed all efforts aimed at de-escalation.

"Member States note that the only possible way to ensure peace and stability in the Middle East is a comprehensive and just settlement of the Palestinian question," the declaration said.

The declaration emphasised the "inadmissibility of attempts to exploit terrorist, separatist and extremist groups for selfish purposes" and strongly condemned all forms of terrorism. It further emphasised that "double standards" in the fight against terrorism are unacceptable, and urged the world community to "combat terrorism, including the cross-border movement of terrorists".

The SCO Summit took stock of progress on the 25th anniversary of the grouping and discussed ways to further its role for peace, security, stability and prosperity in the region. Modi said the anniversary is an opportune time to lay the roadmap for the next 25 years.

Strong and trusted connectivity initiatives are important for SCO's shared progress and prosperity, Modi said. However, he reiterated that such efforts should respect the sovereignty and territorial integrity of nations.

# Must move from endless war to end of war, Modi tells Putin

On SCO sidelines, PM says India to support all efforts towards peace

**Ujwal Jalali**
Tribune News Service

NEW DELHI, AUGUST 31
Prime Minister Narendra Modi on Monday called for a shift from "endless war" to "end of the war", saying every day spent in conflict "sets humanity back", as he held talks with Russian President Vladimir Putin in Bishkek and pressed for peaceful resolution of the Ukraine conflict.

"We must move from endless war towards an end to the war—a direction essential for the well-being of humanity. A peaceful resolution to all issues as soon as possible—this is the call of humanity and India's message," Modi told Putin during their meeting on the sidelines of the 26th Shanghai Cooperation Organisation (SCO) summit.

Modi said every step taken towards peace filled all of humanity with new hope and enthusiasm, and that India would continue to support all efforts towards peace. The PM's latest message echoed his famous remark to Putin during their meeting in Samarkand in September 2022 when he said that "today's era



PM Narendra Modi and Russian President Vladimir Putin share the same car as they head towards the World Nomad Games venue in Bishkek. ANI

**PUSHING PEACE EFFORTS: MODI TO IRAN PREZ**

- PM Modi conveyed to Iranian President Masoud Pezeshkian that India supported all efforts towards ending the conflict
- Modi met Pezeshkian on the sidelines of the SCO summit for their first bilateral since the outbreak of Iran-US conflict in Feb
- The PM also told Pezeshkian that New Delhi wants to 'expand and diversify' the trade basket with Tehran in the 'times to come'

was not an era of war". The two leaders also discussed the conflicts in Ukraine, West Asia and the Black Sea region, with the latter two having implications for maritime trade and the safety and security of Indian seafarers. Modi reiterated that dialogue and diplomacy remained the way forward in resolving conflicts. The meeting was their first this year and came days after the 27th India-Russia Inter-Governmental Commission on Trade, Economic and Cultural matters met in Moscow on August 24. The two leaders reviewed progress in bilateral cooperation spanning political, economic, defence, energy, space, mobility and people-to-people ties.

They welcomed the outcome of the latest Inter-Governmental Commission meeting and agreed to remain engaged to further strengthen the "Special and Privileged Strategic Partnership", which the MEA said continued to show resilience despite geopolitical uncertainties.

Modi also highlighted the economic momentum in the relationship, recalling Putin's visit to India last year and discussions with Russian business representatives aimed at taking bilateral economic ties to new heights. "Prioritising national interest has always been our guiding principle, and it will remain our core mantra going forward," Modi said.

The Prime Minister invited Putin to India for the 18th BRICS Summit on September 12-13, saying Indians were

CONTINUED ON PAGE 10

# PM MODI LAUDS JAN DHAN AS ACCOUNTS HIT 590 MN MARK

**Rajeev Jayaswal**
rajeev.jayaswal@htlive.com

**NEW DELHI:** Prime Minister Narendra Modi on Friday lauded the Pradhan Mantri Jan Dhan Yojana (PMJDY) for its "unprecedented scale and transformative outcomes" achieving 590 million bank accounts in the last 12 years with deposits of ₹3.16 lakh crore.

"Jan Dhan Yojana has had an unparalleled impact," he said in a post on X, pointing at rapid financial inclusion because of the scheme. According to the latest government data, about 78% of Jan Dhan accounts are in rural and semi urban areas, and 56% of the account holders are women. PMJDY was launched on August 28, 2014.

Highlighting growing participation in formal banking, Union finance minister Nirmala Sitharaman said PMJDY has brought transformation from "banking the few to banking for all". PMJDY has brought banking closer to the people, opening doors to opportunity, security and economic empowerment, she said.

Growing deposits in Jan Dhan accounts reflect more than increasing balances. They point to greater engagement with formal banking, stronger saving habits and growing financial participation among beneficiaries across the country, the finance ministry said.

PMJDY ensures that every unbanked adult has access to a basic bank account with zero balance requirements and no maintenance charges. Each account comes with a free RuPay debit card, offering an accident insurance cover of ₹2 lakh, encouraging digital transactions and financial security.

# India, Uzbekistan upgrade ties, agree on uranium deal

Uzbekistan is at the heart of India's engagement in Central Asia, says PM as the two nations elevate relations to comprehensive strategic partnership and set a $5 billion annual trade target by 2030

**Press Trust of India**
TASHKENT

India and Uzbekistan on Sunday decided to elevate their ties to a comprehensive strategic partnership and set a target of $5 billion in annual trade by 2030 following talks between Prime Minister Narendra Modi and Uzbek President Shavkat Mirziyoyev.

The two sides inked 11 agreements for boosting engagement in several key sectors, including mining and tourism, and agreed to establish a framework for



**Hand in hand:** Prime Minister Narendra Modi with Uzbekistan President Shavkat Mirziyoyev in Tashkent on Sunday. ANI

infrastructure, critical minerals, mining, defence and security, agriculture, phar-

delighted that, on this special occasion, we are elevating our ties to the level

their existing joint commission from the level of secretaries to that of ministerial level.

Mr. Mirziyoyev said Uzbekistan was determined to boost ties with India in diverse sectors. "We are aiming to advance cooperation in sectors such as energy, culture, critical minerals, pharmaceuticals, jewellery, and agriculture," the Uzbek President said. The current volume of bilateral trade between the two nations is over $1 billion.

"Uzbekistan is at the heart of Central Asia and is



# Schoolchildren tie *rakhi* on PM Modi on Raksha Bandhan

Prime Minister Narendra Modi on Friday greeted people on Raksha Bandhan and expressed hope that the auspicious festival brings happiness, prosperity, and success to everyone's lives. Continuing the annual tradition, schoolgirls visited the Prime Minister's official residence at 7, Lok Kalyan Marg, where they tied *rakhis* on his wrist. Mr. Modi shared photos and a video on Instagram showing the children tying *rakhis*. In

# In message to Iran's President, Modi flags dialogue, freedom of navigation & trade

By strengthening bilateral cooperation and neutralising effects of sanctions, we can further elevate ties, says Pezeshkian

**Shubhajit Roy**
*New Delhi, August 31*

MEETING IRANIAN President Masoud Pezeshkian for the first time since the war in West Asia began in February, Prime Minister Narendra Modi on Monday expressed "concern at the escalation of tensions" in the region and reiterated that all issues must be resolved through "dialogue and diplomacy".

The two leaders met in Bish-

land. In response, Iran attacked US bases in Jordan.

In a statement, the Iranian foreign ministry said Pezeshkian asked Modi to "use India's extensive contacts with various parties to help them move away from the path of war and bloodshed and return to the path of dialogue and agreement". He cited India's "important position and capacities" in the region and the world, as well as the deep historical and cul-

বিশ্ব বাঁহ দিৱস - ১৮ ছেপ্টেম্বৰ, ২০২৬

# বাঁহৰ জৰিয়তে ভাৰতৰ সেউজ অৰ্থনীতিৰ সুদৃঢ়কৰণ

এসময়ত যাক বোজা হিচাপে গণ্য কৰা হৈছিল, সিয়েই আজি নিয়োগ, বাণিজ্য আৰু উদ্ভাৱনক এক নতুন গতি প্ৰদান কৰিছে। সেই খণ্ডটো বাঁহৰ বাহিৰে আন একো নহয়। ইয়াত ভাৰতে সফলতাৰ নতুন শিখৰত আৰোহণ কৰিছে। ঔপনিৱেশিক-যুগৰ আইন অনুসৰি বাঁহক বৃক্ষ হিচাপে শ্ৰেণীভুক্ত কৰা হৈছিল আৰু ইয়াৰ সৈতে জড়িত নিয়মসমূহ অত্যন্ত কঠোৰ আছিল। এনে প্ৰেক্ষাপটত জনসাধাৰণ বাঁহ-সম্পৰ্কীয় উদ্যোগৰ পৰা আঁতৰি থাকিবলগীয়া হৈছিল; কিন্তু কেন্দ্ৰীয় চৰকাৰে বাঁহৰ পুনৰ সংজ্ঞা নিৰূপণ কৰাত দেশজুৰি এক লক্ষণীয় ৰূপান্তৰ ঘটিছিল...

- পুনৰ্গঠিত ৰাষ্ট্ৰীয় বাঁহ অভিযানে ২৪খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলত বাঁহৰ খেতি, সংসাধন আৰু বিপণনক প্ৰসাৰিত কৰিছে।
- এই অভিযানে কৃষক আৰু এমএছএমই-সমূহলৈ আৰ্থিক সাহায্য, এফপিঅ' (কৃষক উৎপাদক সংস্থা) গঠন আৰু দক্ষতা বিকাশৰ জৰিয়তে সহায় আগবঢ়ায়।
- ভাৰতৰ বাঁহ আবৃত এলেকা ১৩.৯৬ নিযুত হেক্টৰ। ১৩৬টা প্ৰজাতিৰে (১২৫টা স্থানীয় আৰু ১১টা বাহিৰৰ) বাঁহৰ বৈচিত্ৰ্যৰ ক্ষেত্ৰত চীনৰ পিছতে দ্বিতীয় স্থানত আছে ভাৰত।

"২০১৭-ত আইনৰ সংশোধনেৰে আমি বাঁহক বৃক্ষৰ শ্ৰেণীৰ পৰা আঁতৰ কৰাত ইয়াৰ ফলাফল সকলোৰে বাবে স্পষ্ট হৈ পৰিছে। আজি সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলত বাঁহ খণ্ডই ঠন ধৰি উঠিছে। জনসাধাৰণে ইয়াৰ মূল্য সংযোজন কৰিবলৈ নিৰন্তৰভাৱে উদ্ভাৱন কৰি আছে।

*নৰেন্দ্ৰ মোদী*
*প্ৰধানমন্ত্ৰী*





নিউ ইণ্ডিয়া
**সমাচাৰ**
পযেকীয়া

আৰ এন আই, **DELHIN/2020/78811**, ১৬-৩০ ছেপ্তেম্বৰ, ২০২৬
RNI পঞ্জীয়ন নং DELENG/2020/78811 (Publishing Date:07 September, 2026, Pages-44)

EDITOR IN CHIEF
Dhirendra Ojha
Principal Director General
Press Information Bureau, New Delhi

PUBLISHER:
Kanchan Prasad
Director General, on behalf of
Central Bureau Of Communication

PUBLISHED FROM:
Room No–278, Central Bureau Of
Communication, 2nd Floor, Soochna
Bhawan, New Delhi -110003